# Assam Legislative Assembly Debates

सत्यमेव जयते

REFERENCE,
NOT FOR ISSUE
... INSIDE LIBRARY

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

NO. 3

**Tbe 17th March 1993**

**Price—Rs.** 40·60

REFERENCE,
NOT FOR ISSUE
INSIDE LIBRARY

## CONTENTS

### BUDGET SESSION

No. 3

Dated, the 17th March


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—62 |
| 2. | Point of Order | 62—66 |
| 3. | Discussion During Zero Hour | 66—74 |
| 4. | Report of the Business Advisory Committee | 74—75 |
| 5. | Call Attention Notice | 75—77 |
| 6. | Matter Under Rule 301 | 77—79 |
| 7. | Debates on Governor's Address | 79—135 |
| 8. | Obitury Reference | 135—137 |
| 9. | Adjournment | 137 |
| 10. | Annexure I, II, III, IV, V, VI, VII, VIII | 138—218 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
Wednesday, the 17th March 1993

The House met at 9 A.M. of the Clock in the Assembly Chamber, at Dispur, with Shri Debesh Chakravarty, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS
(To which oral answers were given)

Mr. Speaker : Now Starred Question No. 21, Honourable Shri Hitesh Deka.

### বিষয়ঃ পৰিকল্পনা শিতানৰ ধন।

শ্ৰীহিতেশ ডেকা আৰু শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

*২১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯২-৯৩ ইং বিত্তীয় বৰ্ষত 'পৰিকল্পনা শিতান'ৰ ধন 'অপৰিকল্পনা শিতান'ত ব্যয় কৰা হৈছে নেকি ?

(খ) যদি হৈছে, এনে ধনৰ মুঠ পৰিমান কিমান ? (বিভাগ অনুযায়ী বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) 'পৰিকল্পনা শিতান'ৰ ধন 'অপৰিকল্পনা শিতান'লৈ হস্তান্তৰৰ কাৰণ কি ?

(ঘ) এনে হস্তান্তৰৰ ফলত 'পৰিকল্পনা শিতান'ৰ আঁচনিসমূহ ক্ষতিগ্ৰস্ত হৈছে নেকি আৰু যদি হৈছে এনে পৰিস্থিতিৰ জোৰা মাৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ১৯৯২-৯৩ চনৰ হিচাপ বিত্তীয় বছৰটো শেষ হোৱাৰ পিছতহে ক'ব পৰা যাব।

(গ) 'অপৰিকল্পনা শিতান'ত মুঠ ঘাটিৰ এটা অংশ যোৰা মাৰিবৰ কাৰণে 'পৰিকল্পনা শিতান'ৰ ধন 'অপৰিকল্পনা শিতান'লৈ স্থানান্তৰ কৰা হৈছে।

(ঘ) ইয়াৰ ফলত 'পৰিকল্পনা শিতান'ৰ আঁচনি সমূহ ক্ষতিগ্ৰস্ত হ'ব পাৰে। ৰাজ্য চৰকাৰে ঋণ পৰিশোধৰ কিস্তিসমূহ পুনঃ নিৰ্ধাৰণ কৰিবলৈ, ঋণ পৰিশোধৰ ক্ষেত্ৰত এক মৰেটৰিয়াম (Moratorium) দিবলৈ আৰু 'পৰিকল্পনা শিতান'ত ব্যয় কৰিব পৰাকৈ ১৯৯৩ চনৰ মাৰ্চ মাহত পুঁজি মুকলি কৰি দিয়াৰ বাবে ভাৰত চৰকাৰক অনুৰোধ জনাইছে।

## ভাৰত চৰকাৰে ঘুৰিতে নিষ্পত্তি কৰা পুঁজিৰ প্ৰবিবৰণ

(কোটি টকাৰ হিচাপত)

অৰ্থোপায় অগ্ৰিম—৮৮·০০

ভেল (Bhel)—৩·৫০

এন, এইচ, পি, চি—৪·০২

নিপকো (Neepco)—২৩·২৬

আৰ, ই, চি—০·৪৯

এম এইচ, এ—২·৩৪

আৰক্ষী নিয়োজন—১০·৪৮

ৰেলৱে—২·৮৪,

বিত্ত মন্ত্ৰালয়—৩৮০·১২

মুঠ—৫১৫·০০

*শ্ৰীহিতেশ ডেকা : মাননীয় অধ্যক্ষ মহোদয় মাননীয় বিত্তমন্ত্ৰী মহোদয়ে পৰিকল্পনাৰ ধন অপৰিকল্পনালৈ স্থানান্তৰ কৰা বুলি স্বীকাৰ কৰিছে। গতিকে আমাৰ প্ৰশ্ন হৈছে এই পৰিকল্পনাৰ ধন অপৰিকল্পনালৈ স্থানান্তৰ কৰাটো অপৰাধ হিচাবে গণ্য কৰা হয়নে নহয়? (খ) প্ৰশ্নৰ উত্তৰত ১৯৯২-৯৩ চনত কিমান টকা আজিৰ তাৰিখ পৰ্যান্ত পৰিকল্পনা শিতানৰ পৰা অপৰিকল্পনা শিতানলৈ নিলে আৰু কোন কোন বিভাগত নিলে মন্ত্ৰী মহোদয়ে জনাবনে?

*শ্ৰীজীৰকান্ত গগৈ (বিত্ত মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পৰিকল্পনাৰ ধন অপৰিকল্পনালৈ নিয়াটো দোষণীয় নহয়। ভাৰত চৰকাৰে শতকৰা ৩০ ভাগ ধন পৰিকল্পনা শিতানৰ পৰা অপৰিকল্পনা শিতানলৈ নিয়াৰ অনুমতি দিয়া আছে। কিন্তু কোন কোন বিভাগত কোন কোন শিতানত কিমান টকা স্থানান্তৰিত কৰা হৈছে সেইটো বিত্তীয় বছৰটো শেষ হোৱাৰ পাছত হ'ব। ৩১ মাৰ্চ'ৰ আগতে

* Speech not corrected.

হয়তো আমি টকা পাম আৰু পৰিশোধ কৰিব পাৰিম সেয়ে হিচাপটো এতিয়াই দিব নোৱাৰিম।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, শতকৰা ৩০ ভাগ ধন পৰিকল্পনা শিতানৰ পৰা অপৰিকল্পনা শিতানলৈ নিব পাৰি বুলি মন্ত্ৰী মহোদয়ে কৈছে গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এতিয়ালৈকে কিমান ভাগ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা হৈছে জনাবনে?

*শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই হিচাপটো ৩১ মাৰ্চৰ পিছতহে দিব পৰা যাব। ১৯৯২-৯৩ চনত ভাৰত চৰকাৰে পৰিকল্পনাৰ শিতানত আমাক ৬৮৭ কোটি টকা দিছিল তাৰে ৫১৫ কোটি টকা আগৰ ধাৰত কাটি ৰাখিছে। গতিকে আমি পাইছো ১৭২ কোটি টকা। গতিকে আমি খৰচ কৰিব লগীয়া হ'লে পৰিকল্পনাৰ ধন অপৰিকল্পনাত আনিব লাগিব। এতিয়া কেন্দ্ৰীয় চৰকাৰে আমাক ২৪৪ কোটি টকা দিম বুলি কৈছে। লোকসভাত এপ্ৰোপ্ৰিয়েচন বিল পাছ হ'লেই আমি পাম। এই টকাখিনি পালে আমি কিছু এড্জাষ্ট কৰিব পাৰিম। গতিকে আচল হিচাপটো ৩১ মাৰ্চৰ পিছতহে ওলাব।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : আজি মাৰ্চ মাহৰ ১৭ তাৰিখ। গতিকে আজিৰ তাৰিখ পৰ্য্যন্ত কিমান টকা স্থানান্তৰ কৰা হ'ল সেইটো কিয় দিব নোৱাৰিব?

*শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী) : বিত্তীয় বছৰটো শেষ হোৱাৰ পাছতহে তেনে হিচাপ দিব পৰা যাব। মাহে মাহে হিচাপ কৰা নহয়।

*শ্ৰীগিয়াচুদ্দিন আহমেদ : এই পৰিকল্পনাৰ ধন অপৰিকল্পনালৈ স্থানান্তৰ কৰাৰ ফলত কিমান পৰিকল্পনাৰ কাম ব্যাহত হৈছে তাৰ হিচাপ দিব পাৰিবনে?

*শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী) : সেই হিচাপ কৰা নাই।

মাননীয় অধ্যক্ষ : এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং ২২, মাননীয় ডাঃ কমলা কলিতা।

বিষয় : ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ।

ডাঃ কমলা কলিতাই সুধিছে :

★২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ছয়গাওঁ চহৰৰ মাজেৰে যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথছোৱা বিভাগৰ নিৰ্দিষ্ট জোখ মাখ মতে বহল আছেনে?

---

*Speech not corrected.

(খ) যদি আছে, তেন্তে ইয়াৰ বহল কিমান ?

(গ) যদি নাই, কিয় নাই ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) এই পথছোৱা বজাৰৰ মাজেৰে যোৱাত আৰু ৰাছ, ট্ৰাক আদি বিভিন্ন গাড়ীয়ে সঘনাই ব্যৱহাৰ কৰাৰ ফলত পথৰ কাষ দুটা কিছু ক্ষতিগ্ৰস্ত হোৱাত ইয়াৰ প্ৰস্থ কম হৈ গৈছে।

★ডা: কমলা কলিতা : অধ্যক্ষ মহোদয়, উক্ত পথটোৰ কাৰণে কিমান টকা মঞ্জুৰ কৰা হৈছিল আৰু কিমান টকা ঠিকাদাৰক দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

*শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) : এই ৰাস্তাটো উক্ত ঠাই ডোখৰত যথেষ্ঠ ওখ আৰু ৰাস্তাৰ পৰা নামি যোৱা এপ্ৰোচ বেছি হোৱা কাৰণে ৰাস্তাবিলাক খহি গৈছে আৰু ছয়গাওঁ অঞ্চলত ৰাস্তাটোৰ বহল কমি গৈছে। বিত্তীয় অৱস্থা ভাল হলে ৰাস্তাটো পুনৰ বহল কৰাৰ কাম আৰম্ভ কৰা হব।

★ডা: কমলা কলিতা : চাৰ, মোৰ প্ৰশ্নটো আছিল সীতাৰ স্বামী কোন আছিল কিন্তু উত্তৰটো দিলে দুৰ্যোধনৰ বিষয়ে। মোৰ প্ৰশ্নটো হৈছে কিমান টকা মঞ্জুৰী আছিল আৰু ঠিকাদাৰক কিমান টকা দিয়া হ'ল ?

★শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) : ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব, তথ্য পিচত দিব পাৰিম।

★ডা: কমলা কলিতা : মোৰ প্ৰশ্নটো হৈছে ৰাস্তাটো আদিতে যিমান বহল হব লাগিছিল সিমান বহল কৰা নাই কিন্তু ইতিমধ্যে ঠিকাদাৰে টকা লৈ গৈছে। সম্প্ৰতি এই ৰাস্তাচোৱাত জনসাধৰণ বিপদগ্ৰস্থ হৈছে। সেই কাৰণে মই জানিব বিচাৰিছো ঠিকাদাৰক কিমান টকা আদায় দিয়া হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই গোটেই বিষয়টো তদন্ত কৰি বিহীত ব্যৱস্থা লবনে ?

★শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) : মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটো চাইচিতি পিছত জনোৱা হব।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : এই ৩৭ নং ঘাই পথটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাজেদি গৈছে যাৰ কাৰণে ল'ৰা-ছোৱালী বিলাকৰ পঢ়া-শুনাত অসুবিধা হৈছে।

মাননীয় অধ্যক্ষ : এইটো বেলেগ প্ৰশ্ন। এতিয়া তৰাচিহ্নিত প্ৰশ্ন নং ২৩, মাননীয় সদস্য শ্ৰীসুৰেন স্বৰ্গীয়াৰী।

---

* Speech not corrected.

## বিষয় ঃ কালদিয়া নদীৰ দলং।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী য়ে সুধিছে :

*২৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটা গড়কাপ্তানী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযান্তাৰ ( পথ ) অধীনত অঞ্চলী বাটাবাৰী ৰাস্তাৰ কালদিয়া নদীৰ দলংখন ( গধূলীগাওঁ বৰুৱাঘাট ) সম্পূৰ্ণভাৱে ধ্বংস হোৱাটো চৰকাৰৰ অৱগত নে ?

(খ) যদিহে অৱগত দলংখনৰ পুণৰ নিৰ্ম্মাণ কৰোতে অনুমানিক কিমান টকাৰ প্ৰয়োজন হ'ব ?

(গ) বৰ্ত্তমানৰ বিত্তীয় বছৰতে উক্ত দলং খনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ বৰকটকী, ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) পুনৰ নিৰ্ম্মাণত প্ৰায় ছয়লাখ টকাৰ প্ৰয়োজন হব।

(গ) বিত্তীয় নাটনিৰ হেতু এই বিত্তীয় বছৰতে মেৰামতিৰ কাম সম্পূৰ্ণ কৰিব পৰা নাযাব।

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰীৰ উত্তৰটো শুনি বৰ দুখ পালো। তেখেতে বিত্ত নাটনিৰ হেতু কামটো সম্পুৰ্ণ কৰিব পৰা নাযাব বুলি কৈছে সেইটো মই মানি লৈছো। কিন্তু মোৰ কথাটো এই ৰাস্তাৰ দলং নোহোৱাৰ ফলত মোৰ বিৰাট অসুবিধা হৈছে। দলঙৰ অভাৱত ৰাস্তা সম্পূৰ্ণ বন্ধ হৈ আছে। এইটো সঁচা কথা যে মই সেইফালেই অহা যোৱা কৰো। তেতিয়া তাত মই চাইকেল কান্ধত তুলি লৈ আহিব লগা হয়। চাইকেল কান্ধত তুলি পাৰ হৈ আহোতে মানুহে হাঁহে যে— এম, এল, এ হৈ দলং বনাব নোৱাৰি চাইকেল কান্ধত তুলি পাৰ হৈছে। তেতিয়া মোৰ বৰ লাজ লাগে। অধ্যক্ষ মহোদয় এতিয়া আপুনি কওক— এই অৱস্থাটো আপুনি সহ্য কৰিব পাৰিবনে ? মই ভাবো মন্ত্ৰী মহোদয়েও এইটো সহ্য কৰিব নোৱাৰিব। গতিকে ১৯৯২-৯৩ চনত

---

★Speech not corrected.

এইটো সম্পূর্ণ নহব মানি লৈছো, কিন্তু ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰটোত সম্পূর্ণ কৰিব পাৰিব নে নোৱাৰে তেখেতে আমাক এই সদনত কব লাগে।

*শ্রীশৰৎ বৰকটকী ( মন্ত্রী ) : অধ্যক্ষ মহোদয়, অঞ্চলী বাতাবাৰী ৰাস্তাৰ কালদিয়া নদীৰ দলংখন বৰ প্রয়োজন। এই দলংখন বান পানীয়ে তিনিবাৰ উটুৱাই নিয়ে। এই দলংখন উটুৱাই নিব নোৱাৰাৰ আঁচনি যুগত কৰাৰ ব্যৱস্থা কৰা হৈছে— তাৰ বাবে আনুমানিক ৬ লাখ টকাৰ প্রয়োজন হব। যদি উপযুক্ত পূজি যোগান ধৰিব পৰা যায় তেতিয়া হলে ১৯৯৩-৯৪ চনত পুনৰ নির্ম্মাণৰ কাম হাতত লব পৰা যাব।

★শ্রীসুৰেন স্বৰ্গীয়াৰী : আপুনি দলংখন বনাই দিম বুলি কওঁক।

*শ্রীশৰৎ বৰকটকী ( মন্ত্রী ) : আপত্তি নাই, উপযুক্ত পুজি পালে কাম কৰিব পৰা যাব।

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্রশ্ন নং ২৪, শ্রীযতীন মালী।

## বিষয় : পলাশবাৰী সমষ্টিৰ কাঠৰ দলং।

শ্রীযতীন মালী, য়ে সুধিছে :

★২৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত সাতপসানী গড়কাপ্তানী পথৰ কাঠৰ দলং দুখন মেৰামতিৰ অভাৱত ভাঙি যোৱাটো সঁচানে ?

(খ) তাত থকা দীঘল কাঠৰ দলং খনৰ এটা মুৰ বহি যোৱাটো আৰু কাঠৰ ৰেলিংবোৰ খহি-জহি যোৱাটো সঁচানে ?

(গ) যদি সঁচা এনে পৰ্য্যায় পৰ্যন্ত দলং দুখন মেৰামতি নকৰাৰ কাৰণ জনাবনে ?

(ঘ) চলিত মাহতে উক্ত দলং খনৰ মেৰামতি কৰাৰ দিহা কৰিবনে ?

শ্রীশৰৎ বৰকটকী, ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) সাতপখালী ( সাতপসানী নহয় ) গড়কাপ্তানী পথৰ দলঙ দুখনৰ ভাঙোন ধৰাটো সঁচা।

(খ) সঁচা।

---

★Speech not corrected.

(গ) আৱশ্যকীয় পুঁজিৰ অভাৱত উক্ত দলং দুখনৰ মেৰামতিৰ কাম হাতত লব পৰা হোৱা নই।

(ঘ) বিত্তীয় অনুমোদন সাপেক্ষে চলিত মাহতে মেৰামতিৰ কাম হাতত লব পৰা হব।

★শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, মোৰ এটা অভিযোগ আছে। এই সদনত উত্থাপন কৰিব লগীয়া মোৰ কেইবাটাও প্ৰশ্ন আছিল— কিন্তু প্ৰশ্নোত্তৰ নিয়মিতভাবে নহাৰ কাৰণে মই উত্তৰ নাপালো। মোৰ ৫ টা প্ৰশ্ন ২ টা ৰাখি ৩ টা কাটি দিছে।

(হুলস্থুল)

মাননীয় অধ্যক্ষ : আপোনালোক দুজনে কলে মই কোনটো শুনিম। মই একো শুনা নাই।

(হুলস্থুল চলি থাকে)

I will enquire into everything.

আপুনি বহক, মই এই বিষয়ে অনুসন্ধান কৰিম।

★শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ। আমি দিয়া প্ৰশ্নৰ উত্তৰ সমূহ কিয় ঠিক মতে অহা নাই? এতিয়া মাননীয় সদস্য শ্ৰীমালী ডাঙৰীয়াই দিয়া প্ৰশ্নৰ উত্তৰটো কিয় পোৱা নাই? যোৱা কালিও ৩১ নং ৰাষ্ট্ৰীয় পথৰ বিষয়ে মই যিটো প্ৰশ্ন উত্থাপন কৰিছিলো তাৰো উত্তৰ দিয়া নাই।

(হুলস্থুল)

মাননীয় অধ্যক্ষ : আপোনাৰ প্ৰশ্নৰ উত্তৰ আহিব, আপুনি বহক।

★শ্ৰীযতীন মালী : মই বিচৰা প্ৰশ্নৰ উত্তৰ কিয় নাপাওঁ। ঠিক মতে উত্তৰ নোপোৱাৰ প্ৰতিবাদত মই পৰিপূৰক প্ৰশ্ন কৰিবলৈ এৰিলো।

মাননীয় অধ্যক্ষ : তৰা চিহ্নিত প্ৰশ্ন নং ২৫, শ্ৰীভৰত চন্দ্ৰ নৰহ

## বিষয় : আমানতৰ জমা টকা

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

*২৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ঘিলামাৰা গড়কাপ্তানী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাই মুঠ কিমান

---

*Speech not corrected.

চেক (Cheque) ১০% আমানতৰ জমা হোৱা (10% Security Deposit) বুলি মুকলি কৰি দিছে (চলিত বিত্তীয় বছৰটোত)?

(খ) উক্ত চেকবোৰৰ মুঠ টকাৰ পৰিমাণ কিমান?

(গ) চেকবোৰৰ (Cheque) নম্বৰবোৰ কি?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ঘিলামৰা পথ সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাই চলিত বিত্তীয় বছৰটোত (১৯৯২-৯৩) মুঠতে ২০৪ (দুই শ চাৰি) খন ১০% আমানত জমা থোৱা ধনৰ বাবদ চেক্ মুকলি কৰি দিছে।

(খ) উক্ত চেক্‌বোৰৰ মুঠ টকাৰ পৰিমাণ ১১,৬০,৬০৫ (এঘাৰ লাখ ষাঠি হাজাৰ ছয় শ পাঁচ টকা) মাত্ৰ।

(গ) চেক্‌বোৰৰ নম্বৰৰ তালিকা ইয়াৰ লগত গাঠি দিয়া হ'ল।

(See the Annexure—1)

*শ্ৰীভৰত চন্দ্ৰ নৰহ: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত কৈছে যে ২০৪ খন চেক্ মুকলি কৰি দিয়া হৈছে। এইটো উত্তৰ মন্ত্ৰী মহোদয়ে কিহৰ ওপৰত বেচ কৰি দিছে? কেচ বুকৰ ওপৰত বেচ কৰি দিছে নিশ্চয়। কেৱল কেচ বুকৰ ওপৰত বেচ কৰি এইটো উত্তৰ দিলে আচল কথাটো নোলাব। ট্ৰেজাৰীত জমা দিয়া; ষ্টেট বেংকত জমা দিয়া এইটো ৰেকৰ্ডও চাব লাগিব। কেচ বুকত চেক্‌বোৰ কোন বিভাগৰ আই, টি, ডি, পিৰ নে এম, এন, পিৰ নে উল্লেখ নাই। কিছুমান চেকৰ পিছফালে শতকৰা ১০ ভাগ চিকিউৰিটি ডিপ'জিটৰ বাবদ মুকলি কৰা বুলি উল্লেখ আছে। আগতে এই চেক্‌বোৰ ডাইৰেক্টলি এচ, বি, আইত জমা দিয়া হৈছিল কিন্তু কিছুদিনৰ পৰা এই চেক্‌বোৰ ট্ৰেজাৰীৰ যোগেদি বেংকলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। এতিয়া ডাইৰেক্টলি আৰু ট্ৰেজাৰীৰ যোগেদি পঠোৱা চেকৰ পিঠি ফালে শতকৰা ১০ ভাগ চিকিউৰিটি ডিপ'জিটৰ কথা লিখিত থাকে। মন্ত্ৰীয়ে কিহৰ ওপৰত ভিত্তি কৰি উত্তৰটো দিছে জনাবনে?

*শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী, গড়কাপ্তানী বিভাগ): অধ্যক্ষ মহোদয়, ৰাজ্যৰ আৰ্থিক অৱস্থা টনকীয়াল নোহোৱাৰ বাবে অসম চৰকাৰৰ বিত্ত বিভাগে সকলো

* Speech not corrected.

প্ৰকাৰৰ দেহকৰ, ঠিকাদাৰৰ ১০ শতাংশ আমানতৰ ধন মুকলি কৰা সহকাৰে পৰিশোধ কৰাৰ ওপৰত যোৱা ১৭-৬-৯২ তাৰিখে তেওঁলোকৰ বেটাৰ বাৰ্ত্তা নং বি, ডব্লিউ ২৪/৮৭/ পাৰ্ট-১৬ তাং ১৭-৬-৯২ জৰিয়তে বাধা আৰোপ কৰিছিল আৰু এই আদেশ সাময়িক ভাৱে তেওঁলোকৰ বেটাৰ বাৰ্ত্তাৰ নং বি-বি-৫০/৯২/২১ তাং ২৮-৯-৯২ জৰিয়তে উঠাই লোৱা হৈছিল।

ঠিকাদাৰৰ ১০ শতাংশ আমানতৰ ধন মুকলি কৰি দিহলৈ ঘিলামৰা পথ সংমণ্ডলক মাহিলী হিচাবত কোনো বৰ্ত্তৃত্ব অথবা পুঁজিৰ আবণ্টন দিয়া হোৱা নাছিল। অৱশ্যে বিত্ত বিভাগৰ চিঠিৰ নং বি. ডব্লিউ ৮/৯১/ পাৰ্ট-১০ তাং ২৯-৯-৯২ জৰিয়তে মুঠ ২৭.৬৩ লাখ 'ৱৰ্ক ডিপ'জিট'ৰ টকা সংশ্লিষ্ট ঠিকাদাৰক পৰিশোধ কৰাৰ বাবে কৰ্ত্তৃত্ব দিয়া হৈছিল।

*শ্ৰীভৰত চন্দ্ৰ নৰহ; অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰটো স্পষ্ট হোৱা নাই। বিভাগৰ কেচ বুকত চেক্ এন্ট্ৰি কৰোতে এম, এন, পি, আই, টি, ডি, পি, একো উল্লেখ নাই। এতিয়া মন্ত্ৰী মহোদয়ে ২০৪ খন চেকত চিকিউৰিটি ডিপ'জিটৰ কথা উল্লখ কৰিছে। কিন্তু ধেমাজী ট্ৰেজাৰীত চেক্ কৰিলে আৰু এনে ৩০০ খন চেক্ ওলাব। মই জনাত ধেমাজীৰ যিজন ট্ৰেজাৰী অফিচাৰ তেওঁ ঘিলামৰাৰ কাৰ্য্যবাহী অভিযন্তা জনৰ দদায়েকৰ পুতেক মিঃ দ'লে। আগতে চেক্ ট্ৰেজাৰী অফিচাৰৰ যোগে জমা দিয়া হোৱা নাছিল, ডাইৰেক্ট বেংকত দিয়া হৈছিল। এতিয়া ট্ৰেজাৰীয়ে চেক্‌বোৰ চেক কৰিব লাগে। এই বিষয়টো ট্ৰেজাৰী অফিচাৰ আৰু এচ, বি, আই দুয়োটাতে চাব লাগিব। তেহে আচল কথা ওলাব।

★শ্ৰীশৰৎ বৰকটকী, (মন্ত্ৰী, গড়কাপ্তানী বিভাগ): অধ্যক্ষ মহোদয়, এই হিচাবটো কেচ বুকৰ পৰা অনা হৈছে। বিষয়টো ট্ৰেজাৰীত অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই কাৰ্য্যবাহী অভিযন্তাজন (ঘিলামৰাৰ) ক ৰাইজৰ অভিযোগৰ কাৰণে ঘিলামৰা ডিভিজনৰ পৰা বদলি কৰা হৈছিল, কিন্তু পিচত দেখা গ'ল যে তেওঁৰ বদলিৰ অৰ্ডাৰ মাৰ্চলৈকে স্টে কৰা হৈছে, কথাটো সঁচানে?

*শ্ৰীশৰৎ বৰকটকী, (মন্ত্ৰী, গড়কাপ্তানী বিভাগ): অধ্যক্ষ মহোদয়, হাই কৰ্টৰঅৰ্ডাৰ মতে স্টে কৰা হৈছে।

* Speech not corrected.

*শ্ৰীদিলীপ কুমাৰ শইকীয় : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে বৰ্তমান এই বিষয়াজন ক'ত আছে আৰু কি কৰিছে ?

Shri Golok Rajbongshi ( Minister ) : Sir, may I intervene. There is a news that he has been kidnapped.

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, তেখেতক যদি কিডনেপ কৰা হৈছে তেন্তে বিচাৰি উলিয়াবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ? তেওঁৰ পৰা বোলে ১০ লাখ টকা বিচাৰিছে অপহৰণকাৰী সকলে । এইটো ইয়াৰ লগত ৰিলেটেড প্ৰশ্ন । ইয়াত মাননীয় মুখ্যমন্ত্ৰীও আছে, বিষয়াজন ক'ত আছে জনাব লাগে ?

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বিষয়াজন কিডনেপৰ ৰিপোৰ্ট আমি পাইছো আৰু তেখেতক বিচৰা হৈছে ।

Mr. Speaker : Now Starred Question No. 26, Shri Khiren Borgoyary.

**Re : Development of Assam-Bhutan Border Areas.**

Shri Khiren Borgoyary asked :

*26 Will the Minister of Border Areas be pleased to State ;

(a) The steps taken for development of Assam-Bhutan Border Areas of the State within Kokrajhar District at Saralpara, Dudgeri and Malibhita ?

(b) Whether welfare Schemes like establishent of Dispensaries, Schools, Post Offices. Electrification, Construction of roads in the above said border areas will be taken up during the next financial year ?

Shri Jagat Patgiri ( Minister, Border Areas ) replied :

(a) Steps for development taken consists in construction of Medical Sub-centre at Saralpara in 1990-91, Construction of saralpara L. P. school in 1991-92 and Construction of Bishmuri-saralpara-Sorbhog road during the current year.

---

* Speech not corrected.

(b) Development schemes will be considered during the next financial year subject to availability of fund.

Mr. Speaker : Starred Question No. 27, Shri Samarendra Nath Sen.

**Re : Installation of Hand pumps.**

Shri Samarendra Nath Sen, asked :

*27. Will the Minister of Public Health Engineering be pleased to state :

(a) How many M-II hand pumps are installed in Rural areas of Cachar District during 1990-91 and 1991-92

(b) The cost of installation of each pump ?

(c) Whether all the pumps so installed are working ?

(d) If not, the reasons thereof ?

Shri Dinesh Prasad Goala, ( Minister, Public Health Engineering ) replied :

(a) 124 and 115 nos. of M-11 Hand Pumps were installed in 1990-91 and 1991-92 respectively.

(b) Approximate average cost is Rs. 24'000/- each.

(c) Only 14 nos. are not working.

(d) Chokage of strainers and other mechanical defects are suspected to be the cause of failure of these 14 nos. of M-II deep tube wells.

★Shri Samarendra Nath Sen : Sir, the Honourable Minister replied that only 14 Nos. of pump sets are not working but in Berenga, Bethukandi and Boaljur under Silchar Constituency atleast 20 Nos. of pumps are not working since 1991. Whether the Honourable Minister is aware of it ?

* Speech not corrected.

*Shri Dinesh Prasad Goala ( Minister, of PHE ) : Sir, I assure the House that necessary steps will be taken to repair these pumps.

*Shri Samarendra Nath Sen : Sir, the Honourable Minister replied that that the cost of installation of each pump was 24,000/- but as far as I know the boaring was not done as per specification and as a matter of fact, only rupees ten to twelve thousand was spent for each pump.

*Shri Dinesh Prasad Goala ( Minister, PHE ) : Sir, as complained by the Honourable Memeber necessary enquiry will be made and necessary steps taken.

*Shri Samarendra Nath Sen : Sir, how many days the Honourabe Minister will take for completion of the work because people are suffering in my Censtituency i.e. Silchar very badly.

*Shri Dinesh Prasad Goala ( Minister, PHE ) : Sir, steps have already been taken to repair them and necessary funds have also been allotted for completion of the works.

*শ্ৰীআব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, অত্যন্ত গুৰুত্বপূৰ্ণ কথা হ'ল যে এই মাৰ্ক টু টিউবওৱেল কেৱল যে কাচাৰ জিলাতেই অকেজু হৈ আছে তেনে নহয় গোটেই অসমতে এই মাৰ্ক টু টিউবওৱেল বিলাক অকেজু হৈ আছে। টিউবওৱেল দিয়াৰ কাৰণে পচিশ হাজাৰ পৰ্যন্ত খৰচ কৰাৰ পিচত মানুহে তাৰ পৰা উপকাৰ পাব পৰা নাই। এই কথাটো চিন্তা কৰি গোটেই অসমতে মাৰ্ক টু টিউবওৱেল বিলাক ঠিক কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা বিহিত ব্যৱস্থা লবনে ?

*শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ) : এই বিষয়ত ষ্টেপ লৈ আছো। ইয়াৰ কাৰণে বিহিত ব্যৱস্থা লোৱা হব।

* Speech not corrected.

মাননীয় অধ্যক্ষ : তৰা চিহ্নিত প্ৰশ্ন নং ২৮, শ্ৰীপানী ৰাম ৰাভা

## বিষয় : ভূটান সীমান্ত এলেকাৰ পথ

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

* ২৮। মাননীয় সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

বৰমা সমষ্টিৰ উত্তৰ কুছিৰ পৰা নিকাচিলৈ (Nikashi) প্ৰায় ১২ কিঃ মিঃ ভূটান সীমান্ত এলেকাত অৱস্থিত। উক্ত এলেকাত পথ নিৰ্মাণৰ বাবে ব্যৱস্থা অতি সোনকালে ল'বনে ?

শ্ৰীজগৎ পাটগিৰী ( সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব !

শ্ৰীপানীৰাম ৰাভা : অধ্যক্ষ মহোদয়, আন্ত ৰাষ্ট্ৰীয় সীমান্ত এটা পৰীক্ষা কৰি চোৱা হ'ব বুলি মন্ত্ৰী মহোদয়ে উত্তৰ দিতে কিন্তু কি পৰীক্ষা কৰি চোৱা হ'ব আমি বুজা নাই। সীমান্ত ৰাস্তাৰ কাৰণে কি কৰিব বিচাৰিছে জনাব লাগে।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : সিফালে বাংলাদেশৰ লোক আহিব পাৰে নেকি তাকে পৰীক্ষা কৰিছে নেকি পৰিক্ষা কৰি ক'ব লাগে। নে বাংলাদেশী সিফালে আছে নেকি পৰীক্ষা কৰি চাব সেইটো জনাব লাগে।

*শ্ৰীজগৎ পাটগিৰি ( সিমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ উত্তৰে ভূটান সীমান্তৰ লগত সংলগ্ন নিকাচী, সুবনখাটা, উত্তৰকুছি আদি অঞ্চল সমূহৰ উন্নতিৰ বাবে গড়কাপ্তানী আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ জৰিয়তে বাট-পথ নতুনকৈ নিৰ্মাণ বা পুৰণি পথৰ উন্নতিৰ ব্যৱস্থা কৰি থকা হৈছে। উত্তৰ কুছিৰ পৰা নিকাচীলৈ পথ নিৰ্মাণৰ ব্যৱস্থা সীমান্ত উন্নয়ণ আঁচনিৰ পৰা কৰাৰ কোনো প্ৰস্তাৱ ল'ব পৰা নাযায়। এই বিভাগৰ পৰিকল্পনাৰ আঁচনিৰ ধন নিচেই কম হোৱাৰ বাবে সকলো অঞ্চলতে পথ নিৰ্মাণ কৰাটো সম্ভৱ নহয়। বৰ্তমানলৈ এই বিভাগে কেৱল আন্তঃৰাজ্যিক সীমান্তৰ পথ নিৰ্মাণৰ কাম গড়কাপ্তানী বিভাগৰ জৰিয়তে কৰি আছে। ভৱিষ্যতে এই বিভাগে পৰিকল্পনা আঁচনিৰ পৰা বৰ্দ্ধিত হাৰত ধনৰ আবণ্টন পালে আন্তৰ্জাতিক সীমান্তটো পথ নিৰ্মাণৰ প্ৰস্তাৱ বিবেচনা কৰা হ'ব।

* Speech not corrected.

শ্ৰীপানীৰাম ৰাভা : আন্তঃৰাজ্যিক সীমান্ত উন্নয়নৰ কাৰণে কিয় কৰিব নোৱাৰে আৰু আন্ত-ৰাষ্ট্ৰীয় সীমান্তৰ কাৰণে, নলবাৰী জিলাৰ কাৰণে সীমান্ত উন্নয়নৰ টকা কিয় থবিব নোৱাৰে ?

*শ্ৰীজগৎ পাটগিৰি ( সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী ) : বিবেচনা কৰি চোৱা হ'ব ।

★শ্ৰীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, ইস্তাহাৰত দহ কিলোমিটাৰ সীমান্ত ৰাস্তা লোৱাৰ কথা আছিল যদিও সীমান্ত এলেকাৰ কাম-কাজ এই বিভাগৰ ত্বৰকৰ পৰা নকৰাৰ ফলত যাতায়ত বাধাগ্ৰস্ত হৈ আছে । এই বিভাগে তেনে কাম নকৰাৰ ফলত দপ্তৰটোৰ কাম-কাজৰ মূল্যায়ণ কেনেভাবে কৰা হ'ব সেইটো চিন্তনীয় হৈছে । আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ হাইস্কুল আদিও হায়াৰ চেকেণ্ডাৰী কৰাৰ কথা চিন্তা কৰিছিল তেনে ক্ষেত্ৰত আন্তৰাজ্যিক আৰু আন্ত-ৰাষ্ট্ৰীয় সীমান্তৰ ৰাস্তাঘাটৰ কাম কৰাৰ কথা চিন্তা কৰিবনে মন্ত্ৰী মহোদয়ে জনাব লাগে ।

*শ্ৰীজগৎ পাটগিৰি ( সিমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী ) : বেলেগে প্ৰশ্ন কৰিব লাগিব ।

শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মাননীয় সদস্য পানীৰাম ৰাভাৰ কথাটো হাঁহি-ধেমালিৰে উৰাই দিয়া বিধৰ নহয় । বাতৰি কাকতত্তো এইবিলাক খবৰ ওলাই আছে যে ভূটানৰ আৰু অসম সীমান্তত বি-এচ-এফৰ তিনি হাজাৰ লোকক প্ৰশিক্ষণ দিয়া হৈছে । মাৰাত্মক অস্ত্ৰ-শস্ত্ৰৰ দ্বাৰা প্ৰশিক্ষণ দিয়াৰ পৰা ভৱিষ্যতে গুৰুত্বপূৰ্ণ অৱস্থাৰ সৃষ্টি হ'ব পাৰে তেনে অৱস্থাতো সীমান্ত এলেকাৰ ৰাস্তা-ঘাটৰ কাৰনে ধন কিয় এলট কৰা হোৱা নাই ভাবিবলগীয়া হৈছে ।

মাননীয় অধ্যক্ষ : সেইটো প্ৰশ্ন ৰাস্তাৰহে । তেনে ক্ষেত্ৰত—

★শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, আপোনাৰ কথা মানি লৈছো । কিন্তু মই মাননীয় সদস্য শ্ৰীপানীৰাম ৰাভা ডাঙৰীয়াৰ প্ৰশ্নৰ স্পিৰিটটোহে কৈছো ।

Mr. Speaker : You are raising a very serious issue, no doubt. But it has a different way, not like this. A separate question has to be given for it. Now, we are not dealing with it.

---

* Speech not corrected.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই এটা পৰিপূৰক উত্থাপন কৰিম বুলি তিনিবাৰ থিয় হৈছো কিন্তু আপোনাক মানিছো কাৰণেই মোক প্ৰশ্নটো উত্থাপন কৰিবলৈকে সুযোগ দিয়া নাই চাৰ। কথাটো হ'ল ভূটান আৰু ভাৰতবৰ্ষৰ সীমান্ত সম্পৰ্ক মাননীয় সদস্য শ্ৰীপানীৰাম ৰাভা ডাঙৰীয়াই কৰা প্ৰশ্নটো গুৰুত্বপূৰ্ণ কিয়নো মইও নলবাৰীৰ মানুহ গতিকে কথাটো মইও জানো। আজি কথা হৈছে নলবাৰীৰ লগত তামোলপুৰৰ সংযোগ নাই বুলিয়েই কব পাৰি। তামোলপুৰত কোনো লোকৰ বেমাৰ হলে ৰোগী চিকিৎসা কৰিবলৈ নলবাৰীৰ পৰা ডাক্তৰ আহি ৰঙিয়াহৈ তামোলপুৰ পাব লাগিব আৰু ৰোগীক চিকিৎসা কৰিব লাগিব। তামোলপুৰলৈ পোনে পোনে ৰাস্তাঘাট নাই। এনে এটা অৱস্থাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে গাঁৱে গাঁৱে মহকুমা কৰি দিয়াৰ নিচিনা তামোলপুৰতো এটা মহকুমা কৰি দিলে অন্তত: ৰাস্তাঘাটৰ উন্নতি হব পাৰিব। সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ কি দিব কাৰ্য্যালয়ৰ পৰা বিষয়াই লিখি দিয়া কথা খিনিহে গাই দিব পাৰিব। গতিকে কথাটো চিৰিয়াচলি লৈ এই বিষয়ে কিবা এটা কৰিবলৈ ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং ২৯, শ্ৰীগহীন চন্দ্ৰ দাস।

## বিষয়—অসমৰ Forest Land.

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

*২৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত Forest land বৰ্ত্তমান কিমান আছে ?

(খ) Forest Land সমূহত সাধাৰণতে কি কি বা কেনেধৰণৰ Production হয়।

(গ) নগাওঁ জিলাৰ অন্তৰ্গত লুটুমাৰী Forest খন বৰ্তমান কি অৱস্থাত আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মুঠ ৩০৭০৭·৫৭ বৰ্গ কি: মি: বনভূমি আছে।

(খ) বনভূমিত দুই প্ৰকাৰৰ বনজ সম্পদ যেনে— মুখ্য বনজ সম্পদ আৰু ক্ষুদ্ৰ বনজ সম্পদ উৎপন্ন হয়। মুখ্য বনজ সম্পদৰ ভিতৰত সকলো ধৰণৰ কাঠ আৰু ক্ষুদ্ৰ বনজ সম্পদৰ ভিতৰত খৰি, খেৰ, বাহ, বেত,

* Speech not corrected.

বালি পাথৰ, বন্যজন্তু, চৰাই, চিৰিকতি, ঔষধী গুণ-সম্পন্ন গছ-গছনি আদি পৰে।

(গ) লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটি কালি ২০৪১.৬১ হেক্টৰৰ ভিতৰত ১৭৭.৩৯ হেক্টৰ টংগীয়া বনগাওঁৰ দখলত আৰু ২০১.০ হেক্টৰ মাটি বেদখলত আছে। বাকী খিনিত গছ-গছনি আছে।

☆শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমত কিমানখিনি বনভূমি আছে তাৰ এখন তালিকা দাঙি ধৰিছে। এতিয়া মোৰ প্ৰশ্ন হ'ল আমাৰ চৰকাৰৰ হাতত কাগজে কলমে যিমানখিনি বনভূমি আছে সেইখিনি প্ৰকৃততে বনবিভাগৰ দখলত আছে নে?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে অসমত মুঠ ৩০৭০৭.৫৭ বৰ্গ কিঃ মিঃ বনভূমি আছে। ইয়াৰে কিছু অঞ্চল আছে য'ত বহু বছৰ ধৰি মানুহে বেদখল কৰি আছে।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বনবিভাগৰ যিবিলাক মাটি বহু বছৰ ধৰি বেদখলত আছে সেইবোৰ আমাৰ চৰকাৰে নিজে নোৱাৰিলেও কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি হ'লেও ডিৰিজাৰ্ভ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈ সেই মাটিবিলাক ৰাইজৰ মাজত ভগাই দিয়াৰ ব্যৱস্থা কৰিব নেকি? লগতে কাজিৰঙাত যি বেদখল চলি আছে সেইবিলাক উচ্ছেদ কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, আপুনি নিশ্চয় জানে যে দৈয়াং, ধেমাজী, জোনাই আদি অঞ্চলত বনবিভাগৰ কিছুমান মাটিত কিছুমান মানুহে স্থায়ী ভাৱে বেদখল কৰি আছে। সেই বিলাক এতিয়া বনাঞ্চল হৈ থকা নাই। এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো আৰু সেই মাটিত স্থায়ীভাৱে থকা লোক সকলক দখল দিয়াৰ কাৰণে ব্যৱস্থা কৰি আছো।

*শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমত যিমানখিনি বনভূমি আছে তাৰ বাহিৰেও নতুনকৈ বনভূমি সৃষ্টি কৰাৰ কাৰণে চৰকাৰে কিবা চেষ্টা কৰিছে নেকি?

*Speech not corrected.

শ্ৰীহিতেশ্বৰ শইকীয়া : এই ক্ষেত্ৰত বিবেচনা কৰি থকা হৈছে।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয় দৰং জিলাৰ চাউলখোৱা চাপৰি.টা ভি, জি, আৰ, হিচাবে ৰখাৰ কাৰণে চৰকাৰে কিবা লৈছে নেকি ?

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব।

★শ্ৰীগহীন চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, যোৱা ১৯৮৯ চনৰ পৰা ১৯৯২ চনৰ ভিতৰত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ পৰা বহুতো অঞ্চল বনাঞ্চলৰ পৰা উঠাই দিয়া হৈছে। ইয়াৰ ফলত যি লাখ লাখ টকাৰ গছ-গছনি নাইকীয়া হ'ল সেইবিলাক কোনে পালে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সংৰক্ষিত এলেকাৰ ২০১ হেক্টৰ মাটি বেদখলত আছে। বাকী বিলাকত গছ-গছনি আছে। যদি তাৰ বাহিৰেও আৰু বনাঞ্চল উঠাই দিছে তেনেহ'লে সেইটো চোৱা হ'ব।

★শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে কৈছে যে যিবিলাক বনাঞ্চলত বহু বছৰ ধৰি মানুহে স্থায়ীভাৱে বসবাস কৰি আছে সেইখিনি ডিৰিজাৰ্ভ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নকৰাৰ কাৰণ কি ? সৰ্ব ভাৰতীয় ভিত্তিত যি ৩০ শতাংশ বনাঞ্চল থাকিব লাগে তাৰ কম হ'লে হয়তো এইটো নকৰিব। কিন্তু অসমৰ ক্ষেত্ৰত হয়তো নহ'ব। অসমৰ ৰাইজে যদি ক'ৰবাত মাটি দখল কৰিছে প্ৰকৃততে সেই মাটি বনাঞ্চল নহয়। সেই কাৰণে আমি প্ৰয়োজন হ'লে অসম বিধান সভাত এটা প্ৰস্তাৱ ল'ব লাগে যে যিখিনি বনাঞ্চল সৰ্ব ভাৰতীয় পাৰচেণ্টেজতকৈ বেছি আছে সেইখিনি ডিৰিজাৰ্ভ কৰি ৰাইজৰ মাজত ভগাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইটো কৰিবলৈ চৰকাৰ মান্তি হ'ব নে নহয় ?

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমাৰ অসমত এতিয়া বনাঞ্চল ৩৯.১১ শতাংশ। সেই কালৰ পৰা আমি অল ইণ্ডিয়া নৰ্মচ্ ফুল-ফিল কৰিছো। দৈয়াং বনাঞ্চলত ১৯৪৬ চনৰে পৰা বেদখল চলি আছে। ধেমাজী আৰু জোনাইতো বেদখল চলি আছে। এই বিলাক ডিৰিজাৰ্ভ কৰিবলৈ আমি কেন্দ্ৰীয় চৰকাৰক কৈছো। যি বিলাক ঠাই সম্পূৰ্ণৰূপে বেদখল হৈ গৈছে আৰু য'ত বহু বছৰ ধৰি মানুহে বসবাস কৰি আছে সেইবিলাক ঠাই ডিৰিজাৰ্ভ কৰাত আমাৰ কোনো আপত্তি নাই। কিন্তু নতুনকৈ আৰু বেদখল কৰিব দিব নালাগে।

---

* Speech not corrected.

★আব্দুল জলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে নগাওঁ জিলাৰ যমুনা মৌ ডাঙ্গা অঞ্চলৰ বৰ্ত্তমান বনাঞ্চলখিনি পূৰ্বতে পট্টাৰ মাটি আছিল। ১৯৫৫ চনত বন বিভাগে বনাঞ্চলৰ সীমা পোন কৰাৰ কাৰণে তাৰ কিছু মাটি বন বিভাগে লৈ গ'ল। সেই সময়ত তাত বসবাস কৰি থকা লোক সকলক বন বিভাগে আশ্বাস দিছিল যে সেই ঠাইখিনি বন গাওঁ হিচাবে ধৰা হব। কিন্তু তেতিয়াৰ পৰা এই মাটিখিনি বনগাওঁ হিচাবে ঘোষণা কৰা হোৱা নাই আৰু ১৯৫৫ চনৰে পৰাই এই ক্ষেত্ৰত এটা কেচ চলি আছে। তাত বসবাস কৰা লোক সকলক বনগাওঁ হিচাবে আজিলৈকে বসবাস কৰিবলৈ দিয়া হোৱা নাই আৰু মাজে মাজে তেওঁলোকক তাৰ পৰা উচ্ছেদ কৰা হৈছে। সেই লোক সকলৰ দুখ-দুৰ্গতি কুলাই পাচিয়ে নধৰা হৈছে। এই ক্ষেত্ৰত বিশেষ তদন্ত কৰি তেওঁলোকক বনগাওঁ হিচাবে ধৰাৰ যি প্ৰতিশ্ৰুতি দিছিল তেনেকৈ ধৰাত বিভাগীয় ব্যৱস্থা লবনে ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত বিভাগীয় প্ৰতিশ্ৰুতি থাকিলে সেইটো চোৱা হব।

Mr. Speaker : Starred Question No. 30, Shri Kali Ranjan Deb.

**Re : Horitikior-Sadirkhal P.W.D. Road.**

Sri Kali Ranjan Deb asked :

*30. Will the Minister P.W.D. be pleased to state :

(a) Whether Government will take immediate step for through repair of Horitikior-Sadirkhal P.W.D. Road under Katigora Constituancy which is lying in a dilapidated condition since last few years ?

(b) Whether Government is aware that this road is running almost parallel to the Indo-Bangladesh International Border and it is an important road from stratigic point of veiw ?

(c) Whether Government will give priority for reconstruction/repairing of the said road alongwith construction of Bridge over river Kinnakhal ?

* Speech not corrected.

Sri Sarat Borkotoky ( Minister of State P.W.D ( plain ) ) replied :

(a) Yes, subject to availability of fund.

(b) Yes,.

(c) Yes, subject to availability of fund.

* Shri Kali Ranjan Deb : Sir, I want to know from the Minister, whether Government is aware that very recently on this road due to the collapse of bamboo bridge one girl died while crossing over ; It is not due the negligence of the Department for not taking timely action etc, ?

* শ্ৰীশৰৎ বৰকটকী ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই খবৰৰ বিষয়ে নাজানো মাননীয় সদস্য গৰাকীয়ে যদি জানিছে আমাক জনালে ব্যৱস্থা লম।

* Shri Kali Ranjan Deb : If the incident of death is found to be correct then who will be held responsible for it and who will make the compensation to the family ? This is a very important road and falls within 200 metres of Indo-Pak Border and therefore it should be taken up for improvement on a priority basis.

Shri Sarat Borkotoky ( Minister of States ) : We will consider and examine the matter.

মাননীয় অধ্যক্ষ : তৰাচিহ্নিত প্ৰশ্ন নং ৩১, শ্ৰীচন্দন কুমাৰ সৰকাৰ।

বিষয় : বিদেশী সুৰাৰ খুচুৰা বিক্ৰী।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

৩১ মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বঙাইগাওঁ জিলাত ও উত্তৰ শালমাৰা মহকুমাত নতুনকৈ মদৰ দোকানৰ পাৰমিট দিয়াৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

(খ) অসমত ১৯৯১-৯২ চনত কিমানখন নতুন মদৰ দোকানৰ পাৰমিট দিয়া হৈছে আৰু কোন কোন ঠাইত দিয়া হৈছে ?

* Speech not corrected.

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) লোৱা নাই ।

(খ) অসমত ১৯৯১-৯২ চনৰ ভিতৰত সৰ্বমুঠ ১৩ খন বিদেশী মদৰ খুচুৰা দোকান আৰু ১ (এক) খন বিয়েৰ বাৰ ( হোটেল ) লাইচেন্স দিয়া হৈছে । পাৰমিট দিয়া ঠাইবিলাকৰ নাম তলত দিয়া হ'ল :—

## বিদেশী মদৰ খুচুৰা দোকান :—

| জিলা | ঠাই | সংখ্যা |
|---|---|---|
| ১। লক্ষীমপুৰ | ১। বিহপুৰীয়া | ১ খন |
| ২। ধেমাজী | ১। ধেমাজী টাউন | ১ খন |
| ৩। ডিব্ৰুগড় | ১। নামৰূপ | ১ খন |
| | ২। ডুলীয়াজান | ১ খন |
| ৪। উত্তৰ কাছাৰ | ১। হাফলং | ১ খন |
| ৫। তিনিচুকীয়া | ১। শদিয়া | ১ খন |
| | ২। তিনিচুকীয়া | ১ খন |
| ৬। কাছাৰ | ১। শিলচৰ | ২ খন |
| ৭। কৰিমগঞ্জ | ১। কৰিমগঞ্জ টাউন | ১ খন |
| ৮। হাইলাকান্দি | ১। পাঞ্চগ্ৰাম, ( হাইলাকান্দি ) | ১ খন |
| ৯। শিৱসাগৰ | ১। শিৱসাগৰ টাউন | ১ খন |
| | মুঠ | ১৩ খন |

(১) বিয়েৰ বাৰ ( হোটেল )

| | | |
|---|---|---|
| ১। কোকৰাঝাৰ | ১। কোকৰাঝাৰ টাউন | ১ খন |

*শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই এটা কথা জানিব বিচাৰিছো বঙ্গাইগাওঁ জিলা আৰু উত্তৰ শালমাৰা মহকুমাত অবৈধ ভাৱে বহুতো মদৰ দোকান চলি আছে । যাৰ ফলত অসম চৰকাৰৰ ৰেভিনিউ লছ হৈছে । এই অবৈধ মদৰ দোকান বাতিল কৰাৰ ব্যৱস্থা লবনে ? বৈধ দোকানৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া সেইটো কৰিবলৈ হলে বঙ্গাইগাওঁ জিলাক ওৱেট বুলি ঘোষনা কৰিব লাগিব । চৰকাৰে এইটো বিবেচনা কৰি আছে ।

* Speech not corrected.

*শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে যি বিলাক মদৰ দোকান দিয়া হৈছে এই ক্ষেত্ৰত মই এটা কথা জনাব বিচাৰিছো৷ শিৱসাগৰ নগৰৰ যি দুখন পাৰ্মিট দিয়া হৈছে সেই দুখন দুটা শিক্ষানুষ্ঠানৰ সন্মুখত, একালে স্কুল আছে সেইফালে মদৰ দোকান আছে। পাৰ্মিট দিয়াৰ সময়ত এই কথা বিবেচনা কৰিব নেকি যে যি বিলাক শিক্ষানুষ্ঠান আছে সেইবিলাকৰ ওচৰে পাজৰে যাতে দিয়া নহয়। যিবিলাক পৰ্মিট শিক্ষা-নুষ্ঠানৰ ওচৰত দিয়া হৈছে সেইবিলাক নাকচ কৰিব নেকি বা তাৰ পৰা আতৰাই নিয়াৰ ব্যৱস্থা কৰাৰ বাবে বিবেচনা কৰিব নেকি ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো কৈছে যদি তেনেকুৱা দোকান শিক্ষানুষ্ঠানৰ ওচৰত আছে আতৰাই দিয়া হব।

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে কব নেকি যে হাইলাকান্দিত এনেকুৱা বিলাটী মদৰ দোকানৰ পাৰ্মিট দিয়া সম্পৰ্কে এজন মন্ত্ৰীৰ পৰিবাৰে চাকৰি কৰি থকা সত্বেও পাৰ্মিট পোৱা বুলি কাগজে পত্ৰে ওলাইছে। মন্ত্ৰী বা মন্ত্ৰীৰ পৰিবাৰ এইবিলাকত জড়িত হোৱাটো ৰাজ্যখনৰ দুৰ্ভাগ্যজনক কথা। এই বিষয়টো তদন্ত কৰিব নেকি ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, এইটো চোৱা হব।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত মদৰ দোকান বঢ়াই দিবলৈ ওলোৱাৰ কাৰণ কি ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ কাৰণ বহুত, এটা হৈছে গুৱাহাটীৰ কাষত খানাপাৰা অঞ্চলত মেঘালয় সীমাৰ ভিতৰত বহুত কেইখন বিদেশী মদৰ দোকান আছে। সেই দোকান কেইখনত মুকলিকৈ বিক্ৰী কৰে। প্ৰায় পাঁচ কোটি টকা প্ৰত্যেক বছৰে এই দোকান বিলাকে পায়। ১৯৮৭ চনতে তেতিয়াৰ মন্ত্ৰী সভাই ১২ খন গুৱাহাটীত মদৰ দোকান দিয়াৰ সিদ্ধান্ত লৈছিল। এই বিলাক কাৰণতে দিয়া হৈছে।

মাননীয় অধ্যক্ষ : তৰা চিহ্নিত প্ৰশ্ন নং ৩২, শ্ৰীফণীভূষণ চৌধুৰী

## বিষয় : মেৰামতিৰ শিতানত টকা

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে :

*৩২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯২-৯৩ বিত্তীয় বছৰটোত গড়কাপ্তানী বিভাগৰ বিভিন্ন সংমণ্ডল

---

* Speech not corrected.

বিলাকক Maintenance Repairing শিতানৰ পৰা কিমান টকাৰ L.O.C. দিয়া হৈছে ?

( সংমণ্ডলৰ বিপৰীতে টকাৰ পৰিমান উল্লেখ কৰি তালিকা সদনৰ মেজত দাখিল কৰিব )

(খ) উক্ত শিতানত টকা আবন্টন কৰোতে কি তথ্যৰ ওপৰত নিৰ্ভৰ কৰা হয়।

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) যে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩ বিত্তীয় বছৰৰ February মাহলৈকে গড়কাপ্তানী বিভাগৰ বিভিন্ন সংমণ্ডল বিলাকক Maintenance and Repairs শিতানত মুঠ ১১৫৭·৮৮ লাখ টকা দিয়া হৈছে।

সংমণ্ডলৰ বিপৰীতে টকাৰ পৰিমাণ উল্লেখ কৰি এখন তালিকা ইয়াৰ লগতে গাঠি দিয়া হ'ল। ( See the Annexure—II )

(খ) প্ৰতি সংমণ্ডলৰ মাষ্টাৰ ৰোল ( Master Roll ) আৰু ওৱৰ্ক চাৰ্জ ( Work charged ) শ্ৰমিকৰ দৰমহাৰ বাবে প্ৰয়োজনীয় টকা আৰু ঠিকাদাৰ সকলৰ কামৰ বাবে দিব লগা টকাৰ প্ৰয়োজনীয়তাৰ ভিত্তীত উক্ত টকা আবন্টন কৰা হয়।

*শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ওৱৰ্ক চাৰ্জ আৰু মাষ্টাৰ ৰোলত টকা দিয়া হয়। যিখিনি টকা দিয়া হৈছে সেই টকাৰে মাষ্টাৰ ৰোল শ্ৰমিকক দৰমহা দিয়াৰ কাৰণে যথেষ্ট হৈছে নেকি ?

শ্ৰীশৰৎ বৰকটকী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, গোটেই বিলাক মাষ্টাৰ ৰোল আৰু ওৱৰ্ক চাৰ্জ কৰ্মী সকলক দৰমহা দিয়াৰ কাৰণে টকা যথেষ্ট হোৱা নাই।

★শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে ওৱৰ্ক চাৰ্জ আৰু মাষ্টাৰ ৰোলৰ কৰ্মীয়ে দৰমহা পোৱা নাই।

*শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো অনুসন্ধান কৰি চোৱা হব।

*শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ অসমতে মাষ্টাৰৰোলৰ সম্পূৰ্ণ দৰমহা দিয়া নাই। এইটো বিবেচনা কৰি থকা কথা নহয়, সকলোৱে জানে। মাহে শতকৰা ৪০ ভাগ, ৩০ ভাগ দহ ভাগহে, দিয়া হৈছে। যোৱা

* Speech not corrected.

৯ মাহে তেওঁলোকে দৰমহা পোৱা নাই । এই সাধাৰণ কৰ্মচাৰী সকলক দৰমহা দিয়াৰ ব্যৱস্থা লবনে ?

*শ্ৰীশৰৎ বৰকটকী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত নিশ্চয় ব্যৱস্থা লোৱা হব ।

( Starred Question Nos. 33 to 40 could not be taken up as the Question Hour was over. However, The replies of the same, deemed to have been laid on the table of the House ).

## বিষয় : অসম চুক্তি ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

★৩৩. মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চুক্তি অনুযায়ী বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ পিচৰ পৰা বৰ্তমানলৈ কিমান বিদেশী চিনাক্ত কৰণ আৰু বহিস্কৰণ কৰা হ'ল ?

(খ) আই, এম, ডি টি, আইন খন সংশোধন বা বাতিল কৰাৰ বাবে চৰকাৰে কিবা পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে নেকি ?

(গ) অসম চুক্তিৰ ছয় নং দফাৰ ক্ষেত্ৰত চৰকাৰে কি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম চুক্তি অনুযায়ী, বৰ্ত্তমান চৰকাৰ গঠন হোৱাৰ পিচৰ পৰা অৰ্থাৎ ১/৭/৯১ ৰ পৰা ৩১/১/৯৩ লৈ ৮৭১ জন ব্যক্তিক অবৈধ প্ৰব্ৰজনকাৰী আৰু ১৭৬৭ জন ব্যক্তিক ১৯৬৬-৭১ চনৰ ভিতৰত অহা বিদেশী বুলি ন্যায়াধীকৰণে ৰায় দিয়ে । এই সময় ছোৱাৰ ভিতৰত ৪৫০ জন অবৈধ প্ৰব্ৰজনকাৰীক বাংলাদেশলৈ ঘূৰাই পঠিওৱাৰ উপৰিও ৩৫৪৬ জন পুনঃ/নতুন অনুপ্ৰবেশকাৰীকো ধৰি বাংলাদেশলৈ পঠোৱা হয় । তাৰোপৰি ৪২,৬৭৯ জন নেপালী অনুপ্ৰবেশকাৰীকো ধৰি নেপাললৈ ঘূৰাই পঠোৱা হয় ।

(খ) আই, এম, ডি, টি, আইনখন বাতিল নকৰিবৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ পৰামৰ্শ দিছে ।

(গ) অসম চুক্তিৰ ছয় নং দফাৰ ক্ষেত্ৰত চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে । সাংস্কৃতিক ঐতিহ্য ৰক্ষণাবেক্ষণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ

---

* Speech not corrected.

সহযোগীতাৰে ২টা বৃহৎ প্ৰকল্প যেনে— 'শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰ' আৰু 'জ্যোতি চিত্ৰবন'ৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ কামত আগবঢ়া হৈছে।

বিষয় : ধ্বংসপ্ৰাপ্ত দলঙৰ সংখ্যা

শ্ৰীকমল ব্ৰহ্মই সুধিছে :

★ ৩৪ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৩৩ নং বিজনী সমষ্টিৰ ব'ড়া আন্দোলনৰ সময়ছোৱাত ধ্বংস হোৱা দলঙৰ সংখ্যা কিমান ?

(খ) কিমানখন ধ্বংস হোৱা কাঠৰ দলং পুনৰ নিৰ্মাণ কৰা হৈছে ?

(গ) অৱশিষ্ট থকা দলং কেইখনক পুনৰ নিৰ্মাণ কৰাৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(ঘ) যদি লৈছে, বড়োবাজাৰ, আমগুৰী, বিজনী, পানবাৰী, বিজনী-বিষ্ণুপুৰ আৰু বিজনী-আউগাওঁলৈ যোৱা ৰাস্তা কেইখন যান-বাহনৰ সুচল কৰি দিবনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ২৫ খন।

(খ) ৭ খন।

(গ) ১৮ খন দলঙৰ মেৰামতি পুনৰ নিৰ্মাণৰ কাৰণে প্ৰায় ৩২·৪১ লাখ টকাৰ দৰকাৰ হ'ব। অৱশ্যকীয় পুঁজিৰ আবণ্টন পালেই মেৰামতিৰ যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

(ঘ) আৱশ্যকীয় পুঁজি আবণ্টন সাপেক্ষে পথ সমূহৰ ভঙা দলংবোৰ মেৰামতি পুনৰ নিৰ্মাণ কৰি যান-বাহন চলাচলৰ উপযোগী কৰা হ'ব।

বিষয় : পাইপ ওৱাটাৰ আঁচনি

শ্ৰীজীউৰাম বড়োৱে সুধিছে :

★ ৩৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগে 'পাইপ ওৱাটাৰ' আঁচনিখন বাদ দিয়াটো সঁচা নে ?

(খ) যদি সঁচা, তাৰ বিনিময়ত নতুন কাৰিকৰীৰ কিবা আঁচনি গ্ৰহণ কৰিছে নেকি আৰু ইয়াৰ লগতে মাৰ্ক-দুই ( Mark-II ) নলকূপ আঁচনি প্ৰৱৰ্ত্তন কৰিছে নেকি ?

(গ) লগতে কালাইগাওঁ সমষ্টিৰ দলেপাৰা, ২টা আমগুৰি, জিনিকাপাৰা, দুৰ্গাগাওঁ, টেঙাবাৰী আৰু মঙ্গলদৈ সমষ্টিৰ কেহুতলী 'পাইপ ওৱাটাৰ' আঁচনিৰ বৰ্ত্তমান অৱস্থাৰ বিষয়ে চৰকাৰ অৱগত নে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আৰু (খ) প্ৰাপ্য পুঁজিৰে সৰহ সংখ্যক মানুহক খোৱাপানী যোগান ধৰাৰ উদ্দেশ্যে যিমান দূৰ সম্ভৱ ব্যয়বহুল পাইপৰ দ্বাৰা পানী যোগান আঁচনি নহলে নলী-নাদ, মাৰ্ক-২ হেণ্ড পাম্প আৰু পকী কুৱাৰ দ্বাৰা পানী যোগান ধৰাৰ কথা ভবা হৈছে ।

(গ) হয়, অৱগত ।

## বিষয় : M. R. কৰ্মচাৰীৰ সংখ্যা

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

*৩৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বনবিভাগত কাম কৰি থকা M/R কৰ্মচাৰী সকলৰ চাকৰি ( যোগ্যতা সম্পন্ন ) নিয়মীয়া কৰাৰ কিবা ব্যৱস্থা আছেনে ?

(খ) যদি আছে কিমান বছৰ কাম কৰাৰ পিছত এই চাকৰি নিয়মীয়া Regularisation কৰা হয় ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই ।

(খ) প্ৰশ্ন নুঠে ।

## বিষয় : কাকুয়াগ্ৰামে গ্ৰামীন জল সরবরাহ প্ৰকল্প ।

শ্ৰীপ্ৰণব কুমার নাথ জিজ্ঞাসা করছেন :

*৩৭। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) দক্ষিণ করিমগঞ্জ সমষ্টির কাকুয়াগ্ৰামে গ্ৰামীন জল সরবরাহ প্ৰকল্পের

জন্য কখন টাকা মঞ্জুর করা হয়েছিল ? ( সন ও তারিখ সহ বিশদ তথ্য দেবেন ) ।

(খ) শমারপার গ্রামীন জল সরবরাহ কেন্দ্র ও দলগ্রাম জলসরবরাহ কেন্দ্র ইং কত তারিখে কাজ আরম্ভ করা হয়েছিল ?

(গ) কিন্তু আজ পর্য্যন্ত ইহার কোন অগ্রগতি না হওয়ার কারণ কি ?

(ঘ) বর্ত্তমান অর্থবছরে উক্ত দুটি জলসরবরাহ প্রকল্প জনস্বার্থে চালুকরার জন্য বিভাগীয় কর্তৃপক্ষ কি কি পদক্ষেপ নিয়েছেন, বিশদ তথ্য সহকারে জনাবেন কি ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আৰু (খ) দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ কাকুয়াগ্ৰাম আৰু শমাৰপাৰ নামেৰে কোনো গ্ৰাম্য পানী যোগান আঁচনি অনুমোদন হোৱা নাই। দলগ্ৰাম গ্ৰাম্য পানী যোগান আঁচনিৰ কাম ইং ১৯৯০ চনত ফেব্ৰুৱাৰী মাহৰ পৰা আৰম্ভ কৰা হৈছিল ।

(গ) দলগ্ৰাম গ্ৰাম্য পানী যোগান আঁচনিৰ দ্বাৰা ইং ১৯৯১ চনৰ মাৰ্চ মাহত সাময়িকভাৱে পানীৰ যোগান ধৰা হৈছিল যদিও গভীৰ নলী-নাদৰ পানীৰ স্তৰ তলত থকা বাবে প্ৰয়োজন অনুসৰি পানী সৰবৰাহ কৰিব নোৱাৰাত বৰ্ত্তমানে সাময়িকভাৱে পানী যোগান বন্ধ আছে ।

(ঘ) আঁচনিখন অতি শীঘ্ৰে কাৰ্য্যক্ষম কৰাৰ বাবে বিহিত ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

**Re : Norms of Sub-divisional Planning and Development.**

Giasuddin Ahmed asked :

★38. Will the Honourable Minister of Planning and Development be pleased to State :

(a) What are the norms for constitution of Sub-divisional Planning and Development Council ?

(b) How many non-official persons can be nominated by the Government as member of a Sub-divisional Planning and Development Council besides M. L. As. and Departmental Heads Concerned ?

Shri Hiteswar Saikia, ( Chief Minister ) replied :

(a) As per provision of the Assam panchayati Raj Act. 1986, each Civil Sub-division of plains districts is to have one sub-divisional planning and Development Council as a Planning body for the Sub-division.

The Sub-divisional Planning and Development Council for each Sub-division is to be headed by a Minister as Chairman wherein M.Ps and M.L.As are also members. Sectoral district level officers are also members of the Council in addition to Government nominated non-official members.

(b) Government can nominate two Economists and Three Social workers as members of the Sub-divisional Planning and Development Couneil.

বিষয় : ৰূপহী নদীৰ দলং ।

শ্ৰীমিলন বড়োয়ে সুধিছে :

*৩৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ ভৱানীপুৰৰ পৰা ভূঞাপাৰালৈ যোৱা গড়কাপ্তানী বিভাগৰ পথৰ ৰূপহী নদীৰ ওপৰত থকা ধ্বংসপ্ৰাপ্ত দলংখন পুনৰ নিৰ্মানৰ কিবা আঁচনি লোৱা হৈছেনে ?

(খ) উক্ত দলংখন সমগ্ৰ বিজনী মৌজাৰ জনজাতি লোক সকলৰ ও প্ৰশ্নকৰ্ত্তা বিধায়কৰ গাঁৱলৈ যোৱা যাতায়তৰ গুৰুত্বলৈ দৃষ্টি ৰাখি সোনকালে নিৰ্মানৰ ব্যৱস্থা লবনে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সংশ্লিষ্ট পথটোৰ নাম সৰুপেটা ভূঞাপাৰা পথ। দলংখনৰ পুনৰ নিৰ্মানৰ আঁচনি এতিয়ালৈকে লোৱা নাই।

(খ) মেৰামতি বাবে অনুদান পালেই মেৰামতিৰ কাম হাতত লোৱা হব ।

বিষয় : অসম অৰুণাচল সীমান্ত অঞ্চল ।

শ্ৰীকোমেশ্বৰ বৰুৱাই সুধিছে :

*৪০। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

গহপুৰ সমষ্টিৰ, অসম অৰুণাচল প্ৰদেশৰ সমুদায় সীমান্ত অঞ্চলত হোৱা বেদখল আৰু সীমান্তবৰ্ত্তী অঞ্চলত বসবাস কৰা জনগোষ্ঠীৰ লোক সকলৰ উন্নয়নৰ দিশত কি কি আশু প্ৰয়োজনীয় আঁচনি গ্ৰহণ কৰিছে ?

শ্ৰীজগৎ পাটগিৰী ( সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বৰ্ত্তমানলৈকে কোনো বেদখলকাৰীক উচ্ছেদ কৰা হোৱা নাই। সীমান্ত অঞ্চলত বসবাস কৰা জনগোষ্ঠীৰ উন্নয়নৰ বাবে স্কুল ঘৰ নিৰ্মাণ, খোৱা পানী যোগান, ৰাস্তা-ঘাট নিৰ্মাণ আদি আঁচনি ৰূপায়ন কৰি অহা হৈছে।

## UNSTARRED QUESTIONS AND ANSWERS

### Re : Bridge on Nanai river.

Sri Karendra Basumatary asked :

51. Will the Minister of P.W.D. be pleased to State :

(a) Whether Government is aware that the oldest wooden Bridge of Tangla Town on Nanai River is in a damaged condition ?

(b) If so, what step is being taken by the Government for repairing the same ?

Sri Sarat Borkotoky ( Minister of State P.W.D. ( plains ) ) replied :

(a) The Bridge is not in damaged condition.

(b) Necessary repairing work is almost completed.

## বিষয় : Ring Well & Mark-II Tube Well মঞ্জুৰী ।

শ্ৰীরামপ্যারে রবিদাস জিজ্ঞাসা করছেন :

৫২। মাননীয় জনস্বাস্থ্য ও কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) ১৯৯২-৯৩ অর্থ বছরে সরকার করিমগঞ্জ জনস্বাস্থ্য কারিকরী ডিভিজনে মোট কতটি Ring Well & Mark-II Tube Well এর মঞ্জুরী দিয়েছেন ?

(খ) এর মধ্যে রাতাবাড়ী সমষ্টির জন্য মোট কতটি মঞ্জুরী দেওয়া হয়েছে ? S/C/P এর General Scheme অনুযায়ী মোট সংখ্যার উল্লেখ করা হবে কি ?

শ্ৰীদীনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৩৭ টা পকী কুৱা আৰু ৩৬ টা মাৰ্ক—২ হেন্দ পাম্প ।

(খ) ইয়াৰ ভিতৰত ৰাতাবাড়ী সমষ্টিত অনুসূচিত জাতি আঁচনিৰ অন্তৰ্গত ৪ (চাৰিটা) পকী কুৱা, এটা মাৰ্ক -২ হেন্দ পাম্প আৰু সাধাৰণ এলেকাত ৮ টা পকী কুৱা আৰু ১২ টা মাৰ্ক -২ হেন্দ পাম্প, সৰ্বমুঠ ১২ টা পকী কুৱা আৰু ১৩ টা মাৰ্ক -২ হেন্দ পাম্প অনুমোদন দিয়া হৈছে ।

## বিষয় : তিৰোৱাল ভেটা ন-কছাৰী আঁচনি ।

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে :

৫৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিয়নি সমষ্টিৰ তিৰোৱাল ভেটা ন-কছাৰী পানী যোগান আঁচনিৰ কাম বহুদিন ধৰি আধৰুৱা হৈ থকাটো সঁচানে ?

(খ) এই আঁচনি সোনকালে সম্পূৰ্ণ কৰাৰ কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) তিৰোৱাল ভেটা ন-কছাৰী গাওঁ সামৰি লোৱা দেবেৰা পাৰা পানী যোগান আঁচনিখন আধৰুৱা হৈ থকাটো সঁচা ।

(খ) আৱশ্যকীয় পুঁজি পালে ১৯৯৪ চনত উক্ত আঁচনিৰে খোৱা পানী যোগান ধৰাৰ যত্ন কৰা হব ।

**Re : Youth Welfare Schemes.**

Shri Zoii Nath Sarmah asked :

54. Will the Minister of Welfare be pleased to State :-

(a) What are the Schemes that have been adopted by the present Government for Youth Welfare ?

(b) What are the Youth Welfare Programmes that have been undertaken by the Government during 1991-92 and 1992-93 and the proposed programmes for 1993-94 ?

(c) What are the materials/articles that have been purchased by the Sports Department during 1991-92 and 1992-93 ?

(d) Whether the Government has undertaken the Schemes for granting Sports Scholership and sports pension and if so, who are the beneficiaries of such schemes during 1991-92 and 1992-93 ?

(e) Whether the Government has allotted any land or car to any Sports personality so far ?

Shri Indra Gogoi ( Minister, State, Sport and Youth Welfare ) replied :

(a) So far, no new schemes of Youth Welfare has been adopted during the period of present Government.

(b) National Cadet Corps, National Service Scheme, Mountaineering and Adventurism, Scouts & Guides, Flying Training and Youth Exchange Programme.

During 1993-94, no new scheme has yet been proposed.

(c) A list of materials/articles that have been purchased during 1991-92 and 1992-93 is placed in the floor of the House. (Annexure "A") (See the Annexure—III)

(d) Yes, a list of beneficiaries of Sports Pension is placed in the floor of the House (Annexure "B"). (See the Annexure— IV)

The list of the beneficiaries for Sports Scholarship has not yet been finalised due to non receipt of proper information from some Sports Association.

(e) Yes, so far Government has allotted land to following Sports personality :

1. Shri Bhogeswar Baruah,
2. Shri Harkanta Borgohain,
3. Mrs. Taibun Nesa and
4. Shri Dipankar Bhattacharjee.

A car has also been presented to Shri Dipankar Bhatta charjee.

**Re : Border Areas.**

Shri Derhagra Musha, asked :

55. Will the Minister, P.W.D. be pleased to State :

(1) Whether the Government has a proposal to develop international link road of Border Areas ?

Shri Sarat Borkotoky ( Minister of State PWD ( Plain ) replied :

(2) Presently there is no such proposal.

**বিষয় : এ, জি, চি, চিক দিয়া দলঙৰ সংখ্যা।**

শ্ৰীবিনোদ গোৱালাই সুধিছে :

৫৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ এ, জি, চি, চিক কিমানখন দলং যোৱা দুটা বছৰত নিৰ্মাণ কৰিবলৈ দিছে ?

(খ) শ্বহীদ কুশল কোঁৱৰ সেতু নির্মাণৰ বাবে কিমান টকা দিয়া হৈছিল আৰু বৰ্ত্তমান উক্ত সেতুৰ কিমান কাম আগবাঢ়িছে আৰু কেতিয়া এই কাম সম্পূৰ্ণ হৈ উঠিব ?

শ্রীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ১৯৯১-৯২ আৰু ১৯৯২-৯৩ বছৰ দুটাত এ, জি, চি, চিক দুখন দলং নির্মাণ কৰিবলৈ দিয়া হৈছে।

(খ) শ্বহীদ কুশল কোঁৱৰ সেতু নির্মাণৰ বাবে ২,৪৩,১৪,৬০০'০০ টকাৰ বিভাগীয় অনুমোদন আছে। বৰ্ত্তমানলৈ দলং (Foundation walls) নির্মাণৰ প্রায় ২০% কাম সম্পূৰ্ণ হৈ উঠিছে। বৰ্তমানলৈ হোৱা কামৰ অগ্রগতিলৈ চাই দলং খন ১৯৯৫ চনৰ মাৰ্চ মাহত সম্পূৰ্ণ হৈ উঠাৰ সম্ভাৱনা আছে।

## বিষয় ঃ ৰাষ্ট্ৰীয় ঘাই পথ নং ৩৬।

শ্রীবাবু ৰংপী, শ্রীদীপেন্দ্র ৰংপীয়ে সুধিছে ঃ

৫৭ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডবকাৰ পৰা ভিলাইলৈ ৩৬ নং ৰাষ্ট্ৰীয় ঘাই পথ নির্মাণৰ কাম এতিয়াও সম্পূৰ্ণ হৈ নুঠাৰ কাৰণ কি ?

(খ) লাংহিন আৰু ফুং নিৰ মাজৰ পথ নির্মাণৰ আধৰুৱাকৈ ৰখাৰ কাৰণ কি আৰু এইছোৱা পথ নির্মাণৰ কাম কাক দিয়া হৈছিল ? ( কনট্ৰেকটৰ বিলাকৰ নামসহ তালিকা সদনৰ মেজত দাখিল কৰিব )

(গ) উক্ত পথছোৱাৰ কিমান খন পকী দলং নির্মাণৰ কাম বাকী ৰৈছে আৰু নির্মাণ হৈ থকা দলংবোৰ কেতিয়া সম্পূৰ্ণ হ'ব ?

শ্রীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

(ক) ৰাষ্ট্ৰীয় পথ মন্ত্রণালয়ৰ বাৰ্ষিক পৰিকল্পনা শিতানৰ পুঁজি সাপেক্ষে পৰ্যায়ক্ৰমে উন্নয়নৰ আঁচনি অনুমোদন কৰিব লগা হোৱাত সমগ্র পথ ছোৱাৰ নির্মাণৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই।

(খ) সময়মতে ঠিকাদাৰক দেয়কৰ ধন আদায় দিব নোৱাৰাত কামৰ গতি কিছু লেহেম হৈছে।

উক্ত কামটোৰ ঠিকাদাৰৰ নাম মঃ চৌকত আলি, পুৰণি গুদাম, নগাওঁ।

(গ) উক্ত পথছোৱাত ('খ'ত উল্লেখিত) কোনো পকী দলং নিৰ্মাণৰ কাম হৈ থকা নাই বা কৰিব লগাও নাই। গতিকে প্ৰশ্ন নুঠে।

## বিষয় ঃ ধুবুড়ী বিন্নাচুড়া রাস্তা

শ্রীঞ্রুব কুমার সেন জিজ্ঞাসা করছেন ঃ

৫৮ মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ধুবুড়ী PWD ( Road ) বিভাগের অধীনে ধুবুড়ী বিন্নাচুড়া নামে যে রাস্তা আছে, সেই রাস্তার যে 6/1 দলং আছে, সেই দলং দিয়া মালবাহী ( Load truck ) ও যাত্রীবাহী বাছ (Bus) গাড়ী চলাচল করিতে পারে কি?

(খ) যদি চলাচল করিতে পারে না, না পারার কারণ কি?

(গ) যদি মালবাহী ( Load truck ) ও যাত্রীবাহী বাছ (Bus) গাড়ী চলাচল করিতে পারে না, তাহা হইলে ঐ 6/1 দলংটি কবে, কোন সনের, কত তারিখ থেকে চলাচল বন্ধ আছে?

(ঘ) এই দলংটা কবে (শেষ কোন সনে) মেরামতি করা হইয়াছিল?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী গড়কাপ্তানী পথ সংমণ্ডলৰ অধীনত বিন্নাচুড়া নামৰ কোনো ৰাস্তা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় ঃ গড়কাপ্তানী পথত দলং

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৫৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে ঃ

(ক) পাৰৈ বনগাওঁৰ গড়কাপ্তানী পথত থকা দলংখন যাতায়তৰ বাবে মেৰামতি কৰাত কিমান টকা খৰছ হ'ল?

(খ) দলংখনৰ ওপৰেদি মানুহ যাতায়ত কৰিব পাৰেনে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) উক্ত দলংখনৰ মেৰামতিৰ বাবে কোনো টকা খৰচ কৰা হোৱা নাই।

(খ) মানুহৰ যাতায়তৰ বাবে দলংখন উপযোগী নহয়।

## বিষয় ঃ পশু চিকিৎসা কেন্দ্ৰৰ সংখ্যা।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৬০। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যখনত কিমান সংখ্যক পশু চিকিৎসা কেন্দ্ৰ ও উপকেন্দ্ৰ আছে ?

(খ) পশু চিকিৎসাৰ সুবিধাৰ বাবে গাওঁ অঞ্চলত উপকেন্দ্ৰ নতুনকৈ স্থাপনৰ আঁচনি লোৱা হৈছেনে ?

(গ) যদি লোৱা হৈছে, জিলা ভিত্তিত কিমানখনকৈ স্থাপন কৰা হব ?

(ঘ) যদি আঁচনি লোৱা নাই, বিস্তৃত গো-উন্নয়নৰ স্বাৰ্থত আঁচনি গ্ৰহণ কৰা হ'ব নে ?

শ্ৰীজগন্নাথ সিন্‌হা ( পশু পালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) পশু চিকিৎসা কেন্দ্ৰ নাই। পশু চিকিৎসা উপকেন্দ্ৰ ৭৫১ টা আৰু প্ৰাথমিক পশু চিকিৎসা কেন্দ্ৰ ৪৬২ টা আছে।

(খ) হয়, হৈছে।

(গ) চলিত বিত্তীয় সংকটৰ পৰিপ্ৰেক্ষিতত এই বিষয়ত বৰ্ত্তমানলৈকে সিদ্ধান্ত ল'ব পৰা হোৱা নাই।

(ঘ) বিত্তীয় আবন্টন সাপেক্ষে তেনে আঁচনিৰ গ্ৰহণৰ বিষয়ে বিবেচনা কৰিব পৰা হ'ব।

## বিষয় ঃ ডিমিলা নদীৰ দলং।

শ্ৰীজীউৰাম বড়ো য়ে সুধিছে :

৬১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কালাই গাওঁ সমষ্টিৰ অন্তৰ্গত মিছাহাটখোলা গোৰেশ্বৰ গড়কাপ্তানী পথৰ ডিমিলা নদীৰ ওপৰত থকা কাঠৰ দলংখন কেতিয়া আৰু কেনেকৈ বিধ্বস্ত হৈছিল আৰু ইয়াৰ পুণৰ নিৰ্মাণৰ কাম কেতিয়াকৈ কৰিব ?

(খ) মঙ্গলদৈ টংলা এম, বি, গড়কাপ্তানী পথৰ নোৱা নদীৰ ওপৰত নিৰ্মিত দলংখন কেতিয়ালৈ সম্পূৰ্ণ হ'ব।

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) দলংখন ১৯৮৯ চনত বড়ো আন্দোলনৰ সময়ত ধ্বংস হৈছিল। ইয়াৰ পুণৰ নিৰ্মাণৰ কাম ১৯৯৩ চনৰ মে' মাহৰ শেষ ভাগত সম্পূৰ্ণ হোৱাৰ আশা আছে।

(খ) আৱশ্যকীয় পুঁজি যোগান সাপেক্ষে দলংখন ১৯৯৩ চনৰ মে' মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা আছে।

## বিষয় : ১৯৯২-৯৩ ইং বিত্তীয় ৰাহি বাজেট।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে।

৬২। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯২-৯৩ ইং বিত্তীয় বৰ্ষৰ বাবে প্ৰস্তুত কৰা বাজেটত মুঠতে কিমান টকা ৰাহি দেখুৱা হৈছিল :

(খ) বাজেটত উল্লেখিত ধৰণে বৰ্ত্তমান ৰাহি হৈছে নে :

(গ) যদি হোৱা নাই চলিত বিত্তীয় বৰ্ষত মুঠ ঘাটিৰ পৰিমাণ কিমান :

(ঘ) এই "ঘাটিৰ" মূল কাৰণ কি :

শ্ৰীজীৱকান্ত গগৈ ( বিত্ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৩৬,২৬,১১,০০০ টকা।

খ) ১৯৯২-৯৩ ইং বিত্তীয় বৰ্ষ শেষ হোৱাৰ পিচতহে কব পৰা যাব।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

## বিষয় : P.V.C. পাইপ ক্ৰয়।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

৬৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১-৯২, ৯২-৯৩ চনত জনস্বাস্থ্য কাৰিকৰী বিভাগে কিমান টকাৰ P.V.C. পাইপ ক্ৰয় কৰিছে ?

(খ) এই পাইপ সমূহ কাৰ পৰা ক্ৰয় কৰিছে : ( নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব )

(গ) চৰকাৰী নিয়ম অনুসৰি অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ পৰা পাইপ ক্ৰয় নকৰাৰ কাৰণ কি ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনত ৬৭০.৯০ লাখ টকাৰ P.V.C. পাইপ কিনা হৈছে। ১৯৯২ ৯৩ চনৰ বাবে এই পৰ্যন্ত P.V.C. পাইপ কিনা হোৱা নাই।

(খ) অসমৰ উদ্যোগ বিভাগৰ অধীনত থকা স্থানীয় S.S.I. Unit সমূহৰ পৰা ক্ৰয় কৰা হৈছে।

প্ৰতিষ্ঠান সমূহ হ'ল :—

১) মেচাৰ্স কামাখ্যা উদ্যোগ প্ৰাইভেট লিমিটেড : বীৰকুছি, নাৰেঙ্গী গুৱাহাটী-২৬।

২) মেচাৰ্স ইউনিভাৰচেল পাইপছ প্ৰাইভেট লিমিটেড : ইন্দাষ্ট্ৰিয়েল এৰিয়া, বামুণীমৈদাম, গুৱাহাটী-২১।

৩) মেচাৰ্স লুইত এচিয়ান প্লাষ্টিক প্ৰাইভেট লিমিটেড : ১৯, এ, এম, আই, ডি, সি ইন্দাষ্ট্ৰিয়েল এৰিয়া, বমুণীমৈদাম, গুৱাহাটী-২১।

৪) মেচাৰ্স ব্ৰহ্মপুত্ৰ উদ্যোগ প্ৰাইভেট লিমিটেড : পানবজাৰ, গুৱাহাটী-১।

৫) মেচাৰ্স পকষ্টো পাইপস, প্ৰাইভেট লিমিটেড, ইন্দাষ্ট্ৰিয়েল এৰিয়া, বামুণীমৈদাম, গুৱাহাটী-২১।

গ) উদ্যোগ বিভাগৰ হুকুম নং CI/341/87/390 dt-17-6-91 অনুসৰি P.V.C. পাইপ, Assam Preferential, Store Purchase ( Amendment ) Act. 1990 ৰ ২নং অনুসূচীত অন্তৰ্ভুক্ত হোৱাত পাইপ সমূহ এই বিভাগে উক্ত প্ৰতিষ্ঠান সমূহৰ পৰা কিনে।

## বিষয় : মিনি ষ্টেডিয়াম।

শ্ৰীকমল ব্ৰহ্মাই সুধিছে :

৩৪। মাননীয় যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিজনী টাউনত নিৰ্মাণ হোৱা মিনি ষ্টেডিয়ামৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(খ) এতিয়ালৈ বিমান টকা দিয়া হ'ল ?

(গ) নির্মাণ কার্য্যৰ বিমান দূৰ আগবাঢ়িছে ?

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিজনী আঞ্চলিক ক্ৰীড়া সন্থাৰ ৯,৮২,০০০·০০ টকাৰ আঁচনিৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰে ৪,৯১,১৫০·০০ টকা অনুমোদন জনায়।

(খ) ২,৪৫,৫৭৫·০০ টকা।

(গ) বিতং তথ্য বিচাৰি থকা হৈছে।

## বিষয় : নলবাৰী, টিহু নগৰ উন্নয়নৰ আঁচনি

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

৩৫। মাননীয় নগৰ আৰু গাওঁ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নলবাৰী আৰু টিহু নগৰ উন্নয়নৰ বাবে ১৯৯২-৯৩ চনৰ বাৰ্ষিক বছৰত কি কি আঁচনি লৈছিল ?

(খ) বৰ্তমানে উক্ত আঁচনি সমূহৰ কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে ?

শ্ৰীঅঞ্জন দত্ত (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পৌৰসভা / নগৰ সমিতি বিলাকৰ উন্নয়নৰ বাবে সাধাৰণতে উক্ত অনুষ্ঠান সমূহে নিজাকৈ আঁচনি প্ৰস্তুত কৰে। ১৯৯২-৯৩ চনত নলবাৰী চহৰৰ উন্নয়নৰ বাবে চৰকাৰৰ ফালৰ পৰা জুপুৰি এলেকাৰ ( Slum Area ) পাৰিপাৰ্শিক উন্নয়নমূলক আঁচনিৰ অধীনত সোণপুৰ সংযোজক ৰাস্তা আৰু নলাৰ বাবদ ২ লাখ টকাৰ আঁচনি বৰ্তমান বৰ্ষত ইতিমধ্যে অনুমোদন কৰা হৈছে।

টিহু চহৰৰ বাবে তেনে কোনো আঁচনি ১৯৯২-৯৩ আৰ্থিক বছৰত লোৱা হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ অনুদান সাপেক্ষে, কেন্দ্ৰীয় চৰকাৰৰ সাহায্য প্ৰাপ্ত আঁচনি, নেহেৰু ৰোজগাৰ যোজনাৰ অধীনত টিহু চহৰক কিছু টকা দিয়াৰ আঁচনি আছে।

(খ) কাম আৰম্ভ কৰিব পৰা হোৱাগৈ নাই। এল. অ'. চি. যোৱাৰ পিচতে কাম আৰম্ভ হ'ব।

**Re : Measures to be Proposed to control depredation by the Wild Elephants in the State.**

Shri Karendra Basumatary, asked :

66. Will the Chief Minister be pleased to State :

a) What measures Government has proposed to control depredation by the Wild Elephants in the State ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Measure adopted are :

i) Scaring away of depredating Elephants.

ii) Proclamation for destruction of rouge Elephants causing damage to life and property, and

iii) Capture of Elephants when permitted by Government of India.

**বিষয় : বিশুদ্ধ পানীয় জলের অভাব।**

শ্রীরামপ্যারে রবিদাস, জিজ্ঞাসা করছেন :

৬৭। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

ক) রাতাবাড়ী সমষ্টির অলিভিয়াছাড়া, নিভিয়া ইত্যাদি অঞ্চলের জনগণ বিশুদ্ধ পানীয় জলের অভাবে অত্যন্ত দুর্দশার সম্মুখীন, সরকার এই ব্যাপারে অবগত আছেন কি ?

খ) যদি আছেন তবে জনগনের উক্ত দুর্দশা দূরীকরনের জন্য সরকার নিভিয়াতে একটি 'পাইপ লাইন ওৱাটার চাপ্লাই স্কীম' স্থাপনের জন্য প্রয়োজনীয় পদক্ষেপ গ্রহণ করবেন কি ?

শ্রীদিনেশ প্রসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী )য়ে উত্তৰ দিছে :

(ক) আৰু (খ) বিষয়টো অনুসন্ধান কৰি প্রয়োজনীয় পুঁজি পালে আৱশ্যক অনুযায়ী খোৱাপানীৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

বিষয় ঃ নলবাৰী গড়কাপ্তানী সংমণ্ডলৰ অধীনত ব্লেকটপিং।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী য়ে সুধিছে :

৬৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নলবাৰী গড়কাপ্তানী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাৰ (পথ) অধীনত টিহু-ডুমুনী ৰাস্তাৰ ওপৰত (১) আঠিয়াবাৰী চ'ক বজাৰ, (২) চৰাইমাৰী চ'ক বজাৰ আৰু (৩) ডুমুনী চ'ক বজাৰত ব্লেকটপিং (Blacktopping) কৰাৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

খ) যদি কৰিছে ব্লেকটপিংৰ কামবোৰ সম্পূৰ্ণ হৈছে নেকি ?

গ) যদি হোৱা নাই তাৰ কাৰণ কি ?

ঘ) কামবোৰ কেতিয়া সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নলবাৰী গড়কাপ্তানী সংমণ্ডলৰ অধীনৰ টিহু ডুমুনী ৰাস্তাৰ ওপৰত (১) আঠিয়াবাৰী চ'ক বজাৰ আৰু (২) চৰাইমাৰী চ'ক বজাৰত পকীকৰণৰ ( ব্লেকটপিং ) আঁচনি চৰকাৰে গ্ৰহণ কৰিছে কিন্তু (৩) ডুমুনী চ'ক বজাৰত তেনে আঁচনি নাই।

(খ) ওপৰত উল্লেখিত (১) আৰু (২) কাম সম্পূৰ্ণ হোৱা নাই আৰু (৩) নংৰ ক্ষেত্ৰত প্ৰশ্ন নুঠে।

(গ) চৰাইমাৰীত হব লগা পকীকৰণ কামটো ১৯৯১-৯২ চনৰ আঁচনিত লোৱা হৈছিল। সেই সময়ত এই সংমণ্ডলৰ ভালে থকা সকলোবোৰ ৰোলাৰ গোৰেশ্বৰত হোৱা সাহিত্য সভাৰ বাবে প্ৰয়োজন হোৱাত ৰঙিয়া পথ সংমণ্ডল লৈ পঠিওৱা হৈছিল। সেয়েহে নলবাৰী সংমণ্ডলৰ আন বহুতো পকীকৰণৰ কামৰ লগতে চৰাইমাৰী আৰু আঠিয়াবাৰী চ'কৰ কাম কৰিব পৰা হোৱা নাই। তদুপৰি উক্ত ঠাই দুয়োখন বড়ো অধ্যুষিত অঞ্চলত পৰা বাবে বড়ো আন্দোলনৰ প্ৰভাৱত কামত আগবঢ়াত বাধাৰ সৃষ্টি হৈছিল। ইয়াৰ উপৰি আৱন্টনৰ উপযুক্ত পুঁজিৰ অভাৱৰ অজুহাতত ঠিকাদাৰ সকলে কৰা অসহযোগ আন্দোলনৰ বাবেও কাম হাতত লওতে পলম হৈছে।

৩) ডুমুনী চ'ক বজাৰৰ পকীকৰণৰ কাম আঁচনিভুক্ত হোৱা নাই কাৰণে কৰা হোৱা নাই।

(খ) ১৯৯৩ চনৰ মে' মাহৰ ভিতৰত চৰাইমাৰী আৰু আঠিয়াবাৰী চ'কৰ পকীকৰণৰ কামখিনি সম্পূৰ্ণ কৰিবলৈ আশা কৰা হৈছে।

ডুমুনী চ'ক বজাৰৰ পকীকৰণৰ কাম আঁচনিভুক্ত হ'লেহে কৰিব পৰা যাব।

বিষয়ঃ ৰাষ্ট্ৰীয় ঘাই পথৰ দৈৰ্ঘ্যতা।

শ্ৰীযতীন মালী য়ে সুধিছেঃ

৬৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) অসমত ৰাষ্ট্ৰীয় ঘাইপথ মুঠ কেইটা আছে? আৰু পথ কেইটা কি কি আৰু ইয়াৰ দৈৰ্ঘ্য কিমান?

খ) Indian Road Congress ৰ নীতি মতে ৰাষ্ট্ৰীয় ঘাই পথৰ প্ৰতি কিলোমিটাৰত Maintenance ৰ বাবে বছৰি কিমান টকা ধাৰ্য্য কৰে?

গ) গুৱাহাটী মহকুমাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাই পথ এলেকাত চলিত বিত্তীয় বছৰত নিৰ্মানৰ বাবে মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে?

ঘ) গুৱাহাটী মহকুমা এলেকাত চলিত বিত্তীয় বছৰত Maintenance Head ত মুঠ কিমান টকা ধাৰ্য্য কৰিছে?

ঙ) ৰাষ্ট্ৰীয় ঘাই পথৰ ড্ৰেইন নিৰ্মাণ, শ্লেপ নিৰ্মাণৰ ব্যৱস্থা অৰ্থে এই বছৰত কিমান টকা আছে জনাবনে?

চ) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়োকাষে চাৰ্ভে কৰি প্ৰয়োজন হোৱা ঠাইত ড্ৰেইন নিৰ্মাণ কৰি, শ্লেপ নিৰ্মাণ কৰিব নে?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক, (ভৈয়াম) মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) অসমত ৰাষ্ট্ৰীয় ঘাই পথ ১৩ টা আছে। পথ কেইটাৰ নম্বৰ সমূহ হ'ল ৩১, ৩১-বি, ৩১-চি, ৩৬, ৩৭, ৩৭-এ, ৩৮, ৩৯, ৪৪, ৫১, ৫২, ৫৩, ৫৪। ইয়াৰ মুঠ দৈৰ্ঘ্য হ'ল ২০৩০ কিলোমিটাৰ।

খ) Indian Road Congressৰ কোনো নীতি নাই। ভাৰত চৰকাৰৰ পৰিবহন মন্ত্ৰনালয়ৰ নীতি অনুসাৰে গড়ে প্ৰতি কিঃ মিঃ ত বছৰি Double Lane ত ১,৪৩,৪৮৫·০০ টকা, Intermediate Lane ত ১,১২,৭০৯·০০ আৰু Single Lane ত ৭৬,৮৩৬·০০ টকাকৈ ধৰে।

গ) গুৱাহাটী মহকুমাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাই পথ সমূহৰ উন্নয়নৰ বাবে চলিত বছৰত ৮৮.০০ লক্ষ টকা ধাৰ্য্য কৰা হৈছে।

ঘ) গুৱাহাটী মহকুমাৰ এলেকাত চলিত বিত্তীয় বছৰত মেৰামতিৰ শিতানত বিত্তীয় অনুমোদন হিচাবে মুঠ ৫২.৩২ লাখ টকা ধাৰ্য্য কৰা হৈছে।

ঙ) চলিত বিত্তীয় বছৰত এই শিতানত ৩২.০০ লক্ষ টকা ধাৰ্য্য কৰা হৈছে।

চ) চলিত বিত্তীয় বছৰত কোনো আঁচনি নাই।

**Re : Sidli-Chirang P.W.D. road.**

Shri Khiren Borgoyary asked :

70. Will the Minister P.W.D. be pleased to State :

a) Whether Government is aware that the main P.W,D road in Sidli Chirang Block between North Kajalgaon and Bengtol Tukrajhar is in deteriorated condition ?

b) Whether the Government propose to improve this main link road of Sidli Chirang ?

c) How many damaged bridges have been repaired/ reconstructed in Bongaigaon Division within T.S.P. area during 1991-1992 ?

Shri Sarat Borkotoky ( Minister State P.W.D. ) replied :

a) Yes.

b) Yes, Subject to the availibility of fund.

c) 28 ( twenty eight ) Nos. of damaged bridges have been repaired/reconstructed in under Bongaigaon roads division within T.S.P. area during 1991-1992.

**বিষয় ঃ পশুপালন বিভাগৰ কাম।**

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

৭১। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১-৯২ চনত নতুনকৈ কিমান খন পশু চিকিৎসালয় কেন্দ্ৰ, উপ-কেন্দ্ৰ স্থাপিত হৈছে আৰু কোন ঠাইত কৰা হৈছে ?

(খ) উত্তৰ শালমাৰা মহকুমাৰ বালাপাৰা, মেৰেৰচৰ, খৰজান, ফকিলা গাঁৱত নতুন পশু চিকিৎসালয় স্থাপন কৰাৰ কিবা আঁচনি লোৱা হৈছে নেকি ?

শ্ৰীজগন্নাথ সিন্‌হা ( পশুপালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সাধাৰণ পৰিকল্পনাৰ অধীনত স্থাপন কৰা হোৱা নাই। জনজাতি উপ-পৰিকল্পনা আঁচনিৰ অধীনত, তিনিচুকীয়া আৰু নলবাৰীত (ধেমাজী) একোখনকৈ পশু চিকিৎসালয় আৰু বতিয়ামাৰী (মঙ্গলদৈ) মোলাগাওঁ (মৰিগাওঁ) ধুলাগুৰী (ধেমাজী) এটাকৈ পশু চিকিৎসা উপকেন্দ্ৰ স্থাপন কৰা হৈছে। অনুসূচীত জাতি উন্নয়ন আঁচনিৰ অধীনত উপৰ নাজিৰা কৈবৰ্ত্ত গাওঁত (নাজিৰা) এখন পশু চিকিৎসালয় স্থাপন কৰা হৈছে।

(খ) বৰ্ত্তমানে তেনে আঁচনি লোৱা নাই।

## বিষয় ঃ পশুপালন কেন্দ্ৰ স্থাপন।

শ্ৰীপ্ৰণৱ কুমার নাথ জিজ্ঞাসা করছেন :

৭২। মাননীয় পশুপালন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) করিমগঞ্জ জিলায় বৰ্ত্তমান অৰ্থ বছরে গবিন্দ গঞ্জ, নগেন্দ্ৰ নগর, বসন্তপুর, পেচারপার, উজান গ্ৰাম, জবাই নগর, কায়স্থ গ্ৰাম, মেঘনা বডান্তর, কমর গ্ৰাম, জাতকাপন, এলাকায় ভেটেনারী দিশপেনছারী অথবা আই, চি ডি, পি, চাব চেণ্টার অথবা ভেটেনারী এইড চেণ্টার স্থাপনের ব্যবস্থা করা হবে কি ?

(খ) বরুবালা পশু উপ-স্বাস্থ্য কেন্দ্ৰ বৰ্ত্তমান বিত্তীয় বছরে কাজ শুরু করার জন্য বৰ্ত্তমান সরকার কি কি পদক্ষেপ নিয়েছেন ?

শ্ৰীজগন্নাথ সিন্‌হা ( পশু পালন বিভাগের মন্ত্ৰী ) য়ে উত্তর দিয়েছেন :

(ক) পশু চিকিৎসালয়, বিস্তৃত গো-উন্নয়ন আঁচনি কেন্দ্ৰ, প্ৰাথমিক পশু চিকিৎসা কেন্দ্ৰ আদি স্থাপনের দায়ীত্ব বিকেন্দ্ৰীকৃত আঁচনি অধীনস্থ। এখনও পৰ্য্যন্ত মহকুমা পরিকল্পনা থেকে কোন প্ৰস্তাব পাওয়া হয় নি।

(খ) বরুবালা পশু চিকিৎসা উপকেন্দ্ৰ স্থাপনের প্ৰস্তাব বৰ্ত্তমানের অৰ্থ-নৈতিক সংকটের জন্য এপৰ্য্যন্ত অনুমোদন হয়নি।

### বিষয় : কেঁচা চাহ পাতৰ কৰ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

৭৩। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) প্ৰতি কেজি কেঁচা চাহ পাতৰ ওপৰত চৰকাৰে পঞ্চাশ পইচাকৈ যি কৰ বহুৱাইছে তাৰ পৰা ১৯৯১-৯২ আৰু ১৯৯২-৯৩ বছৰ দুটাত কিমান কৰ সংগ্ৰহ কৰিসে ?

(খ) উক্ত সংগৃহীত ধনৰ কিমান শতাংশ চাহ মজদুৰ কল্যাণ পুঁজিত ব্যয় কৰা হৈছে ?

শ্ৰীজীৱকান্ত গগৈ ( বিত্ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনত মুঠ ২৩.৬৪ কোটি আৰু ১৯৯২-৯৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ২২.৫৫ (আনুমানিক) কোটি টকা সংগ্ৰহ হৈছে।

(খ) উক্ত আইন মতে সংগৃহীত ধন চাহ মজদুৰ কল্যাণ পুঁজিত খৰচ কৰাৰ কোনো ব্যৱস্থা উক্ত আইনত নাই।

### বিষয় : মৰিয়নি চহৰৰ উন্নয়নৰ আঁচনি।

শ্ৰীমতী ৰূপম কুৰ্ম্মী য়ে সুধিছে :

৭৪ মাননীয়, নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

মৰিয়নি চহৰৰ উন্নয়নৰ বাবে আঁচনি প্ৰস্তুত কৰাৰ কিবা প্ৰয়োজনীয় ব্যৱস্থা লৈছেনে ?

শ্ৰীঅঞ্জন দত্ত [ নগৰ আৰু গাওঁপৰিকল্পনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ( স্বতন্ত্ৰ দায়িত্ব প্ৰাপ্ত ) ] য়ে উত্তৰ দিছে :

লোৱা নাই।

মৰিয়নি চহৰৰ উন্নয়ন মূলক কাম-কাজ কৰাৰ আঁচনি লোৱাৰ দায়িত্ব মূলতঃ মৰিয়নি নগৰ সমিতিৰ ওপৰতে ন্যস্ত।

### বিষয় : অসম চুক্তিৰ দফা কাৰ্য্যকৰী।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

৭৫। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম চুক্তিৰ কোন কোন দফাৰ কি কি কাৰ্য্যকৰী হ'ল।

খ) ভোটাৰ তালিকা সম্পৰ্কত চি, ই, চি য়ে বিভিন্ন সময়ত দিয়া চিঠি/নিৰ্দ্দেশ সদনৰ মেজত দাখিল কৰিবনে ?

গ) ১৯৬৭-৭১ ৰ ভিতৰত অহা অনুপ্ৰৱেশকাৰী সকলৰ কিমান জনৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্ত্তন কৰা হৈছে ?

ঘ) অৰ্থ নৈতিক উন্নয়নৰ বাবে অসম চুক্তিৰ আধাৰত বৰ্তমান চৰকাৰে কি কি ব্যৱস্থা লৈছে ।

ডাঃ ভূমিধৰ বৰ্মন, ( চুক্তি ৰূপায়ন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অসম চুক্তি কাৰ্য্যকৰী কৰিব লগা দফা কেইটা হ'ল দফা ৫ পৰা দফা ১৪ লৈকে । দফা হিচাবে কাৰ্য্যকৰণৰ এক তালিকা সদনৰ মেজত ৰখা হ'ল । ( See the Annexure— V )

খ) ভোটাৰ তালিকা সম্পৰ্কত চি, ই, চি য়ে দিয়া চিঠি/নিৰ্দ্দেশ যিহেতু গোপনীয় আৰু বিশেষাধিকাৰ ধৰণৰ ( privileged ) আৰু এই সম্পৰ্কত চি, ই, চিৰ আগতীয়া অনুমোদনৰ আৱশ্যক হব, সেইবাবে এনে চিঠি/নিৰ্দ্দেশ সদনৰ মেজত দাখিল কৰা সম্ভৱ নহব ।

গ) ১৯৯২ চনৰ ডিচেম্বৰ মাহলৈকে ৯১৪২ জন লোকৰ নাম কৰ্ত্তন কৰা হৈছে ।

ঘ) অসম চুক্তিৰ ৭ নং দফাৰ আধাৰত অসমৰ অৰ্থ নৈতিক উন্নয়নৰ বাবে বৰ্ত্তমানৰ চৰকাৰৰ মন্ত্ৰী-পৰ্য্যায়ৰ এটি সৰ্ব্বদলীয় দল দিল্লীলৈ গৈ প্ৰধান মন্ত্ৰীক লগ ধৰি নিম্ন লিখিত কেইটামান গুৰুত্বপূৰ্ণ প্ৰকল্প সম্পৰ্কে আলোচনা কৰে । যথা—

১) কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন ।
২) ভাৰতীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান স্থাপন ।
৩) চতুৰ্থ তেল শোধানাগাৰ স্থাপন ।
৪) গেছ ক্ৰেকাৰ প্ৰকল্প স্থাপন ।
৫) অশোক কাগজ কল পুনৰজীৱিতকৰণ ।
৬) পৰিবহণ উন্নয়ণ ।
৭) দূৰ সংযোগ সেৱাৰ উন্নতি সাধন ।
৮) বহুমুখী নদী উপত্যকা প্ৰকল্প ।
৯) বৰাক নদী উপত্যকা প্ৰকল্প ।
১০) গুৱাহাটীত নিঃ শুল্ক বন্দৰ স্থাপন ।
১১) পৰ্য্যটন উন্নতি সাধন ।
১২) বৈদেশিক সাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্প ।
( Externally Aided Projects )

যথা, কৃষি উন্নয়ণ প্ৰকল্প/আমগুৰি ও কঠালগুৰি শক্তি প্ৰকল্প/স্বাস্থ্য ও পৰিয়াল কল্যাণ প্ৰকল্প ইত্যাদি।

প্ৰধান মন্ত্ৰীৰ সৈতে হোৱা উক্ত আলোচনাত গৃহীত সিদ্ধান্ত সমূহ খৰতকীয়া কৰিবলৈ পৰৱৰ্ত্তী কালচোৱাত কেন্দ্ৰীয় আৰু ৰাজ্য-চৰকাৰৰ উচ্চ বিষয়া পৰ্য্যায়ত উল্লেখিত প্ৰকল্প কেইটা সম্পৰ্কে গত ২৯/১১/৯১, ২২/৪/৯২ ও ২৯/৭/৯২ তাৰিখে তিনিলানি আলোচনা হৈ যায়। এই সন্দৰ্ভত অগ্ৰগতিৰ খতিয়ান 'ক' প্ৰশ্নৰ উত্তৰত দফা ২ মতে ইতিমধ্যেই সদনৰ মেজত দাখিল কৰা হৈছে।

## বিষয়ঃ কারাগারের বন্দীর খাওয়া দাওয়ার জন্য টাকা ধার্য্য।

শ্ৰীধ্রুব কুমার সেন জিজ্ঞাসা করছেন:

৭৬। মাননীয় কারাগার বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি:

(ক) আসামে প্রত্যেকটি জেলে ( Jails ) কারাগারে যে সব বিচারাধীন বন্দী ও শাস্তিপ্রাপ্ত বন্দী আছে, তাহাদের খাওয়ার জন্য সরকার প্রতিদিন কত টাকা ধার্য্য করিয়াছেন?

(খ) উক্ত ধার্য্য টাকা কাহার মারফৎ খরচ হইয়া থাকে তাহা অনুগ্রহ করিয়া জানাবেন কি?

শ্ৰীচামচুল হুদা ( কাৰাগাৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) অসমৰ কাৰাগাৰত থকা প্ৰতিজন বিচাৰাধীন বা শাস্তিপ্ৰাপ্ত বন্দীক জেল মেনুয়েলত ধাৰ্য্য কৰা নিৰ্দ্ধাৰিত খাদ্য তালিকা অনুসৰি খাদ্য যোগান দিয়াৰ বাবদ চলিত বছৰৰ অনুমোদিত হাৰত হোৱা খৰছৰ পৰিমাণ প্ৰতিদিনে ১১ ( এঘাৰ ) টকা।

(খ) উক্ত টকা প্ৰতিখন কাৰাগাৰৰ অধীক্ষকৰ মাৰফৎ খৰচ কৰা হয়।

## বিষয়ঃ কৃষি কৰ আদায়।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে:

৭৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমৰ কিমানখন চাহ বাগিচাই চৰকাৰক কৃষিকৰ আদায় দি আছে?

(খ) কিমানখন চাহ বাগিচাই কৃষিকৰ বৰ্ত্তমানলৈকে আদায় নিদিয়াকৈ আছে আৰু চৰকাৰে এই অনাদায় হৈ থকা কৰ আদায় কৰাৰ বাবে কি ব্যৱস্থা লৈছে?

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৩৯৬ খন বাগিচাই কৃষিকৰ দি আছে।

(খ) বৰ্ত্তমানলৈ ৪৪৯ খন বাগিচাই কৃষিকৰ আদায় দিয়া নাই। এই বকেয়া আদায় কৰিবলৈ বিভিন্ন আদালতৰ সহায় লোৱা হৈছে আৰু গোচৰ সমূহ বিভিন্ন আদালতত বিভিন্ন স্তৰত চলি আছে।

## বিষয় : Hand Tube Well মেৰামতিৰ সংখ্যা।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৭৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত বৰপেটা জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অচল হৈ থকা Hand Tube Well সমূহ মেৰামতি কৰা হৈছেনে?

(খ) যদি হোৱা নাই অতি সোনকালে মেৰামতি কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পৰ্য্যায়ক্ৰমে মেৰামতি কৰি থকা হৈছে।

(খ) প্ৰশ্ন নুঠে।

## বিষয় : কাৰাগাৰত মুঠ কয়দী।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

৭৯। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজ্যখনৰ কাৰাগাৰ সমূহত থকা মুঠ কয়দীৰ সংখ্যা বৰ্তমান কিমান? (জিলা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰিব)

খ) একোজন কয়দীৰ প্ৰতি সাজ ভাত (অথবা খাদ্য) ৰ বাবদ চৰকাৰে গড়ে কিমান টকা ব্যয় কৰে?

গ) পুলিচ থানাৰ লক্ আপ্ অথবা জেল হাজোতত থকা একোগৰাকী ব্যক্তিৰ প্ৰতি সাজ ভাত ( অথবা খাদ্য ) ৰ বাবদ চৰকাৰে গড়ে কিমান টকা ব্যয় কৰে ?

ঘ) চলিত বিত্তীয় বৰ্ষত লক্ আপ্ অথবা জেল হাজোতত থকা ব্যক্তিৰ খাদ্যৰ বাবদ মুঠতে চৰকাৰৰ কিমান টকা ব্যয় হৈছে ?

শ্ৰীচামচুঙ্গ হুদা ( কাৰাগাৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ৰাজ্যখনৰ কাৰাগাৰ সমূহত থকা মুঠ কয়দীৰ সংখ্যা বৰ্তমান ৮৯০ জন ( ১৫/২/৯৩ তাৰিখে )। ১৫/২/৯৩ তাৰিখে অসমৰ সমূহ কাৰাগাৰত আবদ্ধ হৈ থকা বিভিন্ন শ্ৰেণীৰ কাৰাবন্দীৰ সংখ্যা এনে ধৰণৰ ।

| | | |
|---|---|---|
| কয়দী ( Convict ) | — | ৮৯০ |
| হাজোতী ( Undertrial ) | | |
| ক) টাডা | — | ৬২২ |
| খ) অন্যান্য | — | ৩৪৮৭ |
| আটক বন্দী ( NSA detenue ) | | ১৫ |
| উন্মাদ ( Lunatic ) | — | ৮৩৭ |
| নিৰাপদ আশ্ৰিত ( Safe custody ) | | ৫৯ |
| মহিলা বন্দীৰ শিশু Children ) | | ৩১ |
| | মুঠ— | ৫৯৪১ |

( জিলা ভিত্তিক তালিকা লগত গাঠি দিয়া হৈছে ) ( See the Annexure — VI )

খ) একোজন কয়দীৰ নিৰ্দ্ধাৰিত খাদ্য তালিকা অনুসৰি চলিত বছৰৰ অনুমোদিত হাৰত প্ৰতি সাজ ভাতৰ বাবদ গড়ে ৪ ( চাৰি ) টকা ৯৫ ( পঞ্চানব্বৈ ) পইচা ব্যয় হয়। তদুপৰি ৰাতিপুৱা চাহ জলপানৰ বাবদ গড়ে ১ ( এক ) টকা ১০ ( দহ ) পইচা ব্যয় হয় । সকলো মিলাই একোজন কয়দীৰ খাদ্যৰ বাবদ প্ৰতিদিনে গড়ে ১১ ( এঘাৰ ) টকা ব্যয় হয় ।

গ) জেল হাজোতত থকা একো গৰাকী ব্যক্তিৰ খাদ্যৰ বাবেও ওপৰত উল্লেখ কৰা মতেই ব্যয় হয় অৰ্থাৎ দৈনিক ১১ ( এঘাৰ ) টকাকৈ ।

পুলিচ থানাৰ লক্ আপ্ত থকা একোগৰাকী ব্যক্তিৰ প্ৰতি সাজ ভাতৰ (অথবা খাদ্যৰ) বাবদ চৰকাৰে প্ৰতিদিনে গড়ে ৫·০০ ( পাচ ) টকাকৈ ব্যয় কৰে।

ইয়াৰ উপৰিও ৰাজ্যৰ বিশেষ অঞ্চলত বিভিন্ন পুলিচ লক আপত জেৰা কৰিবৰ বাবে আটক কৰি ৰখা উগ্ৰপন্থী আৰু সন্দেহ যুক্ত উগ্ৰপন্থী সকলৰ বাবে চৰকাৰে প্ৰতিদিনে গড়ে ১২·০০ ( বাৰ ) টকাকৈ ব্যয় কৰে।

ঘ) পুলিচ থানাৰ লক আপত থকা ব্যক্তিৰ খাদ্যৰ বাবদ চলিত বিত্তীয় বৰ্ষত চৰকাৰৰ মুঠ ৪,৪৫,২৯৩·০০ ( চাৰি লাখ পঞ্চলিশ হাজাৰ দুশ তিৰানব্বৈ ) টকা ১/৩/৯৩ লৈ ব্যয় হৈছে।

চলিত বিত্তীয় বছৰত জেল হাজোতত থকা ব্যক্তিৰ খাদ্যৰ বাবদ যোৱা ফেব্ৰুৱাৰী মাহলৈকে মুঠ ১ ( এক ) কোটি ৮১ ( একাশী ) লাখ টকা ব্যয় হৈছে।

## বিষয়ঃ বিজনী চহৰৰ বাবে ধাৰ্য্য টকাৰ পৰিমাণ

**শ্ৰীকমল ব্ৰহ্ময়ে সুধিছে :**

৮০। মাননীয় নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯২-৯৩ চনৰ বাবে বিজনী চহৰত নগৰ পৰিকল্পনা শিতানত কিমান টকা ধাৰ্য্য কৰা হৈছিল ?
( শিতানত ধাৰ্য্য কৰা টকা বেলেগ বেলেগকৈ দেখুৱাব )

**শ্ৰীঅঞ্জন দত্ত [নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী (স্বতন্ত্ৰ দায়িত্ব প্ৰাপ্ত) ]য়ে উত্তৰ দিছে :**

(ক) ১৯৯২-৯৩ চনত বিজনী চহৰৰ বাবে নগৰ পৰিকল্পনা শিতানত কোনো টকা ধাৰ্য্য কৰা হোৱা নাই। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ অংশ পালে, কেন্দ্ৰীয় চৰকাৰৰ সাহায্য প্ৰাপ্ত আঁচনি নেহৰু ৰোজগাৰ-যোজনাৰ অধীনত কিছু টকা দিয়াৰ আঁচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে। দৰাচলতে, নগৰ সমিতি সমূহৰ ওপৰতহে উন্নয়নমূলক কামৰ দায়িত্ব ন্যস্ত থাকে।

## বিষয় : মেটেলিং, ব্লেকটপিং

শ্ৰীজীউৰাম বড়োয়ে সুধিছে :

৮১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দৰং জিলাৰ গোমঠাপাৰা, গৰুবন্ধা আৰু টাংনি চাৰিআলি কলাইগাওঁ পথত গ্ৰেভেল দিয়া হৈছে নেকি, কিম্বা মেটেলিং, ব্লেকটপিং কৰা হৈছে নেকি ?

(খ) যদি গ্ৰেভেল দিয়া হৈছে কিমান দীৰ্ঘৰ বাবে কিমান গ্ৰেভেল দিয়া আৰু কিমান দীৰ্ঘ মেটেলিং ব্লেকটপিং কৰা হৈছে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

(খ) গৰুবন্ধা গোমঠাপাৰা পথত ৩ কি:মি:ৰ পৰা ১০ কি:মি: মুঠ ৩৬০ ঘন মিটাৰ শিলগুটি ১৯৯১-৯২ চনত পেলোৱা হৈছে। উক্ত পথত ১ম কি:মি:ৰত মুঠ ৭২০ মিটাৰ পথত পকীকৰণ হৈ গৈছে । ৭ম কি:মি:ৰত ১৬০ মিটাৰ পকীকৰণৰ কাম চলি আছে । টাউনি চাৰিআলি টাউনি কলাইগাওঁ পথৰ ১৮ কি:মি:ৰৰ ভিতৰত ১৬ কিলোমিটাৰত মুঠ ৩২৯.৭৭ ঘন মিটাৰ শিলগুটি পেলোৱা হৈছে । উক্ত ১৮ কিলোমিটাৰত ১.৬৬ কিলোমিটাৰ পথ ইতিমধ্যে পকীকৰণ হৈ উঠিছে আৰু ১৯৯১-৯২ চনত নিম্নতম চাহিদা আঁচনিত (Tribal Sub plan) ০.৭১ কিলোমিটাৰ পথ পকীকৰণৰ বাবে লোৱা হৈছে। তাৰ ভিতৰত ০.৫৩ কিলোমিটাৰৰ কাম প্ৰায় শেষ হৈছে। বাকী ০.১৮ কিলো-মিটাৰৰ কাম ইতিমধ্যে আৰম্ভ হৈছে । এপ্ৰিল মাহ মানত এই কাম সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে ।

## বিষয় : খোৱা পানী আঁচনি ।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

৮২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰপেটা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাৰ অধীনত তলত উল্লেখ কৰা আঁচনি সমূহ কাৰ্য্যকৰী কৰণৰ বাবে চৰকাৰে কোন

চনত সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু প্ৰতিটো আঁচনিৰ বিপৰীতে কিমান টকা ধাৰ্য্য কৰা হৈছে ?

১) অঞ্চলী খোৱা পানী যোগান আঁচনি ।
২) কাৰহানা খোৱা পানী যোগান আঁচনি ।
৩) টকুৰাকুছি খোৱা পানী যোগান আঁচনি ।
৪) গধুলীগাওঁ খোৱা পানী যোগান আঁচনি ।
৫) ককলাবাৰী খোৱা পানী যোগান আঁচনি ।

খ) উক্ত আঁচনি সমূহৰ কাম সম্পূৰ্ণ কৰা হৈছে নে ?

গ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

ঘ) বৰ্ত্তমান প্ৰতিটো আঁচনিৰ কামৰ অগ্ৰগতি কিমান শতাংশ ?

ঙ) আঁচনি সমূহ কেতিয়া সম্পূৰ্ণ কৰা হব ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক)

| আঁচনিৰ নাম | সিদ্ধান্ত লোৱা বছৰ | ধাৰ্য্য কৰা ধনৰ পৰিমাণ |
|---|---|---|
| ১) অঞ্চলী | ১৯৮৬-৮৭ | ৯,০৯,০০০ ০০ টকা |
| ২) কাৰহানা | ঐ | ৮,১৬,০০০.০০ টকা |
| ৩) টকুৰাকুছি | ঐ | ৯,৯৭,০০০.০০ টকা |
| ৪) গধুলীগাওঁ | ১৯৮৩-৮৪ | ৮,০৫,০০০.০০ টকা |
| ৫) ককলাবাৰী | ১৯৭৬-৭৭ | ২,৩৫,৩৮০.০০ টকা |

খ) ককলাবাৰী পানী যোগান আঁচনিৰ বাদে বাকী কেইটা আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই । ককলাবাৰী আঁচনিখনো যোৱা আন্দোলনত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈ অচল হৈ আছে ।

গ) ঠায়ে ঠায়ে ভূ-গৰ্ভ শিলাময় হোৱা বাবে আৰু অঞ্চলটোত সময়ে সময়ে অশান্ত পৰিস্থিতি বিৰাজ কৰি থকা বাবে আঁচনি সমূহ ৰূপায়নত পলম হৈছে ।

ঘ)

| আঁচনিৰ নাম | কামৰ অগ্ৰগতিৰ শতাংশ |
|---|---|
| ১) অঞ্চলী | ৮০% |
| ২) কাৰহানা | ৬০% |
| ৩) টকুৰাকুছি | ৮০% |
| ৪) গধুলীগাওঁ | ৬০% |
| ৫) ককলাবাৰী | ১০০% |

ঙ) আৱশ্যকীয় পুঁজি পালে আৰু পৰিস্থিতিৰ উন্নতি হলে ১৯৯৩-৯৪ বিত্তীয় বছৰত অঁাচনি সমূহৰ যোগেদি খোৱা পানীৰ যোগান ধৰাৰ যত্ন কৰা হ'ব।

বিষয় ঃ আনটাইড ফাণ্ড।

শ্ৰীযতীন মালীয়ে সুধিছে :

৮৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯২-৯৩ বিত্তীয় বছৰত আনটাইড ফাণ্ডত কিমান টকা ধাৰ্য্য কৰিছে ?

খ) গুৱাহাটী মহকুমাৰ বাবে কিমান টকা দিবলৈ ঠিৰাং কৰিছে ?

গ) ১৯৯১-৯২ বিত্তীয় বছৰত গুৱাহাটী মহকুমাৰ নামত দিয়া আনটাইড ফাণ্ডৰ টকা কামৰূপ জিলা প্ৰশাসনে উলিয়াই নিদিয়াৰ ফলত মহকুমাটোৰ উন্নয়নত বাধা হোৱাটো জানেনে ?

ঘ) আনটাইড ফাণ্ডৰ টকা খিনি চিভিল ডিপোজিত হেড্‌ত জমা কৰি ৰখাটো সঁচানে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৯২-৯৩ চনত বিত্তীয় বছৰত আনটাইড ফাণ্ডৰ বাবে কোনো টকা ধাৰ্য্য কৰা হোৱা নাই।

খ) জনা নাযায়।

গ) এই ফাণ্ডৰ ( Fund ) ৰ টকা নোপোৱাৰ কাৰণে মহকুমাটোৰ উন্নয়নৰ কামৰ অগ্ৰগতি সন্তোষজনক নহয়।

ঘ) আনটাইড ফাণ্ডৰ টকা পোৱা নাই। এই ফাণ্ডৰ আবন্টিত ধন উপ'যুক্ত মহোদয়ৰ জৰিয়তেহে মুকলি কৰি দিয়া হয়। সেয়ে চিভিল ডিপোজিতৰ বিষয়ে তেখেতেহে জানিব।

বিষয় ঃ শিমলাবাৰী পশু চিকিৎসালয়।

শ্ৰীপানীৰাম ৰাভা য়ে সুধিছে :

৮৪। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰমা সমষ্টিৰ শিমলাবাৰী, নয়নবস্তি পশু চিকিৎসালয় আৰু নদবচৰা পশু চিকিৎসালয় নিৰ্মানৰ বিষয়ে চৰকাৰ অবগতনে ?

(খ) যদি অবগত বৰ্তমানে উক্ত চিকিৎসালয় নিৰ্মাণৰ কাম কি অৱস্থাত আছে ?

শ্ৰীজগন্নাথ সিন্‌হা ( পশু পালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় অবগত।

(খ) নয়া বস্তি প্ৰাথমিক পশু চিকিৎসা কেন্দ্ৰ নিৰ্মানৰ কাৰ্য্য সম্পূৰ্ণ হৈছে। চলিত ১৯৯২-৯৩ বৰ্ষত পদসমূহৰ মঞ্জুৰী নোপোৱাৰ কাৰণে বিষয়া কৰ্মচাৰী সকলৰ নিযুক্তি দিব পৰা নাই।

দেৰচৰাত পশু চিকিৎসালয়ৰ চিকিৎসকৰ বাসভৱনৰ বাবে ১৯৯১-৯২ চনত চৰকাৰী অনুমোদন পোৱা হৈছিল। বৰ্তমান এই বাস ভৱন নিৰ্মানৰ কাম চলি আছে।

## ৰিষয় : খেলা ধূলাৰ সামগ্ৰী বিতৰণ

শ্ৰীপ্ৰনৱ কুমাৰ নাথ জিজ্ঞাসা কৰ়েছেন :

৮৫। মাননীয় ক্ৰীড়া আৰু যুৱকল্যান বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) ১৯৯১-৯২ বিত্তীয় বছরে সমগ্ৰ আসামে সৰ্বমুঠ কতটাকার খেলা-ধূলাৱ সামগ্ৰা বিভিন্ন Club/ক্ৰীড়া সংস্থাকে বিতরন করা হয়েছে ?

শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯১ বিত্তীয় বছৰত ১৮,৭৭০০০.০০ ( ওঠৰ লাখ সাতসত্তৰ হাজাৰ ) টকাৰ খেলা ধূলাৰ সামগ্ৰী বিভিন্ন ক্লাব আৰু ক্ৰীড়া সন্থাৰ মাজত বিতৰণ কৰা হৈছে।

## Re ; Bilasipara I. B. Mayarchar Road.

Shri Giasuddin Ahmed asked :

86. Will the Minister of Public Works Department be pleased to state :

(a) Whether the Bilasipara I. B. to Mayarchar Road taken-up by the department more than two decades back under Minimum Need Programme has been completed ?

(b) If not, why ?

(c) What is the total amount of fund placed at the disposal of the Dhubri (Roads) Division for construction of new roads and repair, extension, improvement and metalling of existing roads during the last two financial year ?

( Please give the amounts category wise )

Shri Sarat Borkatoki (Minister of State, P.W.D.) replied :

(a) Only a part of 8·89 Km. has already been completed.

(b) Work in the remaining length could not be taken-up due to non-inclusion of the Scheme under M.N.P. since 1989-90.

(c)

| | | 1990-91 | 1991-92 |
|---|---|---|---|
| (i) | '3054' M & R | Rs. 51,25,403/- | Rs. 39,39,818/- |
| (ii) | '5054' MNP & OMNP. | Rs. 90,59,000/- | Rs. 82,00,000/- |

## বিষয় : নগাৰাজ্যৰ সীমান্তৰৰ্তীৰ আঁচনি ।

শ্ৰীমতী ৰুপম কুৰ্মীয়ে সুধিছে :

৮৭। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : চলিত বছৰত মৰিয়নী সমষ্টিৰ নগা ৰাজ্যৰ সীমান্তৰৰ্তী অঞ্চলত কেইটা শিক্ষানুষ্ঠানৰ ঘৰ সজাৰ আঁচনি লোৱা হৈছে ?

শ্ৰীজগৎ পাটগিৰি ( সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

চলিত বছৰত মৰিয়নী সমষ্টিত এটাও শিক্ষানুষ্ঠানৰ ঘৰ সজাৰ আঁচনি লোৱা হোৱা নাই ।

## বিষয় : পৰিকল্পনাৰ ধন আৰু ব্যয়

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

৮৮। মাননীয় পৰিকল্পনা আৰু উন্নয়ম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) পৰিকল্পনাৰ বাবে তলত দিয়া বছৰসমুহত কিমান টকা ধাৰ্য্য হৈছিল আৰু প্ৰকৃত ব্যয় কিমান হৈছিল ?

| বছৰ | পৰিকল্পনাৰ বাবে মঞ্জুৰী ধন | প্ৰকৃত ব্যয় |
|---|---|---|
| ১৯৮৩-৮৪ | | |
| ১৯৮৪-৮৫ | | |
| ১৯৮৫-৮৬ | | |
| ১৯৮৬-৮৭ | | |
| ১৯৮৭-৮৮ | | |
| ১৯৮৮-৮৯ | | |
| ১৯৮৯-৯০ | | |
| ১৯৯০-৯১ | | |
| ১৯৯১-৯২ | | |
| ১৯৯২-৯৩ | | |

(খ) ওপৰোক্ত বছৰসমূহত পৰিকল্পনাৰ ধন অন্য শিতানত ( পৰিকল্পনাৰ বহিৰ্ভূত ) ব্যয় হৈছিল নেকি ? যদি হৈছিল তেন্তে বছৰ ভিত্তিক তাৰ হিচাপ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৩-৮৪ চনৰ পৰা ১৯৯২-৯৩ চনলৈকে পৰিকল্পনাৰ শিতানত ধাৰ্য্য কৰা ধনৰ পৰিমান আৰু প্ৰকৃত ব্যয় এনে ধৰণৰ :

| বছৰ | পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ধন | ( কোটি হিচাবত ) প্ৰকৃত ব্যয় |
|---|---|---|
| ১৯৮৩-৮৪ | ২৯১·০০ | ২৯০·০০ |
| ১৯৮৪-৮৫ | ৩৬০·০০ | ৩৫৬·৪০ |
| ১৯৮৫-৮৬ | ৪১০·০০ | ৪০০·৯২ |
| ১৯৮৬-৮৭ | ৫০০·০০ | ৪৯৯·০২ |
| ১৯৮৭-৮৮ | ৫৭৫·০০ | ৫৭২·৪০ |
| ১৯৮৮-৮৯ | ৬১৪·২৫ | ৪১৬·১০ |
| ১৯৮৯-৯০ | ৬৩৫·০০ | ৬২৬·০০ |
| ১৯৯০-৯১ | ৬৭৫·০০ | ৫৯৬·৫৭ |
| ১৯৯১-৯২ | ৮০০·০০ | ৬৯৫·৫০ |
| ১৯৯২-৯৩ | ৯৬০·০০ | ৩৯১·৪৮ |

( ডিচেম্বৰ মাহলৈকে )

(খ) ওপৰোক্ত বছৰ সমূহৰ ব্যয়ৰ হিচাবৰ পৰা দেখা যায় যে ১৯৮৩-৮৪ চনৰ পৰা ১৯৮৭-৮৮ চনলৈকে পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ধনৰ প্ৰায় বেছি ভাগ ধনেই ব্যৱহৃত হৈছে।

১৯৮৮-৮৯ চনত বাৰ্ষিক পৰিকল্পনাৰ আয়তন ৬১৪.২৫ কোটি টকাৰ পৰা ৫১৪.২৫ কোটি টকালৈ হ্ৰাস কৰা হৈছিল।

১৯৯০-৯১ চনত বাৰ্ষিক পৰিকল্পনাৰ আয়তন ৬৭৫ কোটি টকাৰ পৰা ৬৩২.৬২ কোটি টকালৈ হ্ৰাস কৰা হৈছিল।

১৯৯১-৯২ চনত মুঠতে ৩৫ কোটি টকা পৰিকল্পনাৰ শিতানৰ পৰা পৰিকল্পনা বহিৰ্ভূত শিতানৰ ঘাটি পূৰণৰ বাবে দিয়া হৈছিল।

১৯৯২-৯৩ চনৰ হিচাব বিত্তীয় বছৰটো শেষ হোৱাৰ পিচতহে দিব পৰা যাব।

## বিষয় ঃ ধুবুড়ী কাৰ্য্যবাহী অভিযন্তার বিভাগে ঠিকাদারের টাকা।

শ্ৰীধ্ৰুব কুমার সেন জিজ্ঞাসা করছেন :

৮৯। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি :

ক) ধুবুড়ী কাৰ্য্যবাহি অভিযন্তার ( PWD. Road ) বিভাগের কাছে, ঠিকাদারের সৰ্ব্বমোট কত টাকা পাইবে ও তাহা কোন কোন শিতানে ( Heads ) আছে ?

খ) যদি থাকে তাহা হইলে এই অৰ্থ বৎসরে দেওয়া হবে কি ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ( ভৈয়াম ) য়ে উত্তৰ দিছে :

ক) যোৱা ৫-৩-৯৩ ইং তাৰিখলৈকে ধুবুৰী গড়কাপ্তানী পথ সংমণ্ডলত সৰ্বমুঠ ৯৩.৬৭ লাখ টকা ঠিকাদাৰ সকলৰ পাব লগা ধন আদায় দিবলৈ বাকী আছে।

ইয়াৰ বিভিন্ন শিতানত পাব লগা টকা এনে ধৰনৰ :

(১) ৩০৫৪ ( মেৰামতি শিতানত ) — ৫০.২৫ লাখ

(২) ৫০৫৪ (ন্যূন্যতম চাহিদা আঁচনিত) — ২৮.৪৫ লাখ

(৩) ২২৪৫ ( বানপানী ক্ষতিগ্ৰস্ত মেৰামতি শিতান) — ১০.৫২ লাখ

(৪) ৭৯৯ ( সন্তাৰ ) — ৪.৪৫ লাখ

সৰ্বমুঠ — ৯৩.৬৭ লাখ

খ) পুঁজি সাপেক্ষে বিবেচনা কৰা হব ।

## বিষয় ঃ বন সংমণ্ডল-ৰাজহ আদায় ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

৯০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ডিগবৈ বন সংমণ্ডৰ পৰা যোৱা বছৰ কিমান টকা ৰাজহ আদায় হৈছে ?

খ) ১৯৯০ চনৰ সংগৃহীত ৰাজহৰ তুলনাত ই কম নে বেছি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ৪০.৫৭ লাখ টকা ৰাজহ আদায় হৈছে ।

খ) বেছি ।

## বিষয় ঃ রাতাবাড়ী সমষ্টির পূর্ত্ত বিভাগের মেরামতি ।

শ্রীরামপ্যারে রবিদাস জিজ্ঞাসা করছেন :

৯৬। মাননীয় পূর্ত্তবিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবেন কি :

ক) রাতাবাড়ী সমষ্টির প্রধান ৩ টি পূর্ত্তবিভাগের সড়ক (১) আনপুর অলিভিয়াছড়া রোড (২) কালিবাড়ী কদমতলা রোড (৩) চরগোলা কংপুৰ রোড সংশ্লিষ্ট বিভাগ কর্ত্তক প্রয়োজনীয় মেরামতির অভাবে বৎসরে প্রায় ৬ মাস যান বাহন ও মোটৰ চলাচল বন্ধ থাকে, সরকার এই ব্যাপরে অবগত আছেন কি ?

খ) যদি অবগত আছেন তবে এই সড়ক গুলোর প্রয়োজনীয় মেরামতির ব্যাপরে সরকার কি পদক্ষেপ গ্রহণ করছেন ?

Shri Sarat Borkatoki ( State Minister P.W.D. (plan) ) replied :

a) Yes, the Anipur oliviachera, Kadamtala Kalibari and Chargola Ranpur roads are three main roads links in Ratabari Constituency. If not correct to say

that these roads remain closed for vehicular traffic for about six month in a year, due to inadequate maintenance.

b) Due to inadequency of fund under 'Repairs' grant, though intended, essential repairs of these roads would not be taken up. Some works in raising the formation and gravelling in stretches of Anipur oliviachera road was carried out during 1991-92. Gravelling were also done in all these 3 ( three ) roads during early part of 1992-93. Subject to the availibility of fund, these roads can be improved in phased manner for ensuring traffic movement without interruption through the year.

### বিষয় ঃ জনস্বাস্থ্য কাৰিকৰী আঁচনি।

শ্ৰীকমল ব্ৰহ্মই সুধিছে :

৯২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯২-৯৩ চনত বিজনী সমষ্টি খনৰ কিমানখন জনস্বাস্থ্য আঁচনি নিৰ্মাণ কৰাৰ আঁচনি লৈছে।

(খ) অনুসূচীত জনজাতি, অনুসূচিত আৰু সাধাৰণ লোকৰ বাবে লোৱা আঁচনিৰ তালিকা সদনৰ মেজত দাখিল কৰিব ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) এতিয়ালৈ ৭ টা দমকল বহুৱাৰ অনুমোদন ইতিমধ্যে দিয়া হৈছে। তদুপৰি আগেয়ে অনুমোদন হৈ থকা ৪৭ খন পাইপেৰে পানী যোগান ধৰা আঁচনিৰ কাম চলাই থকা হৈছে।

খ) আঁচনিবোৰৰ তালিকা ১নং সংলগ্ন মতে গাঁথি দিয়া হ'ল।
(See the Annexure—VII)

## বিষয় ঃ ভাৰতত নির্মিত ৰিদেশী সুৰা (IMFL) ৰ খুচুৰা বিক্ৰী।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

৯৩। মাননীয় আবকাৰী ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীত ভাৰতত নির্মিত বিদেশী সুৰা (IMFL) ৰ খুচুৰা বিক্ৰী দোকানৰ নতুনকৈ 'অনুজ্ঞা পত্ৰ' দিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে নেকি?

(খ) যদি কৰিছে, মুঠতে কিমানখন অনুজ্ঞা পত্ৰ দিয়া হ'ব?

(গ) ইয়াৰ ফলত চৰকাৰৰ ৰাজকোষলৈ বছৰি কিমান টকা আহিব?

(ঘ) এনেবোৰ অনুজ্ঞা পত্ৰ দিয়াৰ ক্ষেত্ৰত কি নীতি অৱলম্বন কৰা হ'ব?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ২১ খন।

(গ) বছৰি প্ৰায় ৫·০০ কোটি টকা।

(ঘ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় ঃ অসম সুৰক্ষা ৰাহিনীত নিযুক্তি।

শ্ৰীসুৰেন স্বৰ্গীয়াৰী য়ে সুধিছে :

৯৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯২-৯৩ ইং চনত কিছুমান প্ৰাৰ্থীক 'অসম বন সুৰক্ষা বাহিনীত' নিযুক্তি দিয়া কথাটো সঁচানে।

খ) নিযুক্তি পোৱা সকলৰ ভিতৰত এচ, টি/এচ, চি আৰু ও, বি, চি প্ৰাৰ্থী কিমান জন? (নিযুক্তি পোৱা সকলৰ নাম ও ঠিকনা সহকাৰে তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সঁচা।

খ) নিযুক্তি পোৱা সকলৰ ভিতৰত

| | | | | |
|---|---|---|---|---|
| ১) | অনুসূচিত জনজাতি | ( এচ, টি ) — | ২০ | জন। |
| ২) | অনুসূচিত জাতি | ( এচ, চি ) — | ১২ | জন। |
| ৩) | অনুন্নত শ্ৰেণী | ( ও, বি, চি ) — | ৯৩ | জন। |
| ৪) | সাধাৰণ শ্ৰেণী | ( জেনেৰেল ) — | ৭৫ | জন। |
| | | সৰ্ব্বমুঠ— | ২০০ | জন। |

ওপৰোক্ত নিযুক্তি পোৱা আৱক্ষী সকলৰ নাম আৰু ঠিকনা গাঁঠি দিয়া হ'ল। ( See the Annexure—VIII )

## বিষয় ঃ এল, ও, চি চিছ্‌টেম্‌।

শ্ৰীযতীন মালীয়ে সুধিছে :

৯৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বিত্ত বিভাগত এল, ও, চি চিছ্‌টেম্‌ কেতিয়াৰ পৰা প্ৰচলন কৰা হৈছে ?

খ) বৰ্ত্তমানলৈ এল, ও, চি কোন কোন বিভাগত চলিত বিত্তীয় বছৰত কিমান দিয়ে ?

শ্ৰীজীৱকান্ত গগৈ ( বিত্ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৭২ চনৰ পৰা।

খ) ১-৪-৯২ তাৰিখৰ পৰা ১৫-৩-৯৩ তাৰিখলৈকে বিভিন্ন বিভাগক এল, ও, চি প্ৰথাৰ জৰিয়তে তলত উল্লেখিত পৰিমাণৰ পুঁজি দিয়া হয়।

১) পৰিকল্পনাৰ শিতানত— ২৭৫৮৫.৯৬ লাখ টকা।

২) পৰিকল্পনা বহিঃভূ্ত শিতানত— ২১৬০৬.৯০ লাখ টকা।

## বিষয় ঃ ধমধমা উত্তৰকুছী P. W. D. পথ।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

৯৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমা সমষ্টিৰ ধমধমা উত্তৰকুছী P.W.D. পথটো পকীকৰণৰ ব্যৱস্থা কৰিবনে ?

(খ) যদি কৰে, কেতিয়া কৰিব ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) এই পথটোৰ প্ৰকৃত নাম হ'ল ধমধমা ঢুপলিয়া সুৰনখাটা পথ। এই পথটো আংশিক ভাবে পকীকৰণ কৰি থকা হৈছে।

(খ) আঁচনিৰ অন্তঃভুক্ত এই পথটোৰ কিছু অংশৰ কাম সম্পূৰ্ণ হৈছে আৰু কিছু অংশৰ কাম বৰ্তমানেও চলি আছে। অসম্পূৰ্ণ কামখিনি অহা তিনি মাহ মানৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰিব পাৰি। কিন্তু সম্পূৰ্ণ পথটো পকীকৰণৰ আঁচনি বৰ্তমানে নাই।

## বিষয় : পশু চিকিৎসালয় স্থাপন।

শ্ৰীকমল ব্ৰহ্মাই সুধিছে :

৯৭। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯২-৯৩ চনত বিজনী মহকুমাত জনজাতি উপ পৰিকল্পনাত পশু চিকিৎসালয় স্থাপন কৰাৰ আঁচনি আছে নেকি ?

(খ) যদি আছে, ক'ত ক'ত স্থাপন কৰা হ'ব ?

শ্ৰীজগন্নাথ সিনহা ( পশু পালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় : বৰপেটাৰ পৰা গুৱাহাটীলৈ ৰাস্তাৰ দলং।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৯৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰপেটাৰ পৰা হাজো-দৌলাশাল হৈ গুৱাহাটীলৈ থকা P.W.D. ৰাস্তাত কিমানখন দলং আছে ( পকী কিমান আৰু কাঠৰ কিমান ) ?

(খ) উক্ত ৰাস্তাত কাঠৰ দলং সমূহ মেৰামতিৰ বাবে ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত কিমান টকা খৰচ কৰা হৈছে ?

(গ) উক্ত ৰাস্তাত নিৰ্মাণ কৰিব লগা পকী দলং সমূহৰ কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব ?

(ঘ) উক্ত ৰাস্তাত বৰ্তমানে যাত্ৰীসহ মটৰ গাড়ীৰ যাতায়ত বন্ধ থকা দলং সমূহৰ মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মুঠ ২২ খন দলং আছে, পকী দলং ৩ খন আৰু কাঠৰ দলং ১৯ খন।

(খ) দলঙৰ মেৰামতিৰ বাবদ ১৯৯১-৯২ চনত ১১.০৮ লাখ টকা আৰু ১৯৯২-৯৩ চনত ১১.৯৪ লাখ টকা খৰছ কৰা হৈছে।

(গ) নিৰ্মাণৰ বিভিন্ন স্তৰত থকা ৮ খন পকী দলঙৰ কাম বিত্তীয় অনুদান সাপেক্ষে ১৯৯৪ চনৰ মে মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ আশা কৰিব পাৰি।

(ঘ) উক্ত ৰাস্তাৰ ( হাজো, মুকালমুৱা, দৌলাশাল ) পাগলাদিয়া নৈৰ ওপৰত থকা কাঠৰ দলং ( আদাবাৰী দলং ৮/২ নং ) খনৰ অৱস্থা ভাল নোহোৱাৰ বাবে দলঙৰ ওপৰেদি যাত্ৰীসহ বাছ চলাচলৰ নিয়ন্ত্ৰণ কৰা হৈছে যদিও দুয়োপাৰে নমাই খালি বাছ পাৰাপাৰ কৰা হৈ আছে। অৱশ্যে ইতিমধ্যে দলংখনৰ মেৰামতিৰ ব্যৱস্থা কৰা হৈছে। বাকী থকা অন্য কাঠৰ দলং সমূহৰ কাৰণে এনে নিয়ন্ত্ৰণ ব্যৱস্থা নাই।

## বিষয় : ইনটেনচিভ কেতেল ডেভেলপমেণ্ট প্ৰজেক্ট।

শ্ৰীপ্ৰণব কুমার নাথ জিজ্ঞাসা করছেন :

৯৯। মাননীয় পশু পালন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) করিমগঞ্জ জিলার রাম কৃষ্ণ নগরের হরিনগরে ইনটেনচিভকেতেল ডেভেলপমেণ্ট প্রজেক্ট এবং প্রধান কার্য্যালয় স্থাপন করার বিষয়ে বর্তমান কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন ?

(খ) বর্তমান অর্থ বছরে ইহা কার্য্যকরী করার ব্যবস্থা করাবেন কি ?

শ্রীজগন্নাথ সিন্‌হা ( পশু পালন বিভাগের মন্ত্রী ) উত্তর দিছেন :

(ক) এখন পর্য্যন্ত এই বিষয়ে কোনো প্রস্তাব নেই।

(খ) প্রশ্ন উঠেনা।

## বিষয় : গড়কাপ্তানী বিভাগৰ ৰাস্তা পকীকৰণ।

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে :

১০০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) টীয়ক নামচেচু আলি, বৈছাহাবি বাগিচাৰ পৰা নামচেচু গীৰ্জাঘৰলৈ প্ৰায় ৫ কিলোমিটাৰ গড়কাপ্তানী বিভাগৰ অধীনস্থ ৰাস্তা পকীকৰণ কৰাৰ ব্যৱস্থা ল'বনে ?

(খ) চেলেংহাট আৰু কলিয়া পানীক সংযোগ কৰা গড়কাপ্তানী আলিটো পকীকৰণৰ ব্যৱস্থা হাতত ল'বনে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) টীয়ক নামচেচু আলি, বৈছাহাবি বাগিছাৰ পৰা নামচেচু গীৰ্জাঘৰলৈ প্ৰায় ৫ কিলোমিটাৰ পথ পকীকৰণৰ কোনো আঁচনি ৰৰ্তমান নাই।

(খ) চেলেংহাট আৰু কলিয়াপানীৰ সংযোগী পথৰ পকীকৰণৰ আঁচনি বৰ্তমান নাই।

## POINT OF ORDER

Mr. Speaker : Now, Question Hour is over.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰুলচ্ অব প্ৰচিডিওৰ এণ্ড কণ্ডাক্ত অৱ বিজিনেচ ইন আচাম লেজিচলেটিভ এচেম্বলি'ৰ ৰুল ৩০০ য়ে পইন্ট অৱ অৰ্ডাৰ উত্থাপন কৰাৰ সুবিধা দিছে। ৰুল ৩৭ য়ে ইয়াত প্ৰশ্ন সোধাৰ ক্ষেত্ৰত কি কি সুবিধা থাকিব পাৰে এই সম্পৰ্কে উল্লেখ কৰিছে, এই সম্পৰ্কে বিভিন্ন প্ৰশ্ন সোধাৰ সদস্যসকলৰ যি অধিকাৰ তাক পৰীক্ষা কৰি এই বিলাক সম্পূৰ্ণ কৰাৰ সুবিধা দিছে। আজি সদনত ৭৫ নং তৰা বিহিন এটা প্ৰশ্ন আছে। এই প্ৰশ্নটোৱে প্ৰশ্ন সোধাৰ সকলো কাৰণ সম্পূৰ্ণ কৰিছে ৰুল ৩৭ নং মতে! সেই কাৰণে প্ৰশ্ন উত্থাপন কৰিলে মন্ত্ৰীয়ে উত্তৰ দিয়াৰ সুবিধা পাইছে। ৭৫ নং প্ৰশ্নৰ লিখিত উত্তৰত মন্ত্ৰী ডাঙৰীয়াই ভোটাৰ তালিকা সম্পৰ্কত চি, ই, চি য়ে বিভিন্ন সময়ত দিয়া চিঠি/নিৰ্দ্দেশ সদনৰ মেজত দাখিল কৰিবনে ? মন্ত্ৰীয়ে উত্তৰ দিছে ভোটাৰ তালিকা সম্পৰ্কত চি, ই, চিয়ে দিয়া চিঠি/নিৰ্দ্দেশ,

যিহেতু গোপনীয় আৰু বিশেষাধিকাৰ ধৰণৰ আৰু এই সম্পৰ্কত চি, ই, চি ৰ আগতীয়া অনুমোদনৰ আৱশ্যক হব সেই বাবে এনে চিঠি/নিৰ্দ্দেশ সদনৰ মেজত দাখিল কৰা সম্ভৱ নহব। অধ্যক্ষ মহোদয়, তেখেতে ৰুল ৩৭ (১৯) সহায় লব পাৰিলেহেঁতেন! কিন্তু ইয়াতো গোপনীয়তাৰ স্বকীয়া সিদ্ধান্ত নাই। সেই কাৰণে উত্তৰ নিদিয়াকৈ থাকিব নোৱাৰে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিধান সভাৰ সদস্যৰ যি অধিকাৰ তাক খৰ্ব কৰিছে, অৱমাননা কৰিছে। এই ক্ষেত্ৰত আমি অধ্যক্ষ মহোদয়ৰ পৰা 'ৰুলিং' বিচাৰিছো যাতে প্ৰশ্নৰ উত্তৰ দিবৰ কাৰণে নিৰ্দ্দেশ দিয়ে।

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই ভোটাৰ তালিকা এটা গুৰুত্বপূৰ্ণ বিষয় আহি পৰিছে। মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে আমাক চিঠিৰে সৰ্ব্বদলীয় সভালৈ মাতিছিল আৰু কৈছিল যে মুখ্য নিৰ্ব্বাচনী আয়ুক্তৰ চাৰ্কোলাৰ আছে। এই চাৰ্কোলাৰ জিলা বিলাকে পাইছে নে নাই। তেখেতক আমি সোধাত সেইখন গোপনীয় বুলি কৈছিল। পিছত আমি ধৰাত তেখেতে মুখ্য সচিব শ্ৰীহৰেণ দাসৰ জৰিয়তে এই চাৰ্কোলাৰ খন পঢ়ি দিছিল। আমাৰ গোটেই বিলাক কথা মনত নাই আমি 'কম্পিউটাৰ নহয়, সেয়ে ইয়াৰ এটা কপি দিব লাগে বুলি কৈছিল। এইটো কথা অস্পষ্ট হৈছে, ইয়াৰ এটা ৰুলিং দিব লাগে।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, চৰকাৰে উত্তৰ দিছে নিৰ্ব্বাচনী চাৰ্কোলাৰ গোপনীয়। সেয়ে গোপনীয় হলেও নিৰ্ব্বানী আয়োগে ভোটাৰ তালিকা সংশোধনৰ ক্ষেত্ৰত যি বিলাক নিৰ্দ্দেশ জাৰি কৰিছে সেই নিৰ্দ্দেশ বিলাক তেখেত সকলে বাতৰি কাকতত চাৰ্কোলেত কৰিছে। আমি যোৱা নবেম্বৰ মাহত নিৰ্ব্বাচনী আয়ুক্ত মিঃ ছেচনক লগ কৰিছিলো তেখেতক মই সুধিছিলো আপুনি যি নিৰ্দ্দেশ দিছিল সেই নিৰ্দ্দেশ বিলাক গোপনীয় নেকি? তেখেতে কৈছিল গোপনীয় নহয়। অসম সম্পৰ্কে নৱেম্বৰ মাহত যিখন আলোচনা হৈছিল তাত মই নিজে, এম, পি শ্ৰীভদ্ৰেশ্বৰ বুঢ়াগোঁহাই আৰু শ্ৰীতাৰা প্ৰসাদ ভট্টাচাৰ্য্য আছিল। আমি সুধিছিলো এইখন চিঠি প্ৰকাশ কৰিলে কিবা আপত্তি আছে নেকি, কিন্তু আমাক নাই বুলি জনাইছিল। এই খিনি কথা কেইবাখনো কাকতত প্ৰকাশ পাইছে গতিকে ভোটাৰ তালিকা সংক্ৰান্তত যি বিলাক নিৰ্দেশ আছে আৰু যদি চৰকাৰে গোপনীয় বুলি কৈছে

* Speech not corrected.

এইটো দুৰ্ভাগ্য কথা। ইতিমধ্যে যিটো গাইড লাইন সৰ্বদলীয় মিটিংত সকলো দলকে চাৰ্কোলেত কৰি নবেম্বৰ মাহতে দিছে। গতিকে এইটো গোপনীয় নহয়। এই নিৰ্দেশ বিলাক সদনত গোপনীয় বুলি দাখিল নকৰাটো উচিৎ হোৱা নাই। শ্ৰীমহন্ত ডাঙৰীয়াক মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে নিৰ্বাচনী আয়োগৰ অনুমতি লব লাগিব, তেতিয়াহলে লওঁক। সেই কাৰণে গোপনীয় বুলি কৈ সদনত দাখিল নকৰাটো সদনত সদনৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে।

*Shri Golok Rajbangshi (Minister) : Speaker to decide admissibility, Under Rule 38(1) The Speaker shall decide whether a question, or a part thereof, is or is not admissible under these rules and may disallow any question which, or a part thereof, when in his opinion, it is an abuse of the right of questioning or is calculated to obstruct or prejudicially affect the procedure of the House or is in contravention of these rules.

*Shri Zoii Nath Sarma : You cann't question the authority of the Speaker. Mr. Speaker, Sir, We want justice from you. You should be fair to us, sir.

*Shri Golok Rajbangshi (Minister, Parliamentary Affairs) : Rule 19 of the Rules of Procedure & Conduct of Business in Assam Legislative Assembly states "It shall not seek information about matters, which in their are secret, such as, decisions of proccedings of the Cabinets, advice given to the Governor by Law officers and other subjects, the disclosure of which is against public interest. These are tabled, so Speaker is to decide.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সংসদ সদস্য গৰাকীয়ে যিটো ৰুলজৰ কথা কৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিটিঙত অল পাৰ্টিক আহ্বান কৰিছিল। সেই মিটিঙত কিছুমান বস্তু দিয়া আছে সেইবোৰ মিটিঙত দিব পাৰে। কিন্তু এই পবিত্ৰ সদনত দিব নোৱাৰা কাৰণ কি? মাননীয় সদস্য সকলৰ ক্ষেত্ৰত এই সদনত দিয়াৰ ৰাইট নাই নেকি? এই

* Speech not corrected.

প্ৰশ্নটো উত্থাপন কৰোতে এইটো কভাৰ হৈছে। মাননীয় সদস্য সকলে পাব্লিক ইন্টাৰেষ্টৰ কাৰণে কাম কৰিব লাগে। আইন মানে এনেকুৱা পাব্লিক ইন্টাৰেষ্টৰ কাৰণে কাম কৰা কিছুমান নিয়ম পাৰ্লিয়ামেণ্ট এক্‌য়াৰ্চ'ত ৰাখিছে। তেখেতে ১০ মিনিটৰ ভিতৰত এই পবিত্ৰ সদনত বিষয়টো দাঙি ধৰিবৰ কাৰণে ৰুলিং পাৰ্টিয়ে দাবী কৰিব পাৰে।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, চিক্ৰেট ডকুমেণ্টচবিলাক বিশ্বাসত কেতিয়াবা ৰাইজৰ প্ৰতিনিধিক দেখুওৱা হয়। সদনত নহয়, মন্ত্ৰীৰ চেম্বাৰত। মুখ্যমন্ত্ৰীৰ কাৰ্য্যালয়ত দেখুওৱা হ'ব। এইখন এখন চিক্ৰেট মিটিং আছিল। ৰাইজৰ প্ৰতিনিধি সকলক বিশ্বাসত নোলোৱাৰ কোনো কাৰণ হ'ব নোৱাৰে। নিৰ্বাচনী আয়ুক্তৰ পৰা অনুমতিৰ অবিহনে যদি চিক্ৰেট ডকুমেণ্টচ খিনি দেখুৱাব লাগে তেন্তে মই দেখুৱাম।

*শ্ৰীঅতুল বৰা: মাননীয় অধ্যক্ষ মহোদয়, সৰ্বদলীয় সভাত যদি দেখুৱাব পাৰে তেন্তে এই সদনত কিয় চাবলৈ দিব নোৱাৰে? উক্ত কথাটো বাইনডিং কৰিব নোৱাৰে ইয়াৰ আগতে ক'ব লাগিছিল। আমি ৰাইজৰ প্ৰতিনিধি হিচাবে নিৰ্বাচিত হৈ ইয়ালৈ আহিছো। আমাক কিয় বিশ্বাসত ল'ব নোৱাৰে?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য সকলক জনাওঁ যে এই বিষয়ে আগতেই কোৱা হৈছে। আপোনালোকে মোৰ চেম্বাৰত গৈ চাব পাৰে।

Mr. Speaker: I have heard Honourable Member Shri Prafulla Kumar Mahanta, Shri Promode Gogoi, Shri Chandra Mohan Patowary and Minister, Parliamentary Affairs and Honourable Chief Minister, I reserve my ruling.

(Noises from Honourable Members)

শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, এইটো সদনত দিব লাগে। ইয়াত ৰিজাৰ্ভ নাই।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত: মাননীয় অধ্যক্ষ মহোদয়, পলিটিকেল এফায়াৰচৰ ফালৰ পৰা আপোনাক আমি একো কৰিব নোৱাৰো ঠিক কথা। কিন্তু সদনৰ কাম-কাজ ভালদৰে চলাবৰ কাৰণে নিৰ্দেশ দিছে। ডকুমেণ্ট বিলাক ৰিজাৰ্ভ কৰি ৰখাৰ কাৰণে আজি আমি সদন ত্যাগ কৰিছো।

* Speech not corrected.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সংক্ৰান্তত মইও সদন ত্যাগ কৰিছো।

*শ্ৰীভৃগু কুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, আজি অগ্ৰদূত বাতৰি কাকতৰ বাতৰি এটালৈ আমি আটাইবোৰ বিৰোধী দলে চকু কৰি জাননী দিছো। এই বিষয়টো সদনত আলোচনা কৰে যেন। অসম বিধান সভাৰ সদস্য সকলৰ মান মৰ্য্যাদাৰ কথা জড়িত হৈ আছে। আজিৰ সদনত আলোচনাৰ বাবে দিবলৈ মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনালো।

Mr. Speaker : The Zero Hour relating to the Assembly Secretariate submitted by Shri Bhrigu Kumar Phukan has been received at 8-30 A.M. and as per rule it is not admitted. However, you may come to my chamber for discussion.

(Noise from Honourable Member)

I have received but I have not admitted.

(মাননীয় অধ্যক্ষই ইংৰাজীত পাঠ কৰি থকা সময়ত আমাক এটা ডিচিশ্যন দিব লাগে বুলি কৈ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰীভৃগু কুমাৰ ফুকন, শ্ৰীহিতেশ্বৰ ডেকা, শ্ৰীবদন বৰুৱা, শ্ৰীদিলীপ কুমাৰ শইকীয়াই ওৱাক্ আউট কৰি সদনৰ বাহিৰলৈ ওলাই আহে।)

## DISCUSSION DURING ZERO HOUR

শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ তাৰিখে 'আজিৰ অসম' বাতৰি কাকতত ওলাইছে যে একেখন চাৰ্টিফিকেটকে লৈ দুগৰাকী মহিলাই চাকৰি কৰি আছে। আজিৰ সমাজ ব্যৱস্থাত দুগৰাকী মহিলাৰ এজন স্বামী থাকিব পাৰে। কিন্তু এখন চাৰ্টিফিকেট দু-গৰাকী মহিলাৰ থাকিব নোৱাৰে। এইটো আচৰিত কথা যে এখন চাৰ্টিফিকেট লৈয়ে দুগৰাকী মহিলাই চৰকাৰী বিদ্যালয়ত চাকৰি কৰি আছে। এগৰাকীয়ে লক্ষিমপুৰত আৰু আন গৰাকীয়ে গোলাঘাটত। শিক্ষা মন্ত্ৰী মহোদয়ক আমি দৃষ্টিগোচৰ কৰিছো যে শিক্ষা বিভাগত এনেকুৱাই দুৰ্নীতি চলি আহিছে। কাৰণ শিশুৱে বিদ্যালয়ত শিক্ষা লাভ কৰি জ্ঞানী, বিজ্ঞ হয়, যদি তেনে শিক্ষা অনুষ্ঠানতে দুৰ্নীতি চলে তেন্তে জ্ঞানৰ

* Speech not corrected.

মূল্য ক'ত থাকিব ? ভুৱা চাৰ্টিফিকেটৰ দ্বাৰা একেখন চাৰ্টিফিকেটকে লৈ এগৰাকীয়ে লক্ষিমপুৰত আৰু আন এগৰাকীয়ে গোলাঘাট বিদ্যালয়ত চাকৰি কৰি আছে। লক্ষিমপুৰৰ গৰাকীয়ে ১৯৮৭ চনৰ পৰা আৰু গোলাঘাটৰ গৰাকীয়ে তাৰ দুবছৰৰ আগৰ পৰাই চাকৰি কৰি আছে। যদি শিক্ষা বিভাগতেই এনে ধৰণৰ দূৰ্নীতি চলে, শিক্ষা বিভাগতেই যদি এনেধৰণৰ প্ৰৱঞ্চনা চলি থাকে তেন্তে ভবিষ্য প্ৰজন্মৰ ভৱিষ্যত কি হব, সেইটো সহজেই অনুমান কৰিব পাৰি। গতিকে এইটোৰ ক্ষেত্ৰত মই শিক্ষা মন্ত্ৰীৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে ইয়াৰ ওপৰত এটা বিহিত ব্যৱস্থা গ্ৰহণ কৰে, তাৰ দাবী জনাইছো।

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, জাল চাৰ্টিফিকেট সংক্ৰান্তত আৰু কথা আছে। নৈশ শাখাত ক্লাচ কৰা এম. বি, এ, কোৰ্চৰ ল'ৰা প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পাচ কৰিছে যি কোনো দিনে ক্লাচেই নকৰে। তেওঁক পৰীক্ষা দিয়াৰ কাৰণে মাতি আনা হৈছিল আৰু প্ৰথম শ্ৰেণীৰ প্ৰথম কৰি দিয়া হৈছিল। ইউনিভাৰচিটিতেই যদি এনেধৰণৰ দূৰ্নীতি বিলাক চলি থাকে তেনেহলে শিক্ষাৰ কি মূল্য থাকিব ?

*শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শশকমল সন্দিকৈ ডাঙৰীয়াই উপস্থাপন কৰা ১৫ মাৰ্চৰ আজিৰ অসম বাতৰি কাকতত প্ৰকাশিত শীৰ্ষক বাতৰিটোৰ প্ৰতি আমাৰ দৃষ্টিগোচৰ হৈছে। মই ইতিমধ্যে এইটো তদন্ত কৰিবলৈ দিছো আৰু তদন্ত কৰি বিহিত ব্যৱস্থা লৈ মই সদনক পিচত জনাব পাৰিম। ভুৱা চাৰ্টিফিকেট লৈ যদি চাকৰি কৰিছে মই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিম।

Mr. Speaker : Honourable Member Shri Chandra Mohan Patowary to raise the motion which is published in the 'Ajir Asom'.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই ১১ মাৰ্চৰ 'আজিৰ অসম' বাতৰি কাকতত প্ৰকাশিত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ভুৱা প্ৰতিশ্ৰুতিত সমবায়ৰ সম্পাদক সন্থাৰ ক্ষোভ, কেডাৰ সম্পাদক সকলৰ পদ চৰকাৰীকৰণ হ'বনে ?' শীৰ্ষক বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, অসমত যি সমবায় আন্দোলন হ'ল তাৰ ফলত কি কি কাম হ'ল তাক মই ব্যাখ্যা কৰিবলৈ নেযাওঁ। সি যিকি নহওঁক, এটা

* Speech not corrected.

কথা সকলোৱে গম পাইছে অসমৰ ৬৬৩ খন গাওঁ পঞ্চায়তৰ অধীনত এপেক্স বেংকৰ দ্বাৰা বিজ্ঞাপন দি বি, এ পাছ ল'ৰাক কেডাৰ সম্পাদক পদত নিযুক্তি দিছে। নিযুক্তি দিয়াৰ পিচত তেওঁলোকক ২৫০ টকাৰ পৰা ৫০০ টকালৈ দৰমহা দিয়া হ'ল। তাৰ পিছত কি হৈছে তাৰেই এটা কথা মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো। গাওঁলৈ গ'লে আপোনালোকে দেখিব যে সমবায় সমিতি বিলাকত চেনী নাই, চাউল নাই। চেনী যদি ১৫ বস্তা যাব লাগে তালৈ ৪ বস্তা যায় বাকী ১১ বস্তা ক'ৰবাত বিক্রী হৈ গৈছে। চাউল যদি ৪০ বস্তা এলট হৈছে তালৈ ৪ বস্তা গৈছে। বাকী ৩৬ বস্তা ৰাস্তাতে বিক্রী হৈ গৈছে। গতিকে এনেকুৱা বিলাক হৈ আছে সমবায় সমিতি বিভাগত। এইবিলাক কথা এনকুৱাৰী হ'ব লাগে। কেডাৰ মেনেজমেণ্টত যিসকল কৰ্মচাৰী আছে তাৰ দ্বাৰাই এইটো হ'বলৈ পাইছে। কেডাৰ সম্পাদক সকলক ১৯৭৩ চনতে এপেক্স বেংকৰ দ্ব'ৰা নিযুক্তি দিলে আৰু তেওঁলোকৰ ২৫০ টকাৰ পৰা ৫০০ টকালৈ দৰমহা দিছে। গতিকে এই দৰমহাৰে তেওঁলোকে লংপেণ্ট, চাৰ্ট ল'ৰা-ছোৱালীৰ স্কুল-কলেজৰ ভৰণ-পোষণৰ দায়িত্ব পালন কৰি আছে। আচৰিত মানিব যে তাত পিয়নে ১৫০০ টকা দৰমহা পায়। তেওঁলোক ক্লাচ 'এইটৰ' লৈকে পঢ়া কিন্তু সম্পাদক সকলে ২৫০ টকাৰ পৰা ৫০০ টকালৈহে দৰমহা পায়। গতিকে কথাটো ডিগ্রেট হ'ল। কেডাৰ সম্পাদক জনক গাওঁৰ মানুহে সন্মান কৰে। তেওঁ লংপেণ্ট. চাৰ্ট পিন্ধিবই লাগিব। গতিকে সেইখিনি কৰিবলৈ হ'লে তেওঁলোকে চাউল, চেনী আদি চুৰি কৰিবই লাগিব। আচলতে তেওঁলোকে যঁতৰত সুতা কাটি কাপোৰ পিন্ধিব লাগিছিল কিন্তু আজি আৰু সেই দিন নাই।

মাননীয় অধ্যক্ষ মহোদয়, গাওঁৰ মানুহে চেনী আৰু চাউল পোৱা নাই। সঁচাকৈয়ে বৰ দুখৰ বিষয়। এই চেনী চাউল বজাৰত বিক্রী হৈ যায়। এইটো বৰ গুৰুত্বপূৰ্ণ কথা কাৰণ ইয়াৰ গাওঁৰ মানুহৰ স্বাৰ্থ জড়িত আছে। সমবায়ৰ সম্পাদক সকলৰ এনেকুৱা দুখ হৈছে যে তাৰ বৰ্ণনা কৰিব নোৱাৰি। সম্পাদক সকলৰ দুখ দেখি এ. জি. পি চৰকাৰে তেওলোকৰ এক হাজাৰ টকাকৈ দৰমহা বৃদ্ধি কৰিলে। এক হাজাৰ টকালৈ বৃদ্ধি কৰাত আমি ভাল পাইছো। অধ্যক্ষ মহোদয় মই গাওঁৰ পৰা অহা মানুহ। মই খুব ভালদৰে কথা কব নাজানো মই যিটো সমষ্টিৰ পৰা আহিছো, ধৰ্মপুৰ সমষ্টি, তাত এখনো টাউন নাই।

* Speech not corrected.

মাননীয় অধ্যক্ষ : সময় সংকেট।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ, মই চমু কৰিলে এখেত সকলে বুজি নাপায়। সেই কাৰণেহে দীঘলীয়া কৰিব লগা হৈছে। মোৰ কথা হৈছে সমবায় সমিতিৰ সম্পাদক সকলৰ চাকৰি চৰকাৰীকৰণ কৰিব লাগে আৰু তেওঁলোকৰ দৰমহাপাতি ঠিক মতে দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে গাওঁৰ ৰাইজৰ চেনী, চাউল বিক্ৰী কৰিব লগা নহয়। মই মন্ত্ৰীৰ বিৰুদ্ধে কোৱা নাই। চৰকাৰৰ বিৰুদ্ধে বা কাৰো বিৰুদ্ধে কোৱা নাই। মই মাত্ৰ নিবেদন কৰিছো যাতে চৰকাৰে অনুভৱ কৰে। যি সমবায়ৰ পিয়ন জনে টি ভি লৈ ভালদৰে চলিব পাৰে সেই একে অনুষ্ঠানৰ বি-এ গ্ৰেজুৱেট একোজনে কেনেকৈ ৫০০ টকাতে চলিব সেইটো যাতে চৰকাৰে বিবেচনা কৰে। মই কাকো দোষাৰোপ কৰিব বিচৰা নাই। মই মাত্ৰ প্ৰতিশ্ৰুতিৰ কথা কৈছো। মই কোৱা সকলো কথা যে মানিব লাগিব সেইটো মই নকওঁ। কিন্তু যিবিলাক কথা ৰাইজৰ স্বাৰ্থৰ লগত জড়িত সেইবিলাক মানিব লাগে।

*শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) : মাননীয় সদস্য জনে যি কৈছে সেইখিনি কোৱাৰ দৰকাৰ নাই, মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিজেও এজন অধ্যাপক আছিল।

মাননীয় অধ্যক্ষ : সময়ৰ সংকেট।

★শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাক ৰাইজে অসম বিধান সভালৈ ভোট দি পঠিয়াইছে। গতিকে ৰাইজৰ কথা কব লাগিব। অধ্যক্ষ মহোদয় আপুনি নিজে প'লিটিকেল চাইন্সৰ অধ্যাপক, গতিকে আপুনি জানে।

মাননীয় অধ্যক্ষ : আপুনি সময় নষ্ট কৰিছে। দিবেট আছে গভৰ্ণৰৰ ভাষণৰ ওপৰত কৰলৈ সময় নাপাব। গতিকে চমু কৰক।

★শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই চমু কৰিম। মাত্ৰ আপুনি হাঁহি হাঁহি কওঁক আৰু কওঁক এই পদটো চৰকাৰীকৰণ কৰিব।

Sir, there is a saying in English, which says, "surrender in the form of submission is not a defeat but rather a win", and Sir, "God has given us the serenity to accept things which cannot be changed and the courage

* Speech not corrected.

to accept things which we can change and the wisdom to know the difference."

★Shri Golok Rajbangshi ( Minister ): Sir, he is killing time of the House which he should not.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই সময় কিলিং কৰা নাই। চৰকাৰে কৰিছে। এতিয়া অধ্যক্ষ মহোদয় আপুনি কওঁক এই পদ বিলাক চৰকাৰীকৰণ কৰা হব নে নহয় ? এই কথাটোকে আপুনি হাঁহি হাঁহি কওঁক।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী জিলা পুথিভঁৰালত ২৬/৬/৯২ তাৰিখে অনুষ্ঠিত হোৱা সমবায় সমিতি সমূহৰ সভাপতি সম্পাদকৰ সভাত গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি সমূহৰ কেডাৰ সম্পাদকৰ চাকৰি চৰকাৰী কৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়া সঁচা। প্ৰতিশ্ৰুতি দিয়া মতে তেওঁলোকৰ ১৯৯২-৯৩ চনৰ বছৰত কেডাৰ সম্পাদকৰ পদ সমূহ চৰকাৰী কৰণ হব। সম্পাদকৰ পদটো জুনিয়াৰ ইনচ্‌পেক্টৰ পৰ্য্যায়ৰ ৰেংক দিয়া হব।

★শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : এইটো কেতিয়াৰ পৰা কৰা হব।

Mr. Speaker : Mr. Patowary, please sit down.

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মই কৈছো আপুনি শুনা নাই।

Mr. Speaker : I now call upon Honourable Members Sarvasree Hitendra Nath Goswami, Binod Gowala, Dilip Kumar Saikia and Renupama Rajkhowa to raise Zero Hour Motion. Now, Shri Hitendra Nath Goswami.

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই জিৰো আৱাৰৰ সময় ছোৱাত কেন্দ্ৰীয় চৰকাৰৰ হেমাহিৰ কথা অসমক সদায় মাহি আইৰ চকুৰে চোৱাৰ দৃষ্টিভঙ্গীৰ কথা কবলৈ বিচাৰিছো, আমাৰ ৰাজ্যৰ পৰা কেন্দ্ৰীয় অনুষ্ঠান এটা কেনেকৈ বাহিৰলৈ লৈ যাব বিচৰা হৈছে তাৰ প্ৰতি মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ আজি দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। আমাৰ ৰাজ্যত ভাৰতীয় বন গবেষণা পৰিষদৰ এক আঞ্চলিক কাৰ্য্যালয় আছে। বনজ সম্পদ ৰক্ষা কৰাৰ কাৰণে, ইকোলজী কেনেকৈ ৰক্ষা কৰিব পাৰে সেই সম্পৰ্কে চিন্তা চৰ্চা কৰাৰ কাৰণে আৰু বনজ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বাবে পৰিষদৰ গোটেই দেশ খনতে ৫ টা Zonal Office আছে। এই পাঁচটা জোনেল অফিচৰ এটা অসমৰ যোৰহাটত স্থাপন কৰাৰ বাবে কেন্দ্ৰই ১৯৮৭ চনতে সিদ্ধান্ত

* Speech not corrected.

লৈছিল। সেই অনুসৰি ১৯৮৮ চনত অসমক ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্য, আন্দামান, পশ্চিম বংগ, চিকিমক লৈ অসমৰ যোৰহাটত এটা কেন্দ্ৰীয় বন গৱেষণা কেন্দ্ৰ স্থাপন কৰা হয় আৰু এই মৰ্মে ইনষ্টিটিউট অৱ ৰেইন মোইষ্ট এণ্ড ডিচিদিউৱাচ ফৰেষ্ট ৰিচাৰ্চ যোৰহাটত স্থাপন হয় ১৯৮৮ চনতে। এইটো যোৰহাটত এই কাৰণে স্থাপনৰ সিদ্ধান্ত লৈছিল যে বন গৱেষণা কেন্দ্ৰৰ বিভিন্ন অনুষ্ঠানৰ সহায়ক হোৱাকৈ তাত তিনিটা অনুষ্ঠান আছে। চাহ গৱেষণা কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয় আৰু আঞ্চলিক গৱেষণা কেন্দ্ৰ। কেন্দ্ৰীয় চৰকাৰে এই অনুষ্ঠানটোৰ কাৰণে ৭০০ বিঘা মাটি ৰাজ্য চৰকাৰৰ পৰা বিচাৰিছিল। কিন্তু ৰাজ্য চৰকাৰে এফে লগে ২০০ বিঘা মাটি দিছিল। সেই ২০০ বিঘা মাটিতে ১৯৮৯ চনত স্থায়ীভাৱে অনুস্থানটো স্থাপনৰ সিদ্ধান্ত লৈছিল। এই অনুস্থানত ২২ জন বৈজ্ঞানিক ৭৭ জন বিষয়া আৰু ৬০ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মী কাম কৰি আছে। বৰ্ত্তমানে ভাড়া ঘৰৰ পৰা অনুষ্ঠানটো কাৰ্য্য-নিৰ্বাহ কৰি আছে। যোৱা বাজেট অধিবেশণতো এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰা হৈছিল। কেন্দ্ৰই যাতে এই অনুষ্ঠানটো স্থায়ীঘৰ নোহোৱাৰ অভিযোগত অসমৰ পৰা উঠাই নিব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা লব লাগে বুলি মই তেতিয়া অনুৰোধ কৰিছিলো, মাটিৰ অভাৱত যোৰহাটৰ পৰা কেন্দ্ৰলৈ গুচি যাব লগা নহয় শীঘ্ৰে তাৰ বাবে যোৰহাটৰ উপযুক্তই চিন্তা চৰ্চা কৰি মাটি দিয়াৰ ব্যৱস্থা লব লাগে বুলি কৈছিলো। দুখৰ বিষয় যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত যোৱা বাজেট অধিবেশনত আশ্বাস দিয়া মতে যোৱা ২ চেপ্তেম্বৰত তেখেতে গুৱাহাটীত সভা পাতিলে। ইয়াত ডেৰাডুন অনুষ্ঠানৰ ডাইৰেক্টৰো উপস্থিত আছিল আৰু মাটিৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত হৈ যায়। কিন্তু ডাইৰেক্টৰে মাটি পোৱাৰ পাছোতো বৰ্ত্তমান সিদ্ধান্ত লৈছে যে অসমৰ বৰ্ণিহাটলৈ কেন্দ্ৰটো স্থানান্তৰ কৰিব। অসমৰ পৰা কেন্দ্ৰটো হঠাতে এনেদৰে উঠাই নিবলৈ বিচৰাটো অসমক মাহি আইৰ দৃষ্টিৰে চোৱা দৰে হোৱা নাই নে? এই বিষয়ে চৰকাৰে এনভেৰণমেণ্ট বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী, ডেৰাডুনৰ কেন্দ্ৰীয় বন গৱেষণা পৰিষদ আদিৰ লগত যোগাযোগ কৰি এই অনুষ্ঠানটো যাতে যোৰহাটৰ পৰা উঠাই লৈ যোৱা নহয় তাৰ বাবে অনুৰোধ কৰিব লাগে। মই আমাৰ চৰকাৰক এই বিষয়ে শীঘ্ৰে ব্যৱস্থা লবলৈ অনুৰোধ কৰিলো।

এই বিষয়ে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা কবলৈ

বিচাৰিছো, আমাক মাটি বিচাৰিলে, আমি ইনষ্টিটিউচনৰ কাৰণে মাটি দিলো। কেন্দ্ৰীয় চৰকাৰে বন কেন্দ্ৰ স্থাপন কৰে নকৰে সেইটো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব। এনে দৃষ্টিভঙ্গীৰে যাতে অসম চৰকাৰে গ্ৰহণ নকৰে। অসমৰ যোৰহাটৰ "গৱেষণা প্ৰতিষ্ঠানটোৰ যি জন সঞ্চালক তেখেতক ডেৰাডুনৰ মুখ্য কাৰ্য্যালৰ "বৰ্ড অব ডাইৰেক্টৰ হিচাৱেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। তেওঁ এই গৱেষণা প্ৰতিষ্ঠানটো বাহিৰলৈ নিয়াৰ প্ৰচেষ্টা চলাইছে। ইতিমধ্যে আমি নিজেই ব্যক্তিগতভাৱে "এনভাইৰমেণ্ট" মিনিষ্টাৰ শ্ৰীকমল নাথৰ লগত যোগাযোগ কৰিছো। এই ষড়যন্ত্ৰৰ বিৰুদ্ধে ব্যৱস্থা লবৰ বাবে অস্থহাতে যি খিনি মাটি আমাৰ বিজ্ঞান কলেজৰ পৰা বন কেন্দ্ৰৰ কাৰণে দিছিল সেই মাটি খিনিৰো খেলি-মেলি চলি আছে এই অনুষ্ঠানটোৰ কাৰণে বিজ্ঞান কলেজৰ ২ টা বিল্ডিঙৰ আৱশ্যক হৈছে। এই বিল্ডিং দুটা দিয়াৰ ব্যৱস্থা কৰিব লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ থাকে কেন্দ্ৰই অসমক শোষণ কৰি অহা নাই। কিন্তু যদি কেন্দ্ৰই আমাক শোষণ কৰি কৰি অহা নাই, তেতিয়া হলে এই অনুষ্ঠানক বাহিৰলৈ নিয়াৰ সিদ্ধান্ত কৰিছে কিয়? এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰত্যক্ষ হস্তক্ষেপৰে বন গৱেষণা কেন্দ্ৰটো যোৰহাটত স্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰাবলৈ মই অনুৰোধ জনালো।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : জিৰ' আৱাৰৰ সময় খিনি থাকোতেই মই যোৰহাত জিলাৰ টিয়ক সমষ্টিৰ কথাকে ক'ব খোজা নাই। অসমৰ স্বাৰ্থ ৰক্ষাৰ কথাহে ক'ব খুজিছো। ১৯৮৮ চনতে বন গৱেষণাৰ কাৰণে মাটি দিয়া হৈছিল যদিও আজিলৈকে একো হোৱা নাই। এই বন গৱেষণা কেন্দ্ৰটোৰ কাৰণে ১৯৮৮ চনতে প্ৰায় ১০ লাখ টকাও পাইছিল, কিন্তু বৰ্তমান কোনো উন্নতি পৰিলক্ষিত হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে যি কেইটা ঘৰৰ কাৰণে, সীমাৰ কাৰণে অসন্তোষ কৰিছে তাৰ সুব্যৱস্থা হ'ব বুলি মই ভাবো। এই খিনিতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যাতে গৱেষণা কেন্দ্ৰটো বৰ্ণিহাতলৈ পঠাই নিদি যোৰহাটৰ আগৰ ঠাইতে ৰখাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ : হ'ব হ'ব।

*শ্ৰীঅতুল বৰা : যোৰহাটৰ গৱেষণা কেন্দ্ৰটো যোৰহাটতে হ'ব লাগে। বাহিৰলৈ পথাব নালাগে।

---

* Speech not corrected.

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বছৰৰ ভিতৰতে ৰাইজে এই কথাটো লৈছে । এখন সভা পাতিছিল । যোৰহাটৰ ডি, চিয়ে কিমান মাটি যোগান দিছে, সেই বিষয়ে কৈছে । যোৱা ৩০ চেপ্তেম্বৰত যিখন মিটিঙৰ কথা কৈছে সেইখনৰ কাগজ আজিহে পাইছো । এই গৱেষণা কেন্দ্ৰটো বৰ্ণিহাটলৈ নিয়াৰ কথা ভাবিছে বুলি কৈছে । তাত ফৰেষ্ট কলেজৰ কাৰণে মাটি আছে, বিল্ডিং আছে, এনেকুৱা এটা প্ৰচেচ্ চলি আছে । সেই বিষয়ে খবৰ লোৱা হৈছে । আনহাতেদি যোৰহাটৰ "চাইন্স কলেজ"ৰ কাৰণে পাতিবলৈ যোৰ দিছে ।

*শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বোধহয় পাহৰিছে, এই সম্পৰ্কত মই ১৯৯২ চনতে দিছিলো ।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : পাহৰি যোৱা নাই, সেইবিলাক কথা । ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰাৰ কাৰণে এখন সভা পাতিছিলে, সিদ্ধান্ত তেখেত গোস্বামীদেৱে জানে ।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, ১৯৮৭-৮৮ চনৰ ৰিপোৰ্ট আছে । য'ত কি যুক্তিত যোৰহাটত বনকেন্দ্ৰ স্থাপন কৰা হৈছে উল্লেখ আছে । কথা হৈছে আমাৰ স্বাৰ্থ ৰক্ষা কৰা যায় কেনেকৈ ? ইতিমধ্যে মাটিৰ সিদ্ধান্ত হৈ গৈছে আৰু কেইবা লাখ টকা খৰছো কৰা হৈছে । এতিয়া বৰ্ণিহাটৰ কথা ওলাইছে । বৰ্ণিহাটত আচলতে ৮ খন ৰাজ্যৰ কাৰণে কেন্দ্ৰ.টো প্ৰতিষ্ঠা কৰাৰ কথা আছিল কিন্তু গৱেষণা কেন্দ্ৰটোৰ কাৰণে যিটো "ইনফ্ৰাষ্ট্ৰাকচাৰ" আৰু অন্যান্য যিবিলাক সুবিধাৰ প্ৰয়োজন সেই বিলাক নথকাৰ কাৰণে কেন্দ্ৰটো যোৰহাতত স্থাপনৰ সিদ্ধান্ত হয় । এইটো কেৱল মোৰ সমষ্টিৰ স্বাৰ্থৰ কাৰণে নহয়, অসমৰ স্বাৰ্থৰ কাৰণে যোৰহাটত থাকিব লাগে । ইতিমধ্যে পৰিকল্পনা যোৰহাতত প্ৰায় ২০ লাখ টকা খৰছ হৈ গৈছে । গতিকে অনুসৰি এনে অৱস্থাত কেইজনমান বৰমুৰীয়াৰ স্বাৰ্থত এইটো যদি যোৰহাটত থকাটো বন্ধ হয়, অসমৰ কাৰণে ভাল নহ'ব ।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : এই সম্পৰ্কত ১৯৮৫ চনতে পৰামৰ্শ দিছিল । সেইবিলাক চাই মেলিহে ক'ব পৰা হ'ব ।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই পাৰ্লিয়ামেণ্টৰী

* Speech not corrected.

প্ৰেক্‌টিচৰ এখন কিতাপ পঢ়িছিলো। তাত বলোৰাম জাখাৰে জিৰো আৱাৰৰ সম্পৰ্কত এটা কথা কৈছিল— I feel very bore. I feel great pleasure during Zero Hour. গতিকে এই জিৰো আৱাৰচত মই এটা কথা প্ৰসঙ্গ ক্ৰমে ক'ব বিচাৰিছো যে যিটো গৱেষণাগাৰ কৰিবলৈ লোৱা হৈছে আৰু মাননীয় সদস্য কেইগৰাকীয়ে যোৰহাটতে পতাৰ কথা কৈছে, অসমৰ ভিতৰতে য'তেই নহওঁক আমাৰ আপত্তি নাই। কিন্তু এই কথাটো গুৰুত্বপূৰ্ণ কিয়নো, এই বিষয়ত যিটো ৰিপোৰ্ট দিছে সেইটো দিল্লীৰ পৰা দিয়া হৈছে, আগতে আমি গম পোৱা মতে এনকেফেলাইটিচৰ যিটো ব্লাড টেষ্টৰ ৰিপোৰ্ট সেইটো পুনাৰ পৰা আনিব লাগে, যিহেতু আমাৰ ইয়াত তেনে ধৰণৰ টেষ্ট ৰিপোৰ্ট দিবলৈ গৱেষণাগাৰ নাই। এতিয়া তেওঁলোকৰ ইণ্টাৰেষ্টৰ কাৰণে আমাৰ ইয়াৰ পৰা প্ৰস্তাৱিত গৱেষণাগাৰটো যাতে আন ঠাইলৈ লৈ যাব নোৱাৰে সেইটো চাব লাগে। তাৰোপৰি ভেনাৰেল বিষয়ৰ যিবিলাক টেষ্ট সেইবিলাক ৰিজোনেল ৰিচাৰ্চ ইনষ্টিটিউটৰ ওচৰত হ'ব লাগে, যি কোনো গৱেষণাগাৰ বা প্ৰতিষ্ঠান সেইবিলাক আৰ, আৰ, এলৰ ওচৰত হ'ব লাগে। Rather I am giving pleasure according to his own language. সেইকাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহাদয়ক এই খবৰটো দিছো যাতে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়ে।

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker : Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 5 p. m. in my Office Chamber on 16th March, 1993 to consider a request made by the Honourable Minister of State Shri Nurul Hussain and Honourable Member Shri Mujibur Rahman to declare 26th March, 1993 as a recess day on account of Id-ul Fitre. The Committee after discussion decided that 26th March, 1993 should be declared a recess day. The Committee further decided that in order to compensate the loss of time on scheduled business on

General Discussion on the Budget as fixed earlier caused due to declaration of 26th March, 1993 as recess day, the House would sit in three shifts from 9 a.m. to 1-30 p.m. from 3 p.m. to 5 p.m. and from 6-30 p.m. to 8 p.m. each day on 23rd and 24th March, 1993. The Committee also decided that the questions slated for the 26th March, 1993 would automatically lapse. I hope this has the approval of the House.

*শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, লেবাৰ আইন মতে ৮ ঘণ্টাৰ ওপৰত কাম কৰিব নোৱাৰে ।

*শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ মাৰ্চৰ দিনা অসমৰ কৰ্মচাৰী সকলে কৰ্মবিৰতি অৱস্থান কৰিছে ফলত অসমৰ অচল অৱস্থা হৈছে, বিভিন্ন বিভাগৰ কৰ্মচাৰী সকলে আনকি বিধান সভাৰ সচিবালয়ৰো কৰ্মচাৰী সকলে দা-দৰ্মহা নোপোৱাৰ কাৰণে তেওঁলোক আৰ্থিক ভাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে, ফলত তেওঁলোকে কৰ্মবিৰতি আন্দোলন কৰিব লগীয়া হ'ল । শিক্ষক সকলে দৰমহা পোৱা নাই, ফলত নানা ধৰণৰ বেমেজালি হৈছে। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত হস্তক্ষেপ কৰিবলৈ দৃষ্টি আকৰ্ষণ কৰিলো যাতে এই অচল অৱস্থা অনতি পলমে দূৰ কৰাৰ ব্যৱস্থা লয় ।

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ, তেখেত সকলক আলোচনাত বহিবলৈ অনুৰোধ কৰিলো ।

## CALL ATTENTION NOTICE

Mr. Speaker : Item No. 3, Shri Hiteswar Deka to speak.

*শ্ৰীহিতেশ্বৰ ডেকা : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৩ চনৰ ২৩ জানুৱাৰী তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত 'অসমৰ শিক্ষা বিভাগ গভীৰ নিদ্ৰাত, সমগ্ৰ ৰাজ্যত ভুৱা মাৰ্কচিটৰ পয়োভৰ' শীৰ্ষক বাতৰিটোৰ প্ৰতি শিক্ষা বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো ।

* Speech not corrected.

*শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : ১৯৯২ চনৰ জুলাই মাহৰ পৰা ডি, পি, আই, য়ে ভুৱা মাৰ্কশ্বিটৰ পয়োভৰ সদৃশ ভয়াবহ সমস্যাটোৰ ওপৰত গভীৰ ভাবে সন্দেহ কৰি অসমৰ মহাবিদ্যালয় সমূহক বিজ্ঞপ্তি যোগে উক্ত বিষয়টোৰ ওপৰত সজাগ কৰি বছৰটোত ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ মাৰ্কশ্বিট অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু মাধ্যমিক শিক্ষা পৰিষদলৈ পৰীক্ষা কৰাৰ্থে পঠাবলৈ নিৰ্দেশ দিয়ে। সেইমতে মহাবিদ্যালয়ৰ অধ্যক্ষ সমূহে পঠোৱা মাৰ্কশ্বিত সমূহ পৰীক্ষা কৰি সংসদ আৰু পৰিষদে দাখিল কৰা ভুৱা মাৰ্কশ্বিটধাৰী ছাত্ৰ-ছাত্ৰী সকলক সংশ্লিষ্ট মহাবিদ্যালয়ৰ অধ্যক্ষ সকলক মহাবিদ্যালয়ৰ পৰা বহিস্কাৰ কৰি আৰক্ষী বিভাগৰ ওচৰত গোচৰ ৰুজু কৰিবৰ বাবে নিৰ্দেশ দিয়া হয়। ভুৱা মাৰ্কশ্বিট সংক্ৰান্তত পোৱা সৰ্ব্বমুঠ ৩২৯৬ খন মাৰ্কশ্বিটতৰ ভিতৰত ২৫৭ খন ভুৱা মাৰ্কশ্বিট বুলি প্ৰমানিত হয় ( সংসদ আৰু পৰিষদৰ তথ্য অনুসৰি )।

এই ব্যৱস্থা অব্যাহত ভাবে চলি আছে আৰু ডি. পি, আই য়ে এই সংক্ৰান্তত ভালেমান চিঠি লেখাৰ উপৰিও মহাবিদ্যালয় সমূহৰ অধ্যক্ষ, সংসদ আৰু পৰিষদৰ সচিবদ্বয়ৰ লগত সময় সময় আলোচনা কৰি তৎকালিন ব্যৱস্থা লৈ আছে। এই ব্যৱস্থা অব্যাহত ভাবে চলি আছে আৰু ভালেমান মহাবিদ্যালয়ৰ মাৰ্কশ্বিট সংসদ আৰু পৰিষদ পৰ্য্যায়ত বিচাৰাধীন হৈ আছে।

গতিকে "আজিৰ অসম" কাকতৰ ইংৰাজী ২৩-১-৯৩ তাৰিখে প্ৰকাশিত "অসমৰ শিক্ষা বিভাগ গভীৰ নিদ্ৰাত" বোলা কথাষাৰি সঁচা নহয় বুলি ওপৰত দিয়া কথাখিনিৰ জৰিয়তে প্ৰতীয়মান হৈছে। বৰঞ্চ অধিক সজাগ হোৱাৰ বাবেহে এই গুৰুত্বপূৰ্ণ বিষয়টো সকলোৰে দৃষ্টিগোচৰ হৈছে।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইতিমধ্যে স্বীকাৰ কৰিছে ভুৱা মাৰ্কশ্বিটৰ সংক্ৰান্তত পোৱা সৰ্ব্বমুঠ ৩২৯৬ খন মাৰ্কশ্বিতৰ ভিতৰত ২৫৭ খন ভুৱা মাৰ্কশ্বিট বুলি প্ৰমাণিত হৈছে, আমি জানিব পাৰো নেকি এই ভুৱা মাৰ্কশ্বিটৰ গৰাকীৰ বিৰুদ্ধে কিবা গোচৰ ৰুজু কৰা হৈছে নে নাই ? আৰু দোষী বুলি প্ৰমাণিত লোকক ইতিমধ্যে গেপ্তাৰ কৰা হৈছে নেকি ? শিক্ষা মন্ত্ৰী নতুন মানুহ, নতুনকৈ দায়িত্ব লৈছে, তেখেতক অনুৰোধ জনাব বিচাৰিছো বাতৰি কাকতত শিক্ষা বিভাগৰ কথা সঘনাই প্ৰকাশিত হৈ আছে, বাতৰি ওলাইয়েই আছে আজি-কালি লক্ষীৰ পয়োভৰত শিক্ষা বিভাগৰ পৰা সৰস্বতী

* Speech not corrected.

ওলাই লৰ মাৰিছে, গতিকে মন্ত্ৰী মহোদয়ে এই বিষয় বিলাকত গুৰুত্ব সহকাৰে নজৰ দিব লাগে।

★শ্ৰীগৌতম ৰয় ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : গুৰুত্ব সহকাৰে নজৰ দিয়া হব।

★শ্ৰীহিতেশ্বৰ ডেকা : কিমান জনক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হৈছে ?

*শ্ৰীগৌতম ৰয় ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : মই অনুসন্ধান কৰি চাম, পুলিচ বিভাগৰ পৰা দিটেইলচ পালে খবৰ দিব পৰা হব।

## MATTER UNDER RULE 301

Mr. Speaker : Item No. 4, Shri Chittendra Nath Muzumdar.

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ : অধ্যক্ষ মহোদয়, আমি যে বিষয় টি উত্থাপন করতে চাচ্ছি সেটা হলো— "হাইলাকান্দি জেলায় তথা সমগ্র বরাক ভেলীতে প্রাথমিক বিদ্যালয়ে বিশেষ করে প্রত্যন্ত অঞ্চলে বেচি স্কুলের স্কুল গৃহ ও স্কুলে ছাত্র-ছাত্রী শিক্ষার বসার জন্য কোন প্রকার আসবার পত্র না থাকায় সমস্ত বৎসর কোন প্রকার স্কুলে পড়া-শুনা হয় না। সরকার এসব স্কুলের এসব গৃহ নির্মান ও আসবাব পত্র দেওয়ার কোন উদ্যোগ নিয়েছেন কি ?"

স্যার, এ ব্যাপারে গত অধিবেশনেও আমি ২ টি প্রশ্ন করেছিলাম। কিন্তু তার কোন উত্তর পাইনি। আমার জানা মতে হাইলাকান্দি জেলায় এমন সব যায়গা আছে যেখানে গ্রামের ছেলে-মেয়েদের পড়া-শুনার জন্য কোন স্কুল নেই। এই সব ছেলে-মেয়েদের শিক্ষা দেবার জন্য সরকার থেকে শিক্ষক নিযুক্তি দেওয়া হচ্ছে। কিন্তু গ্রামাঞ্চলে এই সব ছাত্র-ছাত্রীদের শিক্ষা দেবার জন্য কোন স্কুল ঘর নেই। কোন আসবাব পত্র নেই বা ছাত্র-ছাত্রীদের বসবার কোন বেঞ্চ নেই। শিক্ষকরা কোন ক্লাস না নিয়েই মাসের পর মাস বেতন পাচ্ছে। এ ব্যাপরে আমি অনেকবার 'ডাইরেক্টর এলিমেন্টারীর সঙ্গে কথা বলেছি কিন্তু বিভাগ থেকে এ ব্যাপরে কোন ব্যবস্থা নেওয়া হয় নি। আমার মনে হয় এই বিভাগ একটা কণ্ট্রাক্ট বেসিসে চলছে। যে সব শিক্ষক স্কুল না করে মাসের পর মাস বেতন পাচ্ছে তারা তাদের বেতনের একটা অংশ বিভাগীয় অফিসারদেরে দিচ্ছে বলে অভিযোগ উঠেছে। কিন্তু এই সব শিক্ষকদের উপর কোন একসান নেওয়া হয় না। আমাদের রাজ্য একটা ভয়াবহ অর্থসংকটের

★Speech not corrected.

মধ্য দিয়ে চলছে। অথচ এই সব শিক্ষকরা কোন ক্লাস না করেই বেতন পাচ্ছেন। এইসব শিক্ষকদের নাম বিভিন্ন স্কুলের নামের সঙ্গে জড়িত। কিন্তু এরা খুজে পওয়া যাবে না। সুতরাং আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি যে এ ব্যাপারে একটা তদন্ত করে বিহিত ব্যবস্থা নেওয়া হউক। এর পর আমি সার্টিফিকেট সম্বন্ধে ২/১ টি কথা উল্লেখ করবো। কাবুগঞ্জ কলেজের অধ্যক্ষ গত মার্চ মাসে রিটায়ার করার পরও কাজ চালিয়ে যাচ্ছে।

Mr. Speaker : It is not debates It is 301.

শ্রীচিত্তেন্দ্র নাথ মজুমদার : কিন্তু এই অধ্যক্ষই একটা ফল্স সার্টিফিকেট দিয়ে। মাননীয় অধ্যক্ষ, স্কুলে বেঞ্চ নাই, আসবাব পত্র নাই— এই সব কথা বলছেন।

যারা পড়া-শুনা করাবেন তাদের......

মাননীয় অধ্যক্ষ : যে ব্যাপারে বলতে যাচ্ছেন সে ব্যাপারে বলুন অন্য প্রসঙ্গ উঠাবেন না। You please take your sit. Now Education Minister, State to reply.

*শ্ৰীগৌতম ৰয় ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰে প্ৰাথমিক বিদ্যালয়ৰ আচ-বাব যোগান ধৰা সম্পৰ্কে মই ক'ব খুজিছো যে ৰাজ্যৰ প্ৰাথমিক বিদ্যালয় সমূহৰ সৰহ সংখ্যকেই প্ৰাদেশিকৃত। প্ৰাদেশিকৃত বিদ্যালয় সমূহৰ শিক্ষকৰ সেৱাইহে চৰকাৰী অৰ্থাৎ শিক্ষকৰ দা-দৰমহা, পেঞ্চন আদি দিয়াৰ দায়িত্বহে চৰকাৰৰ। বিদ্যালয় ভৱন, শিক্ষাদানৰ সা-সঁজুলি আদিৰ ব্যৱস্থা বিদ্যালয় কৰ্তৃপক্ষই ( পৰিচালনা সমিতিয়ে ) কৰিব লাগে। তথাপিও পুঁজি সাপেক্ষে বিদ্যালয় ভৱন, আচবাব পত্ৰ আৰু শিক্ষাদানৰ সামগ্ৰী আদি সময়ে সময়ে যোগান ধৰি অহা হৈছে। যোৱা ১৯৯১-৯২ চনত অনুসূচীত জাতি আৰু জনজাতিয় উপ-পৰিকল্পনাৰ অধীনত বিদ্যালয় ভৱনৰ বাবে ৩৭৬.৮০ লাখ টকা অনুমোদন কৰা হৈছিল।

অপাৰেচন ব্লেকবোৰ্ড আঁচনিৰ অধীনত কিছুমান বিদ্যালয়ত আচবাব যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে।

জনজাতি উপ-পৰিকল্পনাৰ অধীনৰ বিদ্যালয় বাচনিৰ দায়িত্ব মহকুমা ভিত্তিত প্ৰকল্প প্ৰয়োগ সমিতিৰ ওপৰত আৰু অনুসূচীত জাতি উপ-পৰিকল্পনাৰ অধীনত বিদ্যালয় বাচনি অনুসূচীত জাতি মহকুমা উন্নয়ন পৰিষদৰ ওপৰত ন্যস্ত।

* Speech not corrected.

বিদ্যালয় ভৱন নিৰ্মাণৰ বাবে বিত্তীয় আয়োগৰ অনুদানৰ উপৰিও পূৰ্বোত্তৰ পৰিষদ আৰু গ্ৰাম্য উন্নয়ণৰ বিভিন্ন আঁচনিৰ যোগেদিও সময়ে সময়ে পুঁজিৰ ব্যৱস্থা কৰা হয়।

*শ্ৰীমিচন রঞ্জন দাস : প্ৰভিনসিয়েল এল, পি স্কুলের যে সব বিল্ডিং রয়েছে সেগুলির মেণ্টেন করা কার দায়িত্ব ?

*শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে প্ৰাদেশিকৃত বিদ্যালয় সমূহৰ শিক্ষকৰ সেৱাইহে চৰকাৰী অৰ্থাৎ শিক্ষকৰ দা দৰমহা, পেঞ্চন আদি দিয়াৰ দায়িত্বহে চৰকাৰৰ। বিদ্যালয় ভৱন, শিক্ষাদানৰ সা-সঁজুলি আদিৰ ব্যৱস্থা বিদ্যালয় কৰ্তৃপক্ষই কৰিব লাগে।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, ব্লেক বোৰ্ড, বিদ্যালয়ৰ আচ-বাব কোনে দিব লাগে ?

*শ্ৰীচিত্তেন্দ্ৰ মজুমদার : সে সব স্কুলের মেনেজিং কমিটি ইন একটিভসে সব স্কুলের রিপাইরিংৰ কাজ কে করবে ? এই স্কুল মেরামতির আগে শিক্ষক নিযুক্তি দেওয়া হয়েছে এবং এই সব শিক্ষক কোন ক্লাচ না করেই বেতন পাচ্ছে। এইটা কি চরকারী টাকার অপচয় নয় ?

*শ্ৰীমিচন রঞ্জন দাস : মেনেজিং কমিটি সরকার থেকে টাকা পেলেইটো মেরামতির কাজ করতে পারবে ?

*শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈ আছো যে শিক্ষাদানৰ সা-সঁজুলি আদিৰ ব্যৱস্থা পৰিচালনা সমিতিয়ে কৰিব লাগে। তথাপিও পুঁজি সাপেক্ষে বিদ্যালয় ভৱন, আচবাব পত্ৰ আৰু শিক্ষাদনৰ সামগ্ৰী আদি সময়ে সময়ে যোগান ধৰা হৈ আছে।

## DEBATES ON GOVERNOR'S ADDRESS

Mr. Speaker : Now, Item No. 5, So, I request Honourable Member Sri Prafulla Kumar Mahanta to speak. AGP has been given 54 minutes time.

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে অসমৰ ৰাজ্যপাল মহোদয়ে চৰকাৰৰ নীতি সম্পৰ্কীয় বহু কথা এই ভাষণত উত্থাপিত কৰিছে।

*Speech not corrected.

Mr. Speaker : Shri Upen Sanatan. You please start your inconclusive speech of yesterday and finish your speech.

*শ্ৰীউপেন সনাতন : মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালিও ক'বলৈ থিয় হৈছিলো কিন্তু সময় হোৱা বাবে মই ক'ব নোৱাৰিলো। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে যি ভাষণ দিলে এই ভাষণত কেনেকৈ ৰাজ্যখনক আগুৱাই নিব পাৰি এই সম্পৰ্কে বহু কথা কৈছে আৰু সেয়ে মই এই ভাষণক সমৰ্থন কৰিছো আৰু সকলোৱে সমৰ্থন কৰিব লাগে। আমি জানো যে আমাৰ ৰাজ্যখন ১২ বছৰ ১৫ বছৰ পিছলৈ গুছি গৈছে, আগলৈ অহা নাই। কিয়নো, আমাৰ ৰাজ্যত ৬ বছৰ আন্দোলন চলিল আৰু তাৰ পিছত এ, জি, পি, চৰকাৰ আহিল। অধ্যক্ষ মহোদয়, আমাৰ ৰাইজে যি সুবিধা পাব লাগিছিল সেই সুবিধাৰ পৰা বঞ্চিত হ'ল। এতিয়া কংগ্ৰেছ চৰকাৰ হোৱাৰ দুবছৰ হ'ল। এই দুবছৰত দেশ খনলৈ অলপ শান্তি ঘূৰি আহিছে। বৰ্তমান চৰকাৰে যি কাম-কাজ হাতত লৈছে সেইবোৰ লাহে লাহে হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, আজি ১৫/১৬ বছৰ ধৰি পঞ্চায়তৰ নিৰ্বাচন হোৱা নাছিল। কিন্তু যোৱাবাৰ পঞ্চায়তৰ নিৰ্বাচন হৈ গ'ল। পঞ্চায়তৰ নিৰ্বাচনৰ পিছত যিবিলাক সভাপতি বা কাউন্সিলৰ নিৰ্বাচিত হৈ আহিল তেওঁলোকৰ হাতত একো ক্ষমতা নাই, সকলো ক্ষমতা বি, ডি, ওৰ হাতত।

অধ্যক্ষ মহোদয়, মই পঞ্চায়ত মিনিষ্টাৰক অনুৰোধ কৰিব বিচাৰো যে, আলোচনা হোৱাৰ পিচত পঞ্চায়তৰ যিবিলাক সভাপতি বা কাউন্সিলৰ হিচাবে ইলেকটেদ হৈ আহিছে তেওঁলোকৰ হাতত ক্ষমতা অৰ্পণ কৰিব লাগে। আৰু তেওঁলোকক অফিচ চলোৱাৰ বাবে টকা পইচা দিব লাগে। অধ্যক্ষ মহোদয়, দ্বিতীয় কথা হৈছে যে, ৰাজ্যপালৰ ভাষণত প্লেনটেচন কৰাৰ কথা আছে কিন্তু আনহাতে গছ কাটিয়েই আছে। চৰ অঞ্চলতো আমাৰ চৰকাৰে প্লেনটেচনৰ বাবে আঁচনি লৈছে। আগৰ চৰকাৰৰ দিনতো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি এটা লৈ গছ কাটিব নোৱাৰা কৰি আৰু বনাঞ্চলত থকা মাছ মাৰিব নোৱাৰা কৰি এটা আঁচনি লোৱা হৈছিল। আমাৰ বনাঞ্চলত যি মীন মহল আছে তাৰ পৰা চৰকাৰৰ ৬/৭ লাখ টকা বছৰি আমদানি আছিল। তাৰ বাহিৰেও বেত, বাঁহ আদিও বহুত আছে। কিন্তু এতিয়া বেত কাটিছে, কাঠ কাটিছে আৰু মাছ

*Speech not corrected.

মা'ৰ শেষ কৰিছে। অথচ অফিচাৰ সকাল চাই আছে। এই বিলাক চোৰা-চিটা কৰিবলৈ কোনো মানুহ নাই। গতিকে প্লেনটেচন কৰি কোনো লাভ নাই। গতিকে এইবিলাক কথা আলোচনা কৰিব লাগে। দেশ কেনেকৈ প্ৰগতিৰ পথত আগবাঢ়ে আমি চিন্তা কৰিব লাগে, কিন্তু আজি দেশ অৱনতিৰ পথত গৈ আছে। আমাৰ ৰাজ্যৰ যিবিলাক সম্পদ আছে আজি আমি তাক ব্যৱহাৰ কৰিব পৰা নাই। ব্যৱহাৰ কৰিব পৰা হলে আমাৰ দেশ আৰু সুন্দৰ হলহেঁতেন। ৰাজ্যপালৰ ভাষণত উদ্যোগৰ কথাও উল্লেখ কৰিছে। কিন্তু আজি দেখা গৈছে কোনো এটা উদ্যোগ কৰিবলৈ বিচাৰিলে পাৰমিচন নাপায়। অথচ কিছুমান ফাৰ্মনিচাৰ দোকানতে ব্যৱসায় কৰাৰ পাৰমিচন দিছে। গতিকে এইবিলাক বিষয় চাব লাগে। আমি সদনৰ ভিতৰত দুয়োটা দলে টনা-টনি কৰি থাকিলে একো নহয়। আমাৰ যি আসাম প্লেনটেচন ক্ৰপচ দেভলপমেণ্ট কৰ্পোৰেচন আছে তাৰ আন্দাৰত আজি ৰবৰ, কফি আদিৰ প্লেনেটেচন কৰা হৈছে। এই বিলাক কেনেকৈ চলিছে তাৰ বাবে চৰকাৰে চকু দিব লাগে। কিন্তু চৰকাৰে মাহী আইৰ চকুৰে চাইছে আৰু টকা পইচা দিয়া নাই। যদি প্লেনটেচন বিলাক ভালকৈ কৰা নহয় তেনেহলে আমাৰ নিবনুৱা সমস্যা কেনেকৈ সমাধান হব ? আজি ত্ৰিপুৰাই ১ হাজাৰ টন ৰাবাৰ উৎপাদন কৰিব পাৰিছে কিন্তু আমাৰ ৰাজ্যত ৮ হাজাৰ একৰ মাটিত খেতি কৰিও মাত্ৰ ১৫০ টনহে ৰাবাৰ উৎপাদন কৰিব পাৰিছে। কৰ্পোৰেচন কৰিছে কিন্তু টকা নাই। কৰ্পোৰেচন কেনেকৈ চলিব ? টকাৰ অভাৱৰ বাবে প্লেনটেচন বঢ়াব পৰা নাই। গতিকে এইবিলাক কথালৈ আমাৰ চৰকাৰে চকু দিব লাগে। আজি আমাৰ ৰাজ্যত নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ আছে। বহুতে স্কুলৰ চাকৰি বিচাৰিছে। অকল স্কুলতে নিযুক্তি দি নিবনুৱা সমস্যা শেষ কৰিব নোৱাৰে। যদি আমি প্লেনটেচনৰ উন্নতি কৰিব পাৰো তেনেহলে বহুতো যুৱক এই বিলাক কামত সোমাই পৰিব। অধ্যক্ষ মহোদয়, এতিয়া মই মজদুৰৰ কথালৈ আহো। এইবাৰ মাননীয় ৰাজ্যপালৰ ভাষণত মজদুৰৰ সম্পৰ্কত কোনো কথা উল্লেখ নাই। মজদুৰৰ কাৰণে আমাৰ চৰকাৰে একেবাৰে চিন্তা কৰা নাই। চাহ মজদুৰ সকলৰ কোনো কথাই ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

মাননীয় অধ্যক্ষ : আপুনি চমু কৰক।

শ্ৰীউপেন সনাতন : হব চাৰ। অসমৰ চাহ শিল্পটো এটা ডাঙৰ উদ্যোগ।

চাহ বাগানত মজদুৰ আছে। আজি যদি চাহ বনুৱা সকলে কাম নকৰিলে- হেঁতেন তেনেহলে চাহ শিল্প ইমান আগনাবাঢ়িলহেঁতেন। অসম ইমান সুন্দৰ নহ'লহেঁতেন। চাহ বাগানৰ মজদুৰক আজি মালিকে পোহ-পাল দিছে। তেওঁ- লোকৰ শিক্ষা, চিকিৎসা, চাকৰিৰ কোনেও চিন্তা কৰা নাই।

মাননীয় অধ্যক্ষ : আপুনি বহক।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ চৰকাৰৰ নীতি আৰু তাক বাস্তৱত ৰূপায়ণ কৰাৰ কৌশল প্ৰতিফলন কৰাৰ এটা মাধ্যম। ভাৰতৰ সংবিধানৰ ১৭৫,১৭৬ অনুচ্ছেদত এই ব্যৱস্থা বাহাল ৰাখিছে। তাৰ ফলস্বৰূপেই এই ব্যৱস্থা প্ৰচলিত হৈ আছে। অসমৰ ৰাজ্যপালৰ ভাষণৰ গোটেইখিনি কথা যদি জুকিয়াই চাওঁ তেতিয়াহলে এটা কথাত আমি নিঃসন্দেহে সিদ্ধান্তত আহিব পাৰো যে যোৱাবাৰৰ ৰাজ্যপালৰ ভাষণ আৰু এইবাৰৰ ভাষণৰ মিল নাই, লগতে চৰকাৰৰ নীতি স্পষ্ট ভাৱে ইয়াত দাঙি ধৰিব পৰা নাই। ৰাজ্যখনৰ আইন শৃংখলাৰ পৰিস্থিতিৰ প্ৰকৃত ছবি দাঙি ধৰাত ৰাজ্যপালৰ ভাষণ প্ৰকৃতাৰ্থত ব্যৰ্থ হৈছে। আইন শৃংখলাৰ পৰিস্থিতিৰ সম্পৰ্কত মাত্ৰ কোৱা হৈছে 'উন্নত' হৈছে। কেনে ধৰণৰ উন্নতি হৈছে তাৰ ব্যাখ্যা নাই। সাম্প্ৰদায়িক হিংসাৰ কথা উল্লেখ কৰি ইয়াত কোৱা হৈছে "ৰাজ্য চৰকাৰে গুৱাহাটী আৰু উৰিষ্যা উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ শ্ৰীডম্বুৰুধৰ পাঠকক লৈ এখন তদন্ত আয়োগ গঠন কৰিছে আৰু প্ৰশাসনীয় দোষ-ত্ৰুটি কিবা আছিল নেকি সেইটো তদন্ত কৰিবলৈ দিয়া হৈছে।" আমি তদন্ত আয়োগৰ দাবী কৰিছিলো। কিন্তু চৰকাৰে এই আয়োগক মাত্ৰ প্ৰশাসনীয় দোষ-ত্ৰুটি আছে নেকি বিচাৰৰ ক্ষমতা তাতে সীমাবদ্ধ কৰা হৈছে। ইয়াৰ লগত কোন জড়িত আছে, কেনেকৈ সাম্প্ৰদায়িক সংঘৰ্ষ হল এই বিষয়ে ইয়াত উল্লেখ কৰা নহল। বাইৰৰ আৰু তদন্ত কৰিবলৈ দিয়া নহল। প্ৰতিনিধি জড়িত আছে নেকি সেই সম্পৰ্কেও উল্লেখ কৰা নহল। শাসক দলৰ বিধায়কে একে দলৰে সাম্প্ৰদায়িক সংঘৰ্ষত জড়িত বুলি মন্ত্ৰীৰ বিৰুদ্ধে বিভিন্ন তথ্য দাঙি ধৰিছে। কিন্তু তেওঁলোকক আঁতৰাই বিষয়াসকলে নিৰ্দেশ দিয়াত কিবা গণ্ডগোল আছে নেকি তাকহে তদন্ত কৰিবলৈ দিয়া হৈছে। এই তদন্তৰ পৰা কি লাভ হব। ১০ বছৰ নালাগে ৩০ বছৰৰ পিছত প্ৰতিবেদন দিলেও এই তদন্ত আয়োগৰ পৰা অসমৰ জনসাধাৰণে কোনো ন্যায় নাপায়। ৰাজ্যপালৰ ভাষণত এই কথা প্ৰমাণিত হৈ গ'ল। আলফা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কোনো স্পষ্ট নীতি দাঙি ধৰিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰক বিষয়টো দিয়া

নাই আৰু নিজেও সমাধান কৰিব বিচৰা নাই। আত্ম সমৰ্পণকাৰীক মাৰুতি গাড়ী দি এই সমস্যা সমাধান কৰিব নোৱাৰে। এই ক্ষেত্ৰত উন্নয়নমূলক অৰ্থবহ কাৰ্যাসূচী গ্ৰহণ কৰা নাই। যেতিয়ালৈকে অসমৰ জনসাধাৰণক ঐক্যবদ্ধভাৱে লৈ কাৰ্যাসূচী গ্ৰহণ নকৰে তেতিয়ালৈকে এই সমস্যা সদায় থাকিব। বাতৰি কাকতত কাচিনৰ কিছু আলফা সদস্যই অসমত প্ৰবেশ কৰাৰ বাতৰি প্ৰকাশ পাইছে আৰু চৰকাৰে তেওঁলোকৰ বাবে মাৰুতি গাড়ী পুৰস্কাৰ দিবৰ বাবে সাজু হৈ আছে বুলি প্ৰকাশ পাইছে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এই সমস্যা সমাধান কৰাৰ কাৰণে আলোচনাৰ জৰিয়তে আগবাঢ়ি যোৱা উচিত বুলি ভাবো। তাৰ পিছতো বড়ো চুক্তিৰ কথা কোৱা হৈছে। অসমৰ বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন দাবী বিভিন্ন সময়ত উত্থাপিত কৰি আহিছে। এই সমস্যা সমাধান কৰিবলৈ যোৱাৰ আগতে বিৰোধী দলৰ ৰাইজৰ প্ৰতিনিধি সকলৰ লগত চৰকাৰে আলোচনা কৰা উচিত আছিল। সমাধানৰ আগত বা এক মূহুৰ্তৰ পিছতো বিৰোধী দলবোৰৰ লগত এই সম্পৰ্কত কোনো আলোচনা কৰা হোৱা নাই। সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত আমি এটা কথা চাব লাগিব যাতে কোটিকলীয়া বিভিন্ন জনগোষ্ঠীৰ সম্বন্ধ চিঙি নেপেলায়। আমি কাৰ্যতঃ দেখিছো ইয়াৰ জড়িয়তে এটা সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে যাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে কৈছে বড়োৰ উপৰিও ৰাভা, টিৱা আদিক স্বায়ত্ব শাসন প্ৰদান কৰিব লাগিব। অসমৰ বিভিন্ন জনগোষ্ঠীয়ে বিভাজনৰ দাবী তুলিছে আৰু তুলিব। অসমত এটা সময় আহিব যি সময়ত অসম হব State of Autonomous Council। তাৰ বাহিৰে কোনো গত্যন্তৰ নাই। বড়ো এলেকাৰ ভিতৰত যিবিলাক অবড়ো লোক আছে তেওঁলোকৰ নিৰাপত্তাৰ দায়িত্ব আজি চৰকাৰ আৰু বড়ো নেতৃত্বৰ ওপৰত। আজি বিভিন্নজনে দৰ্খাস্ত কৰিছে আৰু তাৰ প্ৰতিলিপি আমাকো দিছে। বঙ্গাইগাঁৱৰ পৰা মুখ্যমন্ত্ৰীলৈ পঠাইছে। অবড়ো স্বাৰ্থ সুৰক্ষা সমিতি, বঙাইগাওঁ, ৰৰমা, চাপাগুৰি আদি বিধানসভা সমষ্টিৰ পৰা অবড়ো সকলে আবেদন কৰিছে বড়ো এলেকাত অন্তৰ্ভুক্তি কৰিবৰ বাবে আৰু প্ৰতিলিপি আমাক দিছে। অবড়ো বিভিন্ন লোকৰ পৰা দিয়া আবেদনৰ প্ৰতিলিপি আমালৈ আহি আছে। য'ত শতকৰা ৫০ ভাগৰ তলত বড়ো লোক আছে সেইবিলাক অঞ্চল বড়ো লেণ্ডৰ অন্তৰ্ভুক্ত কৰিব নালাগে। তাৰোপৰি বড়ো অধ্যুশিত অঞ্চলত যিবিলাক অবড়ো লোক আছে তেওঁলোকক চৰকাৰে ৰক্ষণা-বেক্ষণ দিব লাগে, ৰাজনৈতিক, অৰ্থনৈতিক, ভাষিক, সংস্কৃতিক আৰু

মাটিৰ ওপৰত অধিকাৰৰ অধিকাৰ সাব্যস্ত কৰিব লাগে। এইসকলে সাংস্কৃতিক, ৰাজনৈতিক, আৰ্থিক সুৰক্ষা পাব লাগে। যিহেতু বিদেশী নাগৰিকে এইখন দেশত সকলোখিনি পায় তেনে ক্ষেত্ৰত খিলঞ্জীয়া লোকসকল ইয়াৰ পৰা বাদ পৰি থকাৰ যুক্তি থাকিব নোৱাৰে। ভাৰতবৰ্ষক যুক্তৰাষ্ট্ৰ বুলি কলেও বাস্তৱত সকলো ক্ষমতা কেন্দ্ৰৰ হাতত কেন্দ্ৰীভূত কৰা হৈছে। যি চৰকাৰেই নাহক কেন্দ্ৰৰ হাতত ক্ষমতা কেন্দ্ৰীভূত কৰাত সকলো মনে মনে একমত। চৰকাৰে যুক্ত ৰাষ্ট্ৰীয় গাথনিৰ কথা কয়। যুক্ত ৰাষ্ট্ৰীয় গাথনি আমাৰ দেশত অলপো প্ৰৱৰ্তন হোৱা নাই। ভাৰতীয় সংবিধানৰ ১ নং অনুচ্ছেদত আছে ৰাজ্যসমূহৰ এখন ৰাষ্ট্ৰ হব লাগে। কিন্তু ইয়াৰ পিচৰ অনুচ্ছেদত কেনেকৈ ৰাজ্য ভাগ কৰিব লাগে, নতুন ৰাজ্য গঠন কৰিব লাগে, ৰাজ্যৰ সীমা বঢ়োৱা কমোৱা কৰিব লাগে ইত্যাদি কোৱা হৈছে। চাৰকাৰিয়া কমিচনৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণভাৱে মানি লোৱা নাই। কংগ্ৰেছী, অকংগ্ৰেছী বিভিন্ন মুখ্যমন্ত্ৰী সকলে ইয়াক প্ৰযোজ্য কৰাৰ দাবী কৰি আহিছে। চাৰকাৰিয়া কমিচনে কেন্দ্ৰক শক্তিশালী কৰাৰ পোষকতা কৰিছে যদিও ৰাজ্যক কিছু ক্ষমতা দিয়াৰো পোষকতা কৰিছে। কেন্দ্ৰীয় চৰকাৰে ইয়াকো সম্পূৰ্ণভাৱে মানি লোৱা নাই। চাৰকাৰিয়া কমিচনৰ পৰামৰ্শ অনুযায়ী ৰাজ্যক শক্তিশালী কৰাৰ কাৰণে ক্ষমতা হস্তান্তৰ কৰিব লাগে আৰু এই ক্ষেত্ৰত বৰ্তমানৰ অসম চৰকাৰে কেন্দ্ৰক সৈমান কৰাবৰ বাবে চেষ্টা কৰা উচিত।

অধ্যক্ষ মহোদয়, আজি অসমখনক কেন্দ্ৰীয় চৰকাৰে পৰীক্ষাগাৰ হিচাবে ব্যৱহাৰ কৰা দেখা গৈছে। আজি মহাৰাষ্ট্ৰত শিৱসেনাই বেলেগে বেলেগে স্বকীয়া ৰাজ্যৰ দাবী কৰিছে, উত্তৰ প্ৰদেশ, পশ্চিমবঙ্গ, উৰিষ্যা আদি ৰাজ্যৰ পৰাও দাবী আহিছে অথচ সেইবিলাক বিবেচনা কৰা হোৱা নাই। কিন্তু অসমৰ ক্ষেত্ৰত স্বাধীনতাৰ পাছৰে পৰা স্বায়ত্ত শাসনৰ কথাটো বিবেচনা কৰা হৈয়ে আছে। নগালেণ্ড হ'ল, মণিপুৰ হ'ল, মিজোৰাম হ'ল, মেঘালয় গঠন কৰা হ'ল। মেঘালয় ৰাজ্য গঠন কৰিলে কিন্তু মেঘালয়ৰ ভুখীয়া ৰাইজৰ কিবা উন্নতি হৈছেনে? বৰং এই চুবুৰীয়া ৰাজ্য সমূহৰ মাজত আমাৰ লগত সীমাৰ কাজিয়া দিনক দিনে বাঢ়িহে গৈছে। আজি আমি আমাৰ প্ৰতিটো উন্নয়নৰ কাৰণে আন্দোলন কৰিবলগীয়া হৈছে। এখন দলং পাবলৈ, এটা ভাল ৰাস্তা পাবলৈ, সকলো ক্ষেত্ৰতে ৰাজ্যৰ সুবিধা আদায় কৰিবলৈ আন্দোলন কৰিব লাগে। সেই কাৰণে দেশত যুক্ত ৰাষ্ট্ৰীয় গাঠনি প্ৰৱৰ্তন কৰিবলৈ দাবী উত্থাপিত হৈ আহিছে। বিভিন্ন স্তৰত ফেডাৰেল

ষ্ট্ৰাকচাৰ কৰাৰ দাবী হৈছে তাত আমাৰ আপত্তি নাই। ভাৰতবৰ্ষকো ফেদাৰেল গাঠনিত সোমাই লোৱাত আপত্তি নাই বুলি আমাৰ মূখ্যমন্ত্ৰীয়ে ক'বনে ? ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাত কাৰো আপত্তি নাই কিন্তু ৰাজ্য সমূহৰ ক্ষমতা কিমান ? আমাৰ ৰাজ্যখনৰ ক্ষমতা পৌৰসভা এখনৰ ক্ষমতাৰ সমান। আজি দুই-এখন ৰাজ্যই সেই কথা নাভাবে। অকল মহাৰাষ্ট্ৰৰ বম্বেত যিমান মটৰ ভেহিকুল টেক্স আদায় হয় সিমান আমাৰ বাজেতত এবছৰৰ টকা নহয়। ফেদাৰেল ষ্ট্ৰাকচাৰৰ দাবী কৰক, দিল্লীৰ ওচৰত হাত পতা আমাৰ কমি যাব। ৰাজ্য সমূহে নিজে শাসন কৰিব পাৰিব। ৰাজ্য সমূহে নিজে সম্পদ আহৰণ কৰাৰ ব্যৱস্থা কৰক। আজি পশ্চিম জাৰ্মানী, পূব জাৰ্মানী একেলগ হ'ল। ভাৰতবৰ্ষৰ সংবিধানত যি যুক্তৰাষ্ট্ৰীয় গাঠনিৰ কথা কোৱা হৈছে তাক বাস্তৱত ৰূপায়ণ কৰা নহ'লে অসমে অবহেলিত হৈ সেই একে অৱস্থাতে থাকিব। কেন্দ্ৰীয় চৰকাৰে অসমক সদায় বৈষম্যমূলক আচৰণ দেখুৱাই আহিছে। ইয়াৰ ফলত আজি আমাৰ মাজত বিভেদৰ সৃষ্টি হ'ব ধৰিছে। আজি মাননীয় সদস্য উপেন সনাতন ডাঙৰীয়াই কৈছে তেখেতসকলৰ বিষয়ে কোনেও চিন্তা কৰা নাই। এই হিৰ ট সংখ্যাক গোষ্ঠীটোৰ বিষয়ে আমি চিন্তা কৰা উচিত। সৰু বৰ সকলো গোষ্ঠীৰ কথা নাভাবিলে তেওঁলোকৰ বিষয়ে সুকীয়া সুকীয়া কৈ উন্নয়নৰ কথা চিন্তা নকৰিলে তেওঁলোকৰ মাজত বিভেদৰ মনোভাৱ বাঢ়ি যাব। গতিকে এই বৈষম্য দূৰ কৰাৰ কাৰণে আমি চেষ্টা চলোৱা উচিত হব।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পঞ্চায়ত গ্ৰাম্যউন্নয়নৰ কথা উল্লেখ কৰিছে। অসম চুক্তিৰ বিষয়ে উল্লেখ কৰিছে কিন্তু অসম চুক্তিৰ সকলো নীতি ৰাজ্যপালৰ ভাষণত প্ৰতিফলিত হোৱা নাই। অসম চুক্তি ৰূপায়নৰ আধাৰত অশোক কাগজ কল খোলা সম্পৰ্কত চৰকাৰৰ নীতি কি হব সেইটো স্পষ্ট ঘোষণা কৰা নাই। এটা প্ৰশ্নৰ উত্তৰত উদ্যোগ মন্ত্ৰী মহোদয়ে আওপকীয়াকৈ কৈছে পৰীক্ষা-নিৰীক্ষা চলি থকা বুলি। কিন্তু তাত থকা কৰ্মচাৰী সকলৰ লাইট, পানী বন্ধ কৰি দিয়া হৈছে। প্ৰকৃতপক্ষে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ ধনেৰে ৰাজ্য চৰকাৰৰ সহযোগত যিমানখিনি কৰিব লাগিছিল সেই চেষ্টা কলটো খোলাৰ কাৰণে কৰা নাই। আওপাকে কলটো বেলেগক হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়াহে চলিছে। আজি আমি নুমলীগড় ৰিফাইনেৰীৰ ক্ষেত্ৰত কি দেখিছো। অসমত থকা প্ৰতিটো ৰিফাইনেৰীৰ কাৰণে ডিগবৈ, বঙাইগাওঁ আদি ৰিফাইনেৰীৰ কাৰণে যিমানখিনি ক্ৰুদ অইল যোগান ধৰিব লাগিছিল সেইখিনি যোগান ধৰা নাই।

তাৰ সলনি সেই ক্রুদ অইলেৰে বাৰাউনীত বেলেগ এটা ৰিফাইনেৰী কৰাৰ যি ষড়যন্ত্র তাক আমি আগতে প্রতিহত কৰিছো। কেন্দ্রীয় চৰকাৰে চক্রান্ত কৰি গুৱাহাটী, বঙ্গাইগাওঁ, দিগবৈ আদি ৰিফাইনেৰীত চাহিদা অনুপাতে ক্রুদ অইল যোগান ধৰা নাই। সেয়ে অসম চৰকাৰে নিজা বৰীয়াকৈ ইয়াৰ ব্যৱস্থা কৰিব লাগিব। তেলৰ মূল্য কোনো দিনে লোকচানৰ ঘৰত নাথাকে। সেই কাৰণে শতকৰা ২৬ ভাগ চেয়াৰ কিনি হলেও অসম চৰকাৰে শাসনটো নিজৰ হাতত ৰাখিব লাগে। কেন্দ্রীয় বিত্ত মন্ত্রীৰ আশ্বাসত তেলৰ দাম বাঢ়িব বুলি নুমলীগড় শোধানাগাৰত আমাৰ চেয়াৰ শতকৰা ১০ ভাগলৈ কমোৱাটো অর্থহীন। ইয়াৰ ফলত অসম চৰকাৰৰ শোধনাগাৰৰ ক্ষেত্রত নিয়ন্ত্রণ নাইকীয়া হৈছে যাৰ কাৰণে ঠিকা আদি বাহিৰৰ লোকে পাইছে আনকি ইটা পর্য্যন্ত বাহিৰৰ পৰা আনিবলগীয়া হৈছে। ইয়াৰ ফলত ভৱিষ্যত সকলো কথাই অসমৰ বাহিৰলৈ যাব। সেয়ে আমি এতিয়াও কেন্দ্রীয় চৰকাৰক বুজাই হ'লেও চেয়াৰৰ মূল্য শতকৰা ২৬ ভাগলৈ বঢ়াব লাগে। চুক্তি ৰূপায়নৰ ক্ষেত্রত সীমান্তৰ ৰাস্তা বনোৱা কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নাই। যাৰ কাৰণে আজিও প্রবজন ঘটিয়ে আছে। স্বয়ং কেন্দ্রীয় গৃহ মন্ত্রণালয়ে কৈছে যে অকল দিল্লীতে ৩ লাখ বাংলাদেশী আছে। পশ্চিম বঙ্গৰ মুখ্যমন্ত্রীয়েও একে মিউজিক কেচ কৰা বুলি কৈছে। সেই কাৰণে এই প্রবজন বন্ধ কৰিবৰ কাৰণে অতি সোনকালে সীমান্তৰ আধকৰা ৰাস্তাৰ কাম অতি সোনকালে শেষ কৰিব লাগে। এই প্রসঙ্গৰে আমি এতিয়াও দাবি কৰি আহিছো যে আই, এম, ডি, টি এক্টখন বাতিল কৰিব লাগে। কেন্দ্রীয় চৰকাৰে অসম চুক্তি ৰূপায়নৰ ক্ষেত্রত কোনো বাস্তৱ পদক্ষেপ লোৱা নাই তাৰ কাৰণে কেন্দ্রীয় চৰকাৰক হেঁচা প্রয়োগ কৰিবলৈ চৰকাৰক অনুৰোধ জনালো। ভোটাৰ তালিকা সংক্রান্তত অৱশ্যে আপুনি আপোনাৰ ৰুলিং ৰিজাৰ্ভ ৰাখিছে। আমাৰ মুখ্যমন্ত্রী মহোদয়ে কৈছে যে বিষয়টো চিক্রেট। মই ভাবো সদনত কোনো চিক্রেট বুলি বস্তু থাকিবনালাগে। শ্রীপি, এম, চাইদ, মার্গাৰেট আলভা আহোতে নির্বাচনী আয়োগৰ নির্দেশাৱলী পঢ়ি শুনাইছিল। ২২ চেপ্তেম্বৰ তাৰিখৰ অগ পার্টি মিটিংত এই কথা প্রচাৰ হৈছে নির্বাচনী আয়োগৰ ৯ নং দফাটোৰ বিষয়ে। ২৩ তাৰিখে অসমৰ বাতৰি কাকত সমূহত প্রচাৰ হৈ গৈছে তেতিয়া কিয় চিক্রেট নহ'ল আজি কিয় চিক্রেট হ'ল নুবুজিলো।

অধ্যক্ষ মহোদয়, পঞ্চায়ত নির্বাচন হৈ গ'ল। পঞ্চায়ত আইনখন বিধান সভাত হুলস্থুলৰ মাজেদি গৃহিত কৰি নিলে। সেই আইনৰ যোগেদি নির্বাচিত

প্ৰতিনিধিৰ ক্ষমতা চৰকাৰে নিজৰ হাতলৈ আনিলে। পিছত কাউন্সিলৰ সকলৰ লগত আলোচনা কৰোতে মুখ্যমন্ত্ৰীয়ে ক'লে যে আপোনালোকে নতুনকৈ নিৰ্বাচিত হৈ অহা প্ৰতিনিধি হিচাবে হিচাব-নিকাচ নাজানিব সেয়ে একোজন কমাৰ্চ গ্ৰেজুৱেট গাণনিক হিচাবে নিযুক্তি দিয়া হ'ল। তেওঁলোক ৰাজ্যপালৰ ওচৰলৈ গ'ল তাতো বোধকৰো মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক বুজাই ৰাখিছিল। ৰাজ্যপালেও একে কথাকে ক'লে। এতিয়া পঞ্চায়তৰ পৰিকল্পনা পৰিষদত একোজন মন্ত্ৰীক চেয়াৰমেন কৰি দিছে। নতুনকৈ যিসকল মন্ত্ৰী হ'ল তেওঁলোকৰো একে অৱস্থা নহ'ব নে? তেওঁলোকে চৰকাৰী ভাষ্যমতেই হিচাব ৰাখিব পাৰিবনে?

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পঞ্চায়ত আইনৰ ক্ষমতা সম্প্ৰসাৰণৰ কথা উল্লেখ কৰিছে কিন্তু প্ৰকৃততে ক্ষমতা সংকোচনহে হৈছে। চৰকাৰে এই ক্ষমতা ৰাইজৰ হাতত গতাই দিব লাগে। সদনত তেওঁলোকৰ মানুহেই বেছি জিকি আহিছে বুলি চৰকাৰ পক্ষই ঘোষণা কৰিছে তেনেস্থলত ৰাইজক ক্ষমতা গতাই দিবলৈ কিয় টান পাইছে। গতিকে পঞ্চায়তৰ ক্ষমতা ৰাইজক দিয়া উচিত।

অধ্যক্ষ মহোদয়, উদ্যোগৰ ক্ষেত্ৰতো চৰকাৰে এটা স্পষ্ট নীতি দাঙি ধৰিব পৰা নাই। আপুনি নিশ্চয় জানে যে— অসম চাহ নিগমে চৰকাৰে য'ত মাটি দিছে তাত ঘৰ বনোৱা নাই। চৰকাৰে দিয়া মাটি অৱস্থা কৰি তেওঁলোকে ৰাধা গোবিন্দ বৰুৱা পথত বহুত টকা দি মাটি কিনি ঘৰ সাজিছে। এতিয়া চৰকাৰে কৈছে যে— এইবিলাক তথ্য শ্ৰীমংন্তক কোনে দিছে সেই কৰ্মচাৰীজনৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে। কিন্তু কথা হ'ল যি সকলে চৰকাৰে দিয়া মাটিত ঘৰ নিৰ্মাণ নকৰিলে সেই বিষয়েহে অনুসন্ধান চলাব লাগে। গতিকে কোনে এই কামটো কৰিছে তেওঁকহে কাৰণ দৰ্শোৱাৰ জাননী দিব লাগে। ইয়াৰ উপৰিও আজি বিধান সভাত আৰু এটা কথা ওলাইছে যে যোগীঘোপা পেপাৰ মিল চলাৰ কাৰণে মহাৰাষ্ট্ৰৰ পৰা দুটা ইলেক্ট্ৰিচিটিৰ জেনেৰেটৰ কিনা হৈছিল। সেই দুটা অসম আহি নাপালে। মাজবাটতে কাৰোবাৰ স্বাৰ্থৰ বাবে বেচা হ'ল। অসম চৰকাৰে এই কাৰ্য্যটো কাৰ স্বাৰ্থৰ কাৰণে কৰিলে? অকল এইটোৱেই নহয় আজি চাহ মজদুৰৰ বেলিকাও চৰকাৰে কোনো ধৰণৰ স্পষ্ট নীতি গ্ৰহণ কৰিব পৰা নাই। এই সম্পৰ্কে আজিলৈকে কোনো আলোচনাই হোৱা নাই। চাহ মজদুৰৰ সমস্যা সমাধানৰ বাবে চৰকাৰে এতিয়াও আগবাঢ়ি আহিব পৰা নাই।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত হস্ততাঁত শিল্পৰ কথা কোৱা হৈছে।

যি সকল মহিলাক আৰ্টফেড বা অন্যান্য অনুষ্ঠানৰ পৰা সূতা যোগান ধৰা হৈছিল সেইটো চৰকাৰে বন্ধ কৰি দিছে কাৰ স্বাৰ্থত ? সূতা অনাৰ ব্যৱস্থা চৰকাৰে হাতত লৈ সূতা যোগান ধৰা উচিত, কিন্তু চৰকাৰে তাকো কৰা নাই । তাৰোপৰি বিদ্যুৎ যোগান ধৰিবৰ বাবে বিদ্যুৎ পৰিষদে পিয়েৰলেচৰ পৰা ৫০ কোটি টকা ধাৰ লৈছে । এই টকা ব্যৱহাৰ হোৱাৰ আগতেই শেষ হৈ যাব । এই টকাৰ ধাৰ মাৰিব কোনে ? বিদ্যুত পৰিষদে এতিয়া যি অৱস্থাত আছে— তাকো ভালদৰে পৰিচালনা কৰিব পৰা নাই । তাৰ পাছত আমাৰ সমবায়ৰ ক্ষেত্ৰত বিভিন্ন কথা ওলাইছে । সমবায় খণ্ডত যিবিলাক মিল অপৰিচালিত হৈ আছে— সেইবিলাক চলাব নোৱাৰিলে চৰকাৰে বেচি দিয়াৰ নীতি লৈছে । বৰুৱা বামুণ গাওঁৰ চেনিকল বন্ধকত দিয়া হৈছে, যোগীঘোপাত পেপাৰ মিল্স আৰু কাছাৰত চেনিকল আছে— সেইবিলাক পুণৰ পৰিচালনা কৰা ব্যৱস্থা কৰিব লাগে । তাৰ বাবে ব্যৱস্থা কৰিব লাগে । গতিকে এইবিলাক ৰিভাইভ্ কৰিবলৈ চৰকাৰে মনোযোগ দিয়া উচিত ।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত পশু চিকিৎসা আৰু পশু পালন বিভাগৰ কথা উল্লেখ কৰিছে। ইয়াত উপাৰ্জন বৃদ্ধিৰ বাবে ১৯৯২-৯৩ চনৰ আনুমানিক লক্ষ্য হল গাখীৰ ৭৩৯ নিযুত লিটাৰ, কণী ৫৫৫ নিযুত আৰু মাংস ২১৫৪ নিযুত টন। বৰহমপুৰত ফাৰ্ম আছে— কিন্তু অৱস্থা শোচনীয়। জাগীৰোডটো একেই অৱস্থা আৰু অন্যান্য ফাৰ্মৰ অৱস্থাও অতি শোচনীয়া। এতিয়া অন্ধ্ৰ প্ৰদেশৰ পৰা কণী আহে। অন্ধ্ৰ প্ৰদেশৰ কণী নহলে আমাৰ ইয়াত ব্ৰেকফষ্ট নহয়। মাছ নাহিলে মাছ নাই। অধ্যক্ষ ডাঙৰীয়া ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা কথা শুদ্ধ নহয়। অন্ধ্ৰ প্ৰদেশৰ পৰা কিয় মাছ, কণী আৰু মাংস আহিব লাগে ? এনে ধৰণৰ হিচাব আনি জনসাধাৰণক বিপথে পৰিচালিত কৰিছে— চৰকাৰী হিচাপ কাগজে-পত্ৰে আছে— কিন্তু কাৰ্য্য ক্ষেত্ৰত নাই। ইয়াৰ দ্বাৰা জনসাধৰণে কোনো সুৰক্ষা নাপায়। সেইকাৰণে মই কৈছো— এইবিলাক হিচাব দি জনসাধৰণক বিপথে পৰিচালনা কৰাৰ কোনো যুক্তি নাই। তাৰোপৰি গড়কাপ্তানী বিভাগটোৱে যোৱা বছৰত কি কি কাম কৰিলে তাৰ উত্তৰ আমি বিধান সভাৰ প্ৰশ্নোত্তৰ কালতে পাইছো। ধন নাই বুলি গোটেই ৰাস্তা পদূলিৰ কাম বন্ধ কৰি ৰাখিছে— টকা হলেহে ৰাস্তাৰ কাম কৰিব। তাৰ পাছত পৰিবহণ বিভাগে ৯৫ খন বাছৰ প্ৰস্তাৱ দিয়া বুলি উল্লেখ কৰিছে। নতুনকৈ চলোৱা এই ৯৫ খন বাছেই পৰিবহণৰ সমস্যা সমাধান কৰিব পাৰিব নে ? আজি চৰকাৰে যিখিনি বাছ চলাইছে— সেইখিনিয়ে বে-চৰকাৰী বাছৰ লগত ফেৰ মাৰিব নোৱাৰে।

আচলতে কথা সেইটো নহয়— পৰিবহণ বিভাগৰ বিষয়া সকলে ভালদৰে কাম নকৰে। অনুসন্ধান কৰিলে এই গোটেই কথা ওলাই পৰিব। ইতিমধ্যে শিক্ষা বিভাগৰ সম্পৰ্কেও বিভিন্ন আলোচনা বিলোচনা হৈছে। এই বিভাগৰ বিৰুদ্ধে বহুতো ওজৰ-আপত্তি আহি আছে। স্কুল বিলাক চৰকাৰীকৰণ কৰা হৈছে— কিন্তু চৰকাৰীকৰণ কৰাৰ পাছত স্পষ্ট নীতি নিৰ্দ্ধাৰণ নকৰাৰ বাবে স্কুল সমূহৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। এই শোচনীয় অৱস্থাৰ পৰিবৰ্ত্তন কৰা উচিত। গতিকে স্কুলৰ ক্ষেত্ৰত স্পষ্ট নীতি নিৰ্দ্ধাৰণ কৰি সদনত ডাঙি ধৰিবলৈ মই দাবী জনালোঁ।

অধ্যক্ষ ডাঙৰীয়া, আজি ভাষণত সীমান্ত অঞ্চলৰ কথা কোৱা হৈছে। কিন্তু আমাৰ ৰাজধানী দিশপুৰৰ কাষতে লাগি থকা মেঘালয়ৰ সীমাৰ লগত থকা আমাৰ সীমাৰ বিষয়ে এক মিমাংসা হৈ গৈছে। মেঘালয়ে প্ৰতিবেদন মানি লৈছে কিন্তু এতিয়া সীমাৰ খুটি তেওঁলোকে নোহোৱা কৰিছে। পিলিং-কাটাত থকা আমাৰ বি, অ, পি টো চৰকাৰে তুলি দিলে। সদায় নিৰ্ব্বাচনৰ সময়ত তেওঁলোকৰ লগত সীমাৰ গণ্ডগোল লাগে। আমাৰ দেশত সেনাবাহিনী আছে বি. এচ, এফ আছে তেওঁলোকে সীমান্ত অঞ্চল কিয় পহৰা দিব নোৱাৰে? আজি নাগালেণ্ড আৰু মেঘালয়ৰ লগত থকা আমাৰ বোৰ্ডাৰ চৰকাৰে কিয় প্ৰটেকচন দিব পৰা নাই? এনে পৰিস্থিতি সদায় চলিবলৈ দিলে অসমৰ ভৌগলিক সীমা টুটি আহিব—ই কেতিয়াও বুদ্ধি নহব। চৰকাৰে এই ক্ষেত্ৰত এক স্পষ্ট নীতি গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিষয়ে নোকোৱাই ভাল হব। অলপতে বাতৰি কাকতত প্ৰকাশ পাইছে যে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সভা অতি সোনকালে আহ্বান কৰিব। ধান পকে মানে টুনীৰ মৰণ। আজি আমাৰ ৰাজ্য আৰু অৰুণাচল প্ৰদেশত একে দলৰ চৰকাৰে কাম কৰিছে, কেন্দ্ৰটো একে দলৰ চৰকাৰ আছে। অসম চৰকাৰে অৰুণাচল প্ৰদেশক সৈমান কৰোৱাই, কেন্দ্ৰীয় চৰকাৰক জোৰ দি ধৰি, দিহিং দিবাং আৰু শোৱনশিৰি প্ৰজেক্ট কেইটা হাতত লোৱাৰ ব্যৱস্থা কৰিব লাগে। আগতে আমাৰ বিৰোধী দলৰ চৰকাৰ আছিল কাৰণে অৰুণাচল প্ৰদেশে এই প্ৰজেক্টৰ বিৰোধিতা কৰিছিল। এতিয়া একে দলৰে চৰকাৰ আছে—চৰকাৰে চেষ্টা কৰিব লাগে এই ক্ষেত্ৰত। এই প্ৰজেক্ট কেইটা হৈ উঠিলে অসম, অৰুণাচল প্ৰদেশকে ধৰি গোটেই উত্তৰ পূবৰ ৰাজ্য সমূহৰ বিজুলী শক্তিৰ চাহিদা পূৰণ হ'ব। কেন্দ্ৰীয় চৰকাৰৰ লগত অসম চৰকাৰে এই ক্ষেত্ৰত যোগাযোগ কৰি কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগে। অধ্যক্ষ

মহোদয়, আজি অসমৰ অ-মঞ্জুৰী প্ৰাপ্ত প্ৰাথমিক স্কুলৰ শিক্ষক সকলে আমৰণ অনশন আৰম্ভ কৰিছে— চৰকাৰে তেওঁলোকৰ সমস্যা সমাধান কৰাৰ বাবে আগ-বাঢ়ি যাব লাগে। বন বিভাগৰ কথা মাননীয় সদস্য শ্ৰীসনাতন ডাঙৰীয়াই বহলাই কৈছে। মই বিশেষ নকলেও হব। আমি বাতৰি কাকতত মাজে মাজে খবৰ পঢ়িবলৈ পাওঁ যে ৰাজ্যিক চিৰিয়াখানাৰ জীৱ জন্তু মৰি শেষ হব ধৰিছে, তেওঁলোকৰ খাবলৈ খাদ্য নাই, বেমাৰ হলে উপযুক্ত চিকিৎসা নেপায়, তেওঁলোক যিহেতু জন্তু গতিকে প্ৰতিবাদ কৰিব নোৱাৰে। আজি উত্তৰ পূৰ্বাঞ্চলৰ এই সুন্দৰ চিৰিয়াখানাখন চৰকাৰৰ হেমাহিৰ কাৰণে ধ্বংসৰ মুখলৈ গৈছে। কাজিৰঙা অভয়াৰণ্যৰ গড় চোৰাং চিকাৰীৰ হাতত মৃত্যু হৈয়েই আছে, মানাহ আৰু ওৰাংৰ অৱস্থাও একে।

অধ্যক্ষ মহোদয়, বড়োলেণ্ড সম্পৰ্কত চুক্তি হৈছে। এই বিষয়ে যথেষ্ট আলোচনাও হৈছে। কিন্তু যোৱা ১৫ মাৰ্চৰ দৈনিক অসম কাকতত নিজা বাতৰি দিওতাই এটা বাতৰি দিছে— "বড়ো চিকিউৰিটি ফৰ্চৰ সমৰ সজ্জা, বিপুল পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰ সন্ধেদ"। বাতৰিটোত কোৱা হৈছে— বড়ো চিকিউ-ৰিটি ফৰ্চে ভূটান আৰু অৰুণাচল প্ৰদেশৰ সীমান্ত অঞ্চলৰ গভীৰ অৰণ্যত সমৰসজ্জা ব্যাপক কৰি তুলিছে আৰু বিপুল পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰিছে। কেন্দ্ৰীয় চোৰাংচোৱা সূত্ৰৰ পৰা এই তথ্য পোৱা হৈছে।

সূত্ৰটোৱে জনোৱা মতে ভূটান দৈপাম অঞ্চলত, অৰুণাচল প্ৰদেশৰ অন্তৰ্গত সীমান্ত অঞ্চলত আৰু কামৰূপ জিলাৰ উত্তৰাঞ্চলত দৰঙাৰ আশে-পাশে দুৰ্গম ঠাইত স্থাপিত তিনিটা প্ৰধান চাউনিত প্ৰায় চাৰে তিনি হেজাৰ বড়ো যুৱকক সামৰিক আৰু গেৰিলা প্ৰশিক্ষণ দি থকা হৈছে। অৱসৰ প্ৰাপ্ত সামৰিক বাহিনীৰ লোকে এই চাউনী কেইটাত প্ৰশিক্ষক হিচাবে কাম কৰি আছে। সূত্ৰটোৱে প্ৰকাশ মতে এই তিনিটা চাউনীত ৩০০০ হেজাৰটা কাৰবাইন আৰু ষ্টেনগান, এক হেজাৰতকৈ বেছি এ-কে-৪৭ ৰাইফল, ৪০০/৫০০ টা লঘু মেচিন গান (এম, এল, জি), ২৫-৩০ টা ২ ইঞ্চি মৰ্টাৰ, ২১ টা ৩ ইঞ্চি মৰ্টাৰ, ১৫০ টা চীনত নিৰ্মিত পিষ্টল, ১ ট্ৰাকৰো বেছি জিলেটিন, ১০০০ বটল বোমা, ৫০০ টা বিষাক্ত বোমা, ৫০০ টা ট্ৰেনজিষ্টৰ বোমা আৰু বহু পৰিমাণৰ গুলি বাৰুদ মজুত আছে। হাতে সজা পিষ্টল, দেশীয় ৰিভলভাৰ, পাইপ গান, আদি কম শক্তিৰ মৰণাস্ত্ৰৰ হিচাব ইয়াত ধৰা হোৱা নাই। তদুপৰি বৰ্তমানলৈ এই বে-আইনী

তথা নিষিদ্ধ বি, এচ, এফৰ হাতত অতি কমেও ১৫ কোটি টকা জমা আছে। অধ্যক্ষ মহোদয়, এইবোৰ কথা বাতৰি কাকতত প্ৰকাশ পাইছে। এই বিষয়ে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছেনে নাই ? অৰুণাচল প্ৰদেশতো এক দলৰে চৰকাৰ আছে— তেওঁলোকৰ লগতো আমাৰ চৰকাৰে যোগাযোগ কৰিব লাগে কিয় বি, এচ, এফক তেওঁলোকৰ ৰাজ্যত কেম্প কৰিবলৈ দিছে ? ভূটান বাৰু বিদেশী ৰাষ্ট্ৰ কিন্তু অৰুণাচল ? আজি যদি এইটো অৱস্থা চলি থাকিবলৈ দিয়া হয় তেনেহলে অসমৰ ভৱিষ্যত কোনফালে গতি কৰিছে সেইটো সহজেই অনুমেয়। এইবোৰ ক্ষেত্ৰত চৰকাৰে স্পষ্ট নীতি ঘোষণা কৰিব লগে, জনসাধাৰণক মুকলিকৈ জানিবলৈ দিব লাগে। আজি বড়োলেণ্ড চুক্তি হোৱাৰ পিচত বড়োলেণ্ডত থকা অ-বড়ো জনসাধাৰণৰ মনত সন্দেহ আৰু শংকাই বাহ লৈছে— তেওঁলোকৰ ভৱিষ্যত কি হব এই চিন্তাত তেওঁলোক বিতত হৈছে। বড়োলেণ্ড অঞ্চলত বসবাস কৰা অ বড়ো, বড়ো সকলো জনগোষ্ঠীৰ মাজত যাতে সম্প্ৰীতি সদ্‌ভাব আৰু সংহতি অটুট থাকে তাৰ কাৰণে চৰকাৰে কাৰ্য্যপন্থা হাতত লব লাগিব। লগতে ৰাজ্যখনৰ অন্যান্য অঞ্চলৰ সকলো জনসাধাৰণৰ মাজত যাতে সম্প্ৰীতি আৰু আৰু সংহতি অক্ষুন্ন থাকে তাৰ প্ৰতিও চৰকাৰে দৃষ্টি ৰাখিব লাগিব। মানুহৰ মনত উদয় হোৱা শংকা আৰু সংশয় চৰকাৰে দূৰ কৰিব লাগিব। আজি কাশ্মীৰত কি হৈছে ? ঝাৰখণ্ডত কি হৈছে, বোম্বাইত কি হৈছে ? নতুন যুৱক সমাজৰ মাজত আজি কিহৰ ক্ষোভ হৈছে এইবোৰৰ প্ৰতি চৰকাৰে সুক্ষ্ম দৃষ্টি ৰাখিব লাগে আৰু তাক নিৰাময়ৰ উপায় উলিয়াব লাগে। আজি শ্ৰীইয়েল্টচিনৰ ৰাছিয়াত কি হৈছে ? খণ্ড খণ্ড হৈ গৈছে। শ্ৰীগৰ্বাচভৰ নীতিয়েই ভাল আছিল। আমি এইবোৰ ঘটনাৰ প্ৰতিও নজৰ ৰাখিব লাগে।

অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে যোৱা বছৰ দিয়া ভাষণত যিবোৰ কথা উল্লেখ কৰিছিল তাৰ আধাও পূৰণ কৰিব পৰা নাই। এতিয়াও কোনো প্ৰতিশ্ৰুতি দিব পৰা নাই। আজি যদি যি কোনো এটা বিভাগলৈ কিবা কামৰ কাৰণে যোৱা হয় তেতিয়া বিষয়াই উত্তৰ দিব যে টকা নাই। টকাৰ কাৰণেই কোনো কাম কৰিব পৰা নাই। আনকি কোনো বিভাগে দৈনিক অফিচত লিখা মেলা কৰাৰ কাৰণে প্ৰয়োজনীয় কাগজ-পত্ৰও টকাৰ অভাৱত কিনিব পৰা নাই, নাইবা বিষয়াই নিজৰ পকেটৰ পইচাৰে কিনি অফিচ চলাইছে। আজি বড়োলেণ্ড সৃষ্টি হৈছে কিন্তু তাত প্ৰশাসন চলাবলৈ টকা ক'ৰ পৰা পাব ?

মিজোৰামক দিয়াৰ দৰে কেন্দ্ৰীয় চৰকাৰে সমূদয় টকা দিব নেকি ? চুক্তি হৈ গ'ল বুলি হাট সাব্রতি বহি থাকিলে নহব । চৰকাৰে চুক্তিৰ সময়ত যিবোৰ অঞ্চলত শতকৰা ৫০ ভাগ তাৰ ওপৰত অবড়ো জনগোষ্ঠী আছিল সেইবোৰ অঞ্চল বড়োলেণ্ডৰ ভিতৰুৱা কৰিব নেলাগিছিল । চাহ বাগান সমূহ এই চুক্তিৰ অন্তৰ্ভূক্ত কৰিব নেলাগিছিল । এতিয়া চৰকাৰে এই লোক সকলৰ সম্পূৰ্ণ সুৰক্ষা তথা সাংবিধানিক অধিকাৰ ৰক্ষাৰ দিশটো, গভীৰ ভাবে চিন্তা কৰিব লাগে । কিন্তু এই ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোনো কথাৰ উল্লেখ নাই । মই মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধিতা কৰিছো এই কাৰণেই যে বিভিন্ন বিষয়ত চৰকাৰৰ স্পষ্ট নীতি ৰাজ্যপালৰ ভাষণত প্ৰতিফলিত হোৱা নাই । গতিকে মই এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছো আৰু মাননীয় সদনৰ সকলো সদস্যক ইয়াৰ বিৰোধিতা কৰিবলৈ আহ্বান জনাই মোৰ বক্তব্যৰ সামৰণী মাৰিছো ।

*শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেই প্ৰস্তাৱ মই সমৰ্থন কৰিছো । লগতে সেই প্ৰস্তাৱৰ পক্ষে এতিয়া মই মোৰ বক্তৃতা আগবঢ়াব খুজিছো । অধ্যক্ষ মহোদয় আজি আমাৰ বক্তৃতাৰ আৰম্ভণীতে মই এটা ঘটনা দাঙি ধৰিব বিচাৰিছো । ঘটনাটো অলপ দিনৰ আগতে ঘটিছে আপোনালোকে বাতৰি কাকততো পঢ়িব পাৰে । আমাৰ আদৱানী চাহাবৰ ভতিজা ছোৱালীৰ বিয়া হৈছে এজন মুছলমানৰ ল'ৰাৰ লগত ।

(সদনত গণ্ডগোল । কেবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়)

মাননীয় অধ্যক্ষ : আপোনালোকে কথা শুনি থাকক । টলাৰেন্স কিয় নাই ? কবলৈ দিয়ক । (সদনত কেবাজনো মাননীয় সদস্যই ডাঙৰ ডাঙৰকৈ একেলগে কথা কয় । কাৰো মাত শুনা নাযায়) order, order, শুনক । শুনি থাকক ।

*শ্ৰীআব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, আদৱানী চাহাবৰ ছোৱালীক মুছলমান ল'ৰা এটাই বিয়া কৰিলে । কথাটো শুনি লাজ কৰিব নালাগে । এই সদনত কথাটো উত্থাপন কিয় কৰিব বিচাৰিছো সেইটো মাননীয় সদস্য সকলে বুজিবলৈ চেষ্টা কৰিব লাগে । শুনি লৈ বুজিবলৈ চেষ্টা কৰিলে তেতিয়া

---

* Speech not corrected.

আপত্তি কৰিবলৈ একো নাপাব। যদি কিবা থাকে আপোনালোকৰ কবৰ সময়ত কব পাৰিব। ছোৱালী বিয়া হ'ল। (আকৌ সদনত গোলমাল)

নেতা সকলৰ মাজত সম্পৰ্ক আছে যে সেইটো বুজিবৰ কাৰণে ৰাইজে ধৈৰ্য্য ধৰিব লাগিব। সম্পৰ্ক আছে নে নাই সেইটো বুজিবৰ কাৰণে কাৰো মূৰটো সোমাই দিব নোৱাৰি।

(Honourable Speaker left the Chamber. Shri Giasuddin Ahmed, Honourable Member occupied the Chair).

মাননীয় সভাপতি মহোদয়, বোম্বাইৰ শিৱাজী পাৰ্কত তুয়োপক্ষৰ দৰা-কইনাৰ আত্মীয় সকল গোট খাই দৰা-কইনাক আশীৰ্ব্বাদ দিলে, উপহাৰ দিলে। তাত আদৱানী চাহাবো পাৰ্কত আছিল। বাতৰি কাকত বোৰতো ইয়াৰ বিষয়ে মন্তব্য কৰিছে। অৰ্থাৎ হাতীৰ দুটা দাঁত থাকে দেখাত কিন্তু সেই দাঁতেৰে নাখায়, খায় ভিতৰত থকা দাঁতেৰে। ৰাজনৈতিক নেতা সকলোৰো তেনেকৈ দুজন মানুহ এজনে ভিতৰৰ সম্পৰ্কটো ৰাখে আৰু বাহিৰত দলীয় ব্যৱস্থা। অৰ্থাৎ দুটাকৈ দাঁত থাকে।

(ভইচ : আপোনাৰ দাঁত কেইটা ?)

সভাপতি মহোদয়, মই কোৱা কথা বিৰোধী দলে শুনা নাই। সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক জীৱনত বি-জে-পিৰ মানুহৰ সম্পৰ্ক আছে। পাৰিবাৰিক সামাজিক সংস্কৃতিক জীৱনৰ কাৰণে এটা পৰিবেশ সৃষ্টি কৰি ৰাখে। আদৱানিৰ চাহাবৰ ছোৱালীৰ বিয়া হ'ল সঁচা কথা।

*শ্ৰীনগেন শৰ্মা : এই বিলাক ৰাজ্যপালৰ ভাষণত নাই। তেখেতে ভাষণৰ ওপৰত কৈছে নে, কি কৈছে ?

(ভইচ : অৰ্দ্ধেন্দু দে আৰু তেখেতৰ ল'ৰা ছোৱালীৰ বিয়া দিব লাগে।)

(ভইচ : আপোনাৰ বিয়া খন কেতিয়া পাতিব ?)

সভাপতি মহোদয়, আমাৰ বিৰোধী দলত যিসকল সদস্য আছে তেওঁলোকেও কংগ্ৰেছৰ লগত সম্পৰ্ক ৰাখি আছে। প্ৰত্যেক দলৰেই সেই সম্পৰ্ক আছে।

(ভইচ : অবজেক্শ্বন চাৰ)

(ভইচ : তেখেতে ভাল কথা কৈছে শুনকচোন)

(ভইচ : অৰ্দ্ধেন্দু দেৰ ভৰিৰ তলত মাটি নাথাকিব আপুনি কৈ থাকক।)

সভাপতি মহোদয়, উলঙ্গ কৰি দিয়াৰ কাৰণে ভয় কৰিব নালাগে।

(ভইচ : ইৰেলেভেণ্ট কৈছে।)

---

* Speech not corrected.

মাননীয় সভাপতি : আপোনালোকে ধৈৰ্য্য ধৰি শুনি থাকক। বুজি লৈ পিচত কব পাৰিব। মাননীয় সদস্যক কবলৈ দিয়ক। শুনি থাকক। প্ৰত্যেকে তৰ্ক নকৰিব।

*আব্দুল জলিল ৰাগিবী : সভাপতি মহোদয়, আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলৰ চিত্ৰ দুটা। তেওঁলোক যেতিয়া ৰাজনৈতিক মঞ্চলৈ আহে তেতিয়া এটা চিত্ৰ আৰু যেতিয়া ঘৰুৱা বা সামাজিক জীৱনলৈ আহে তেতিয়া এটা বেলেগ চিত্ৰ হয়। এইটো সত্য কথা। এইটো কোনো প্ৰভকেচন নহয়।

*শ্ৰীনগেন শৰ্মা : সভাপতি মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিবোৰ কথা কৈ আছে সেইবোৰ কথা ৰাজ্যপালৰ ভাষণত নাই। গতিকে তেখেতে যিহেতু ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তৃতা ৰাখিছে সেই সম্পৰ্কেহে কব লাগে।

( সদনত গণ্ডগোল )

*আব্দুল জলিল ৰাগিবী : সেই কাৰণে মই এটা কথা উল্লেখ কৰিব খুজিছো যে এইবাৰ বিৰোধী পক্ষৰ সদস্য সকলে ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক আৰম্ভ কৰি ভাষণৰ এই চৰকাৰে গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰিব পৰা নাই। ৰাজপালৰ ভাষণত এই চৰকাৰে যোৱা বছৰটোত ৰাজ্যখনৰ জনসাধৰণৰ কল্যাণৰ কাৰণে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেইবোৰ উল্লেখ আছে। কিন্তু বিৰোধী পক্ষৰ সদস্য সকলে ৰাজ্যপালৰ ভাষণত সেইবোৰ বিচাৰি পোৱা নাই বুলি অভিযোগ কৰিছে। কিন্তু কথা হ'ল— কোনোবাই যদি দিনত সূৰ্য্যৰ পোহৰ নেদেখে তেনেহলে তাৰ বাবে সূৰ্য্যটো দোষী নহয়। ইয়াৰ বাবে কোন দায়ী সেইটো সকলোৱে জানে।

( সদন গণ্ডগোল )

সভাপতি মহোদয়, এই চৰকাৰে শাসন ভাৰ লোৱাৰে পৰা অসমত যিটো ভয়াবহ আলফাৰ সমস্যা আছিল সেই ক্ষেত্ৰতো কিছু সমস্যা সমাধান কৰাৰ বাবে এই চৰকাৰে ব্যৱস্থা হাতত লৈছে আৰু সেই ক্ষেত্ৰত কৃতকাৰ্য্যও হৈছে। কিন্তু এই ক্ষেত্ৰত প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াই যিবিনি কথা কৈছে সেই ক্ষেত্ৰত মই তেখেতক সুধিব খুজিছো তেখেতে অন্ততঃ সত্যৰ খাতিৰত হলেও এটা কথা কব লাগে যে তেখেতৰ শাসন কালত এই সমস্যাবোৰ কি ধৰণে গা কৰি উঠিছিল আৰু সেই ক্ষেত্ৰত তেওঁলোকে কি ব্যৱস্থা হাতত লৈছিল ? তেওঁলোকে সম্পূৰ্ণ ৫ বছৰ কাল শাসন চলাইছিল সেই সময়ত ৰাজ্যখনৰ অৱস্থা কি হৈছিল

* Speech not corrected.

সেই সম্পৰ্কে যি সকলে সম্যক স্বীকাৰ কৰে সেই সকলে এইটো স্বীকাৰ কৰিব যে সেই সময়ত ৰাজ্যখনৰ অৱস্থা অত্যন্ত বেয়া হৈছিল। তেতিয়া কোনো মানুহৰে নিৰপত্তা নাছিল। চাৰিওফালে হত্যা, লুণ্ঠন আৰু এটা অশান্তিৰ পৰিৱেশ বিৰাজ কৰিছিল। এইটো অসমৰ সৰ্ব সাধাৰণ মানুহে স্বীকাৰ কৰিব।

( সদন পুনৰ গণ্ডগোল )

সেই সময়ত লক্ষীপথাৰ আদি ঠাইত যিবিলাক ঘটনা ঘটিছিল সেইবোৰৰ কথালৈ চালেই আমি এইবোৰ কথা বুজি পাওঁ। মহন্ত ডাঙৰীয়াই অন্ততঃ এইবোৰ কথা স্বীকাৰ কৰিব লাগিব। সেই সময়ত মানুহ নিৰাপদে বাহিৰলৈ ওলাব পাৰিছিল নে ?

*শ্ৰীজয়নাথ শৰ্মা : সভাপতি মহোদয় মোৰ এটা ক্লাৰিফিকেচন আছে। এইবাৰ যেতিয়া হোজাই আৰু দবকাত গণ্ডগোল হৈছিল তেতিয়া ৰাগিবী চাহাব তালৈ কিয় যাব পৰা নাছিল ?

*শ্ৰীআব্দুল জলিল ৰাগিবী : সভাপতি মহোদয়, আপুনি বিৰোধী দলৰ গণ্যমান্য নেতা। আগৰ চৰকাৰৰ সময়ত অসমৰ কাগজে-পত্ৰে আৰু তেতিয়াৰ বিৰোধী দলৰ নেতা শ্ৰীশৰৎ সিংহকে ধৰি বিভিন্ন শ্ৰেণীৰ লোককে ধৰি বুদ্ধিজীৱি সকলেও মন্তব্য কৰিছিল। সেই চৰকাৰৰ মানুহে দিনত আছু আৰু ৰাতি আলফা হয়। এই কথা সেই সময়ত কাকতে পত্ৰে পঢ়িছিলো। আজি যি মন্তব্য ডাঙি ধৰা হৈছে সেই মন্তব্যও জানে। (গণ্ডগোল) এটা সংগঠনৰ আলোচনাৰ বাট মুকলি কৰা হয়। সকলো সংগঠনৰ মাজতে কিছুমান বিৰোধিতা কৰা মানুহ থাকে। আলফা সংগঠনৰ যি আলোচনাৰ প্ৰস্তাৱ দিয়া হয় আলফাৰ যিকল বুদ্ধিজীৱি, আলফাৰ যিসকল শান্তিপ্ৰিয় অসমৰ জনসাধাৰণৰ মঙ্গল কামনা কৰে সেই সকলে আলোচনা সমৰ্থন জনায়। আলোচনা-বিলোচনা হলে অস্ত্ৰ শস্ত্ৰ সম্বৰণ কৰিলে আৰু মানুহৰ সামাজিক জীৱনৰ ঘাই সুঁতিলৈ ঘূৰি আহিলে কিছু সময়ত এই ক্ষেত্ৰত বিৰোধিতা কৰা মানুহ নাইকীয়া নহয়। আলফাৰ তেখেত সকলে আলোচনা বিলোচনা শান্তিৰ পথলৈ ঘূৰি আহোতে বাধাৰ সৃষ্টি কৰি আছে। আমাৰ দলৰ পৰা চেষ্টাৰ ত্ৰুটি কৰা নাই। কালিও মুখ্যমন্ত্ৰী মহোদয়ে প্ৰস্তাৱ দিছে তেওঁলোক যাতে সামাজিক জীৱনলৈ ঘূৰি আহে আৰু যি সকলে ঘূৰি অহা নাই সেই সকলক আহিবলৈ আহ্বান জনাইছে। এই সমস্যা শতকৰা ৯০ ভাগে সমৰ্থন কৰিছে। আমি আশা ৰাখিছো এই

★Speech not corrected.

সমস্যা অনতি পলমে সমাধান হৈ যাব । আগৰ চৰকাৰৰ সময়ত যি সকল বিধান সভাৰ সদস্য আছিল যি সকল লোকসভাৰ সদস্যা আছিল যি সকলে চৰকাৰ চলাইছিল সেই সকলে যদি আলফা সমস্যা সমাধান হোৱা নাই বুলি অভিযোগ কৰে তেতিয়া হলে লাজৰ কথা । আমাৰ কাৰণে আৰু এতিয়া চৰম কথা হৈ পৰে । গতিকে মই আশা কৰো এই অৱস্থাৰ কথা নোকোৱাই ভাল । মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াই প্ৰশ্ন কৰিব খুজিছে, তেখেতেও মুখ্যমন্ত্ৰী আছিল । তামোলপুৰত তেখেতে মিটিং কৰিছিল । বৰ্থাজুলি তামোল-পুৰৰ পৰা ৫/৬ কিঃ মিঃ দূৰ হব, তাত অমানুষিক অত্যাচাৰ হৈছিল । মানুহক হত্যা কৰা হৈছিল । এই কথা বাতৰি কাকতত প্ৰকাশ পাইছে । যদি বাতৰি কাকতে ভুল কৰা নাই ।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মই স্পষ্টীকৰণ দিওঁ যে সেইদিনা মই খবৰ পাইহে তালৈ গৈছিলো । যিটো কথা মাননীয় সদস্য গৰাকীয়ে উৎথাপন কৰিছে সেইটো সত্য নহয় ।

*আব্দুল জলিল ৰাগিবী : যি কি নহওঁক, কেনেধৰণে চৰকাৰ সেই সময়ত চলাইছিল । এইটো অতিশয় লাজৰ কথা । বৰ্থাজুলি গোটেই গাওঁখন সম্পূৰ্ণ অসমীয়া মুছলমান গাওঁ । সেই সময়ত মই প্ৰতিবাদ কৰিছিলো । তেতিয়া কোনো ফল নধৰিলে । আজি অসমত আলফাৰ সংঘৰ্ষ চলি আছে । এইবিলাক কথা কিয় হয়, অসমৰ বাইজে বাহিৰত হাঁহি থাকিব । অসমৰ ৰাইজে জানে, এই সমস্যা সমধান কৰা হৈ গৈছে । মই শ্ৰীজয়নাথ শৰ্মাক ব্যক্তিগতভাৱে ভাল পাওঁ, তেখেতে কৈছিল মাননীয় মুখ্যমন্ত্ৰী শইকীয়া ডাঙৰীয়াই ভাল কাম কৰিছে । আলফাক মূল সুঁতিলৈ ঘূৰাই আনিছে ।

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই তেনে কথা কোৱা নাছিলো । এই সম্পৰ্কে ডকুমেণ্ট দিলে ভাল হয় । তেখেত মৌলবী মানুহ, অসত্য কথা কোৱা ভাল নহয় ।

*শ্ৰীআব্দুল জলিল ৰাগিবী : মুখত কোৱা কথা বিলাক ক'ত ডকুমেণ্টচ আছে । আমি মৌলবী মানুহ যেনেকুৱা, তেখেতও বামুণ মানুহ । অসত্য কথা বামুণেও কব নেলাগে । (হাঁহিৰ ৰোল উঠে) ।

* Speech not corrected.

মাননীয় সভাপতি মহোদয়, আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াই এটা আচল কথা কৈছে। সকলো কথা ওপৰে ওপৰে 'টাছ' কৰি উত্তৰ দি আছে এটা কথা উল্লেখ কৰিছে যে বড়ো সম্প্ৰদায়ৰ লগত চুক্তি কৰি অসম খন ভাগ কৰাৰ ষড়যন্ত্ৰ চলাইছে। এনেকুৱা হলে অসম খন এতিয়া থাকিব ক'ত। এইটো কথা থিক যে আগৰ অসম খন যেনেকৈ আছিল তেনেকৈ থকাটো ঠিক আছিল। আমাৰ অসম খন পুৰণা অসম হিচাবে থাকিব লাগে। এটা কথা স্বীকাৰ কৰিব লাগিব য'ত ন্যায় বিচাৰ কৰা নহয়, প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হয় সেইটো সম্প্ৰদায়ে ন্যায় অধিকাৰ খিনি পাবৰ কাৰণে দাবী জনায়। এইটো ইতিহাসত আছে যে বড়ো সকলৰ লগত আমাৰ মুছলমান সকলৰ এক ঘনিষ্ঠ সম্পৰ্ক আছে। অসমীয়া মানুহৰ সৰ্ব প্ৰথম যি জন মানুহ মুছলমান হৈছিল সেইজন আছিল বড়ো মানুহ। 'তাৰিখে ফৰিষ্টা'ত আছে ১২ শ খৃষ্টাব্দত তিব্বত আক্ৰমন কৰিবলৈ গৈছিল। তাত যোৱা প্ৰথম অসমীয়া মুছলমান মানুহ জনক জাগি নাম দিছিল। আজি বড়ো সকলেও নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ ন্যায্য দাবীৰ আন্দোলন কৰিছিল। আমি ন্যায় বিচাৰ দিব পৰা হলে গাৰো সকল আমাৰ পৰা আতৰি নাযায়। তেনেকৈ নগা, খাছিয়া, মিজোসকল আমাৰ পৰা ওলাই গৈছে। ফলস্বৰূপে সৃষ্টি হৈছে মেঘালয়, নাগালেণ্ড, মিজোৰাম আদি ৰাজ্য। এতিয়া অসমখনত যাতে অশান্তিৰ সৃষ্টি নহয় তাৰ বাবে কিছুমান অধিকাৰ দি নিজৰ সুখ শান্তি অনাৰ বাবে সুকীয়া ব্যৱস্থা লব লাগে। অসম থাকিব মাত্ৰ তাৰ সমস্যা বিলাক সমাধান কৰাৰ কাৰণে এইটো কৰা হৈছে। অসমক ভাগ কৰা হোৱা নাই। তেনেকৈ কাৰ্বী আৰু অন্যান্য সম্প্ৰদায়ে তেওঁলোকৰ ন্যায্য দাবীৰ অধিকাৰ বিচাৰিছে। সেই বিলাক আমি বিবেচনা কৰি সুবিধা দিব লাগে। যোৱা চৰকাৰৰ দিনত এই সমস্যা সমূহ সৃষ্ট হৈছিল। এই সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছিল। তেতিয়াই আলফাৰ সৃষ্টি হৈছিল। এই বিলাক আলাপ আলোচনা কৰি সমস্যা সমাধন কৰিব পাৰিলে বাকী বিলাক সমস্যাও সমাধান হব। এই ক্ষেত্ৰত বাস্তৱ দৃষ্টি ভঙ্গী গ্ৰহণ কৰাৰ কাৰণে বিৰোধীৰ কাৰণে বিৰোধীতা নকৰিবলৈ অনুৰোধ জনাইছো। কিছুদিনৰ আগতে সাম্প্ৰদায়িক গণ্ডগোল হ'ল সি কেনেকৈ হ'ল কিয় হ'ল এই গোতেই বিলাক অনুসন্ধান কৰি উলিয়াব লাগে। নগাৱতে হওঁক, হোজাইতে হওঁক, যমুনামুখতে হওঁক তাৰ পৰা ধুবুৰীলৈকে সাম্প্ৰদায়িক সংঘৰ্ষত নিৰিহ মানুহ হত্যা কৰা হৈছে।

এনেকুৱা অমানুসিক সংঘৰ্ষত মন্ত্ৰী বিধায়ক যিয়ে জড়িত নাথাকক তেওঁলোকক যেনে ধৰণৰ শাস্তি দিয়াটো যোগ্য ঠিক তেনেধৰণৰ শাস্তি দিয়াটো আমি বিচাৰো এজন চিকলংকিত মানুহক সেই ঘটনাৰ পৰা কলংকিত হোৱাটো নিবিচাৰো।

মাননীয় সভাপতি মহোদয়, মই মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে কব খুজিছো যে নিৰিহ মানুহক হত্যা কৰা কাৰণে তদন্ত কমিশ্যন দিয়া হৈছে। এই তদন্তৰ যাতে মৰ্য্যাদা থাকে, মান-সন্মান থাকে। মাননীয় সদস্যসকলে নিশ্চয় জানিবলৈ পাব যে এই ঘটনাৰ অন্তৰালত কোন শক্তি, বিধায়ক আৰু মন্ত্ৰী নিহিত হৈ আছে। অতি গুৰুত্বসহকাৰে মই কব বিচাৰিছো যে ডবকা আৰু যমুনামুখত বিৰাট হুলস্থুল হৈছিল আৰু যমুনামুখৰ বিধায়কৰ বিৰুদ্ধে পত্ৰ পত্ৰিকাত এনেকুৱা বাতৰি ওলাইছে যে এই মানুহজনক দেখিলে মাৰিব লাগে। এইজন নৰ হত্যাকাৰী ইমান নিৰ্মম, মাৰিব লাগে, কাটিব লাগে। এনেকুৱা এটা মনোভাৱ ঘৃণাৰ ভাব কুচক্ৰান্ত আৰু ষড়যন্ত্ৰ সৃষ্টি হৈছিল। মই সেই ক্ষেত্ৰত বহুত ধৈৰ্য্য ধৰি আছিলো কাৰণ সেই সময়ত যদি মাত মাতিবলৈ যাওঁ তেতিয়া উত্তপ্তৰ পৰা আৰু উত্তপ্তৰ পৰিস্থিতি সৃষ্টি হলহেতেন। সেয়েহে এই ঘটনাৰ সবিশেষ এই সদনৰ জৰিয়তে মই মাননীয় সদস্যসকলক জনাব বিচাৰিছো। সভাপতি মহোদয়, ডবকা আৰু যমুনামুখৰ বিধায়কক লৈ কৈছে। ঘটনা কোনে কৰিছে কাৰ পৰা হল কি ধৰণে সংঘটিত হল এই বিষয়ে মই এতিয়া কওঁ।

মাননীয় সভাপতি : আপুনি সদনত বহুত সময় লৈছে অলপ চমু কৰিব।

*আব্দুল জলিল ৰাগিবী : মাননীয় সভাপতি মহোদয়, ঘটনাটো ঘটিছে হোজাই সমষ্টিত। আক্ৰান্ত হৈ হোজাই সমষ্টিত আক্ৰন্তকাৰীয়ে আশ্ৰয় ললে ডবকা সমষ্টিত। হত্যাকাৰী ৰাগিবীক ফাচী দিব লাগে বুকুত ত্ৰিশূল মাৰিব লাগে। ২ নং কথাটো হল যোগীজান মৌজাত সংঘটিত হোৱা ঘটনা। এ, জি, পি, ৰ মাননীয় সদস্যসকলক দায়িত্ব সহকাৰে কৈছো— যমুনামুখ মৌজাৰ ২-১ খন ঠাইত ঘটনা ঘটিছে। সভাপতি মহোদয়, আপোনালোকে নিশ্চয় দেখিছে আসাম ট্ৰিবিউনত এটা বিৰাট ৰিপোৰ্ট ওলাইছে। আব্দুল কাজিৰ লস্কৰ নামৰ এজন লোকে সংখ্যালঘুক ৰক্ষণা-বেক্ষণ দিছে। সেই সকলক চাবৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী মহোদয়, মন্ত্ৰী আৰু বিধায়কসকল গৈছিল। সেই ঠাইত আব্দুল কাজিৰ লস্কৰে নিজে ঘটনাৰ বৰ্ণনা দিছিল। তেখেতে বহুতো মানুহক ৰক্ষণা-বেক্ষণা দি আছিল।

*Speech not corrected.

সেই মানুহজনক মাৰিবৰ কাৰণে ডকাইটি লগাইছিল। কিন্তু প্ৰশাসনৰ তৎপৰতাৰ কাৰণে এতিয়াও মানুহজন বাচি আছে। সেই মানুহজনৰ জবানবন্দী যিনিহে মই ইয়াত উত্থাপন কৰিছো আটাইতকৈ মৰ্মান্তিক ঘটনা ঘটিছিল কুকুৰবস্তীত। চিৰাজউদ্দিন নামৰ এজন লোকে ২ জন মান মানুহৰ লগ লাগি আব্দুল কাজিৰ লস্কৰ আৰু অন্যান্য সকলৰ সেই ঘটনাস্থলীলৈ যোৱাত বাধা দিছিল আৰু কৈছিল এইবিলাক কথা ইয়াত নচলিব নহলে তোমাক উৰাই দিম। এইবিলাক কথা আব্দুল কাজিৰ লস্কৰৰ পৰা জানিব পাৰিছো। সেই চিৰাজুদ্দিন নামৰ মানুহজন কোন জানেনে? ডবকাত অ.গ.প যোৱা নিৰ্বাচনত যিজনে প্ৰতিদ্বন্দ্বিতা কৰিছিল সেই জনৰ আপোন ভাগিন আৰু এ.জি.পি.।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় সভাপতি মহোদয়, কিছুমান কথা আমি নিয়ম-নীতি মানি চলা ভাল। ইতিমধ্যে এই সম্পৰ্কত এনকুৱাৰি কমিটি কৰি দিছে গতিকে তাৰ ওপৰত বাক-বিতন্দা নকৰাই ভাল। সদায়েই আমি দেখি আহিছো, এনে বিলাক কাৰণতেই ইজনে-সিজনক দোষাৰোপ কৰি থকা হৈছে। সেয়েহে মই কওঁ যে এই সম্পৰ্কত এনকুৱাৰি কমিটি কৰি দিছে যেতিয়া তাৰ ওপৰত আলোচনা নকৰাই ভাল।

*Shri Zoii Nath Sarma : The Commission of Enquiry itself is a quasi judicial institution. The matter is already under quasi-judicial stage. Whether he is guilty or not he should not mention here. The matter should not be discussed. It will be better if you give your rulling not to allow the Speaker to speak on the matter which has already been referred to the Quasi Judicial Court.

*শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় সভাপতি মহোদয়, ডবকা, গোৱালপাৰা, ধুবুৰী ইত্যাদি ঠাইত সংঘটিত হোৱা ঘটনাক লৈ ইতিমধ্যে এনকুৱাৰি কমিচন বহুওৱা হৈছে সেইটো সময়ত হব।

Mr. Chairman : Since the matter to under enquiry by Enquiry Commission so we will get the truth when Enquiry Report will be available. In view of this it is better not to go in detail as to who is and who is not guilty at this stage. But there can be a general discussion without implicating anybody until and unless the Report is available.

---

* Speech not corrected.

*আব্দুল জলিল ৰাগিবী : মাননীয় সভাপতি মহোদয়, এনকুৱাৰি কমিচনত এইটো দিছে যেতিয়া মইও আলোচনা নকৰাই ভাল হব। কিন্তু অতি মাত্ৰে কিছুমান অপপ্ৰচাৰ হৈছিল আৰু এই অপপ্ৰচাৰ হোৱাৰ কাৰণে মই বিধান সভাৰ মজিয়াত কথাষাৰ কৈছো। অৱশ্যে এনকুৱাৰি হৈছে যেতিয়া মই এই বিষয়ে নোকোৱাই ভাল হব।

মাননীয় অধ্যক্ষ মহোদয়, সি-যি-কি নহওঁক ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যি ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰা হৈছিল তাক মই সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে ইয়াৰ ওপৰত যি বিৰূপ প্ৰতিক্ৰিয়া কৰিছে তাক বিৰোধীতা কৰি মোৰ বক্তব্য সামৰণী মাৰিলো।

( Mr. Speaker took Chair at 12.55 P.M. )

Mr. Speaker : Now, Honourable Member Dewan Joynal Abedin. Your party time is 20 minutes.

*Dewan Joynal Abedin : Mr. Speaker Sir, I take my stand here to speak a few words in support of the Amendment Motion that I have moved to the Motion of Thanks on the Governor's Address. Sir, I have moved the Amendment Motion to the Governor's Address because I feel that the Governor's Address does not reflect the burning problems of the people of the state and not only that Sir, it does not only reflect the burning problems of the people rather Sir, it wants to by-pass and sidetract the main issues, main problems of the life of the people of the state and it wants to suppress them. There is no reflection on the true picture of the life of the people. That is why, Sir, I support the Amendment Motion. Sir, what is the true picture of the state. Here we know that prices are going up heavily and that as we know the central Government is run by Congress(I) Government, just like it is in our State. Very recently through the budget and prior to

* Speech not corrected

the budget, they have increased the prices of essential commodities like kerosen, diesel, petrol, cooking gas, sugar etc. Sir, not only that, when the private businessmen increases the prices of essential commodities, side by side the government is also increasing their taxes. So, Sir, there is a suffocating condition prevailing in the State. Government says that there is no economic crisis, but Sir, we are living in a state today where there is severe economic crisis for all of us particularly in the villages where there is no work. People, men and women, in hundreds and thousands and unemployed are leaving the villages to the towns in search of livlihood and work. That is the reality in the state of Assam now.

Now Sir, in this financial crisis what the Government have done to ameliorate the condition in Industrial or Agricultural Sector. Now Sir, it is better not to speak of the economic measures that the Government has taken or is taking to improve the industrial condition in the State: Sir, it has been claimed in the Governor's regarding setting up of one refinery. Well if there is any credit that should go to the people of Assam which is the result of the movement of the people of the State. Government cannot demand any credit for it. What has happened to Ashok Paper Mills. It was also a part of Assam Accord. what is the reality ? The employees of Ashok Paper Mills are not getting their salaries for the last 20 months. They have been compelled to sold their personal belongings also. Now Sir something about the communal violence in the State. The Governor's address claimed that by immediate action

the Governmen has brought down the situation under control. Sir, is the situation really under control ? Even the other day spuradic incidents happened in Nagaon— five murders have been committed. Even in Dhubri in my District, Dhubri has become deserted town. But the Goverment claims that the situation has been brought under control. Now Sir, the government could have claimed the credit. But how can they ? Who are responsible for this communal violence ? Sir, this communal violence has spread as a fall out of Ayodhya incident of December, 6, 1993. And who is again behind this Ayodhya incident. We all know that the Congress (I) has got some links with BJP. I fully agree Sir that the Congress (I) is fully responsible for the destruction of the Bubri Masjid. Who are the people responsible for the communal violonce in Assam Sir, ? In Assam also number of Ministers and M.L.A. have come up for such violance. We hope that within the terms of reference of the Enquiry Commission not only the officers but the Ministers and M. L. A's should also be covered.

Mr. Speaker : The matter has been referred to the Enquiry Commission.

★ Dewan Joynal Abedin : Sir, the Commission should bring back all and sundry equal in the eyes of law. Here no Minister or M.L.A is found guilty directly or indirectly in communal violence. Now Sir, we hope that the Government if they really deserve credit, they should even now take effective measures to being back normalcy in the State. Sir, now one thing carruption, so many things

---

* Speech not corrected.

stated about corruption. A charge has been brought from the Treasury Bench. Not only that Sir, it has been proved that in the charge of corruption some Ministers have been dropped as a result of pressure from the people. It has also been said while not only those Ministers have been responsible who have been dropped, there are some other Ministers against whom charges of corruption leveled. Now the people of the State are happy that some action against corruption have been taken. We appreciate the Government. At the same time we demand that Government should take action against those Ministers against whom action not yet been taken. Chief Minister is the Leader of the House. It is heard that some Ministers are challenging the authority of the Leader of the House. I would like to make suggestions that there should be a High Powered Committee of All Party Enquiry Commission as told by you to go into the allegations against the present Ministers and Government should have that courage. This is my humble submission to you Sir, Now Sir, you have seen in my motion of amendment on the Governor's Adress fails to make any mention of the fact that the Government has taken away all legetimate democratic rights of the people of the State, their freedom of speech, freedom of expression to such an extent that even Opposition Political Parties today are not allowed to hold their demonstrations, meeting etc. Today Sir, for holding a meeting a Political Opposition Party has to apply to the Deputy Commissioner and the D. C. has the power to reject it. But the Government has claimed that the normalcy has been

restored. If normalcy has been restored why this un-declared state of emergency prevailed in the state of Assam. All the time 144. Is this a sign of democracy ? The other day our party SUCI wanted to hold a street corner meeting. But the Government did not allow to hold such meeting. Don't we have the right to express our views ? What is the need of Black Acts ? The existing acts are enough. The problems like terrorist activities ULFA etc. are being maggnified: These problems are taken as ploy to cover misdeeds of the Govt: Under this ploy the Government is trying to cover up its wrong actions now prevailing in the state.

Now sir, one thing is there, this Government is expecing one thing, wherever there any tendency of any mass or popular movement building up, this Government knowns the technique how to break it. This Government knows it very well, so that there may not be any mass movement, how to divide the people in the name of region, in the name of religion and in the language of language between the different ethnic groups It is very sad. At present, we are passing thorugh a very crutial period of our history in Assam Sir, to-day before us we have this Bodo Autonomous council Accord which has been agreed to in the All party meeting held on 22nd September under the Chairmans of the Chief Minister. In that meeting our party has categorically said that we are cannot to the creation of this Council. Actually because, we are not opposed to the interest, the problems and grievances of the Bodo people: Not only that, we have the maximum sympathy for the common Bodo people.

On the other hand, we believe, as a matter of principle creation of a separate State for the Bodo people does not, and cannot ameliorate the real problems of the tribal people of Assam. That is why we have opposed this move in the initial stage. And now even after that we are seeing that the Bodoland accord is signed. We oppose the very nomenclature Why it should be Bodoland Autonomous Council ? It should have been Bodo Autonomous Council. This Accord has already been signed. In respect of their problems we have the deepest sympathy. We hope that the Bodo people will live in peace and in prosperity, we want to help them. But there cannot be a land within a land. But where it leads after the creation of the separate State. It will not be helping in way even the common Bodo people. The people have the right to use its capacity to build a mass movement against the centre. We admit that they have been discriminated against in many respects such as, cultural, linguistically, economically etc. and in many ways they have been deprived. They have the legitimate right to rise against the policies of Government. They will be helped in this by the non-Bodo people, the Hindus, the Muslims, the Assamese and the Bengalies alike to ameliorate their problems from the capitalist exploitation. Even all should them in order to build up a mighty movement against the capitalist system. That is why, as a matter of principle we have opposed the creation of the Bodoland. About the autonomy we have this idea that they have demanded a separate State and not an autonomy. Yesterday, the Chief Minister has also assured that Autonomy will be

given to the Laloongs, to the Mishings, the Rabhas and what not. In this way all the ethnic people living in Assam will demand separate states for them all. Assam will be sub-divided into an Autonomous Council. What is actual Autonomy, our Karbi members have their experience in their Council. It is simply a bureaucratic control in the name of autonomy. So our Bodo friends they should not be mislead by this concept. Even the semblance of unity between the Bodo people and the non-Bodo people should not be allowed to be broken. Assam is a land of unity since the days of Sankardeva. It is an unique land. This bond of unity, kinship and brotherhood among us should be allowed to go estray between us all and from the Bodo people in Assam. Because, the Bodos are the aboriginal people of Assam. All these people were living here in Assam from shoulders to shoulder and extending helps to one another and also standing united against all odds, particularly against the capitalist people and their exploitation. So, we have our united sympathies with them. In future also we have to maintain the age-old bond of friendship between the Bodo people and the non-Bodo people of Assam. With these words, I again hope that Government will take all measures to fulfil the legitimate demands and aspirations of the Bodo people and the Bodo people will also things which will keep the bond of friendship between them and the non-Bodo people as cordial as ever. Thank you sir.

★ শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ বিতৰ্কৰ আলোচনাত অংশ গ্ৰহণ কৰি মই এটি পৰ্য্যা-

* Speech not corrected.

লোচনা আগ বঢ়াব বিচাৰিছো। আজি আমাৰ আনন্দ বুলিয়েই কব লাগিব কিয়নো এইখন অস্থায়ী ৰাজধানীতে বিধান সভাত দ্বিতীয় বাৰৰ কাৰণে এক ইতিহাস সৃষ্টি কৰিব পাৰিলে যিটো আমি প্ৰথম পৰ্য্যয়ত ভবা নাছিলো। সেইদৰে ১৯৮৫ চনত এইখন বিধান সভাতে প্ৰথম বড়ো ভাষাটো অসমীয়া ভাষাৰ সহযোগী ভাষা হিচাবে স্বীকৃতি পাইছিল আৰু ইতিমধ্যে ১৯৯৩ চনৰ মাৰ্চ মাহত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বি, পি, এ, চিৰ মাজত মেমোৰেণ্ডাম অব চেটেলমেণ্ট বড়ো একৰ্ড মঞ্জুৰ হৈ গ'ল। গতিকে আজি আমি বিৰোধী দলৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো আৰু অসম চৰকাৰ আৰু বি, পি, এ, চিলৈ এই সন্দৰ্ভত ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হব লাগিছিল, আমি এই সংশোধনী ৰাজ্যপালৰ ভাষণত আনিছো আৰু এই সংশোধনীটো কৰি লবৰ কাৰণে আপোনাৰ জৰিয়তে ৰাজ্যপালৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছো। আজি কিছু দিন আগতে বড়ো সমস্যাটো সমাধান কল্পে ১৬ টা ৰাজনৈতিক দলে স্মাৰক পত্ৰ প্ৰদান কৰিছিল আৰু ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰলৈ হেচা প্ৰদান কৰিছিল সেয়ে আমি তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছো। সেইদৰে ৰাষ্ট্ৰীয় পৰ্যায়তো অসমত বড়ো সকলক অধিক স্বায়ত্ব শাসন প্ৰদান কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেচাৰ দি আহিছে আৰু দাবী জনাই আহিছে। সেই কাৰণে বিৰোধী দলৰ ফালৰ পৰা এই সন্দৰ্ভত তেখেতসকললৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিলো। এই বড়ো চুক্তি হৈ যোৱাৰ পাচত যিখিনি প্ৰচেচ বা ইমপ্লিমেণ্টেশ্যনৰ কাম আছে আৰু অন্যান্য বহুতো কাম বাকী থকালৈ চাই সেই ফালৰ পৰা এতিয়া অধিক আনন্দ প্ৰকাশ কৰিবৰ সময় অহা নাই, ইয়াৰে ২০ নং ক্লজত আছে..... protection of rights to non-tribals and other rights and interest to the non-tribals living in B. A. C. will be protected atleast as long as their language is concerned.... এই ক্লজ মতে এইটো স্পষ্ট ভাবে দেখা যায় যে নন বড়ো সকলে এই চুক্তিৰ পৰা আশংকা কৰা স্থল নাই বুলি মই ভাবো। তেখেত সকলে যেনে ধৰণে চিন্তা কৰিছে বা তেওঁলোকৰ ভয় হৈছে সেইটো প্ৰকৃততে নহয়, আমি তেওঁলোকৰ কাৰণে বেচিকৈ চিন্তা কৰিছো। বি, এ, চিৰ এৰিয়াৰ বাহিৰতো আমাৰ যথেষ্ট বড়ো জনজাতিৰ লোক আছে সেই সকলৰ কাৰণেও

আমি বেচি চিন্তা কৰিছো। শতকৰা ৩৩ ভাগ থাকোতে জনজাতীয় লোকৰ ৰিজাৰ্ভেশ্যনৰ ক্ষেত্ৰত কিছু বাধাপ্ৰাপ্ত হৈছিল কিন্তু এতিয়া শতকৰা ৫০ ভাগ থকাৰ কাৰণে যিটো বি, এ, চি দিলে সেইটো যাচ্‌টিফাইড্‌ হৈছে। বি, এ, চিৰ এলেকাৰ অন্তৰ্ভূক্ত অঞ্চলত ১৩৯ খন চাহ বাগিছা আছে, এই সম্পৰ্কত বি, পি, এ, চিৰ লিডাৰ সকলে কমপ্লেইন কৰিছে যে আমাৰ চোতালত যি কেইখন চাহ-বাগিছা আছে, সেইটো অসম চৰকাৰে দিয়াত কোনো ক্বপনালি থকাটো উচিত নহয় বুলি ভাবিছো। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আলোচনা কৰি ২৫ খন চাহ বাগিছা ৰাখিছে, আন হাতেদি কাৰ্বিআলংত ৩ খন পোৱা হৈছে। আপোনা-লোকে জানে গোৰ্খালেণ্ড দাৰ্জিলিঙত কেবাখনো চাহ বাগিছা আছে। গতিকে বি, এ, চিৰ অন্তৰ্ভুক্ত যি কেইখন চাহ বাগিছা আছে সেই কেইখন বি, এ, চিৰ এলেকাত পৰাৰ বিষয়ে লিডাৰ আৰু চৰকাৰৰ মাজত বুজা পৰা হৈছে। এই সন্দৰ্ভত অভয়বাণী ৰাখিবলৈ বিচাৰিছো যে ভাৰতীয় সংবিধানৰ অখণ্ডতা ৰক্ষা কৰি বৃহত্তৰ স্বাৰ্থৰ খাতিৰত বি, এ, চিৰ এই চুক্তিখন স্বাক্ষৰিত হৈছে। সেই কাৰণে বড়ো চুক্তি সম্পাদিত হোৱাৰ পিচত তাত ইমপ্লিমেনটেঞ্চ কৰাৰ ক্ষেত্ৰত আৰু ইয়াৰ বিভিন্ন ক্লজ সমূহৰ কাৰ্য্যকৰি কৰিবৰ কাৰণে অসমৰ সৰ্ব-সাধাৰণ সকলো ৰাইজৰে সহায় সহযোগ আগবঢ়াবলৈ বিৰোধী দলৰ ফালৰপৰা আহ্বান জনাই কলা-সংস্কৃতি আৰু আৰ্থিক-সামাজিকভাৱে যোৱা ৩৯ বছৰে জনজাতীয় লোকসকল প্ৰতাৰিত হৈছিল আৰু অৱহেলিত হৈছিল। ৰাজনৈতিক-ভাৱে তেওঁলোকক আন্ধাৰত ৰখা হৈছিল। এই এশ একুৰি সমস্যা থকাৰ কাৰণে এই বিশাল আন্দোলন হৈছিল আৰু এই সমস্যাটো গণতান্ত্ৰিকভাৱে বড়ো চুক্তি স্বাক্ষৰিত হ'ল আৰু সমস্যাটো সমাধানৰ পথত আগবাঢ়ি গ'ল। ৰাজনৈতিকভাৱে সমস্যাটো সমাধান কৰিব লাগে। সেই কাৰণে আমি বিভিন্ন বাতৰি কাকতত দেখিবলৈ পাইছো আনকি কোনো পেপাৰৰ এডিটৰিয়েলতো বড়ো চুক্তি সম্পাদিত হোৱাৰ পিচত এই চুক্তি কেউফালৰ পৰা অভিনন্দন জনাইছে, আজি এই বিধান সভাৰ মজিয়াত বিধায়ক সকলক অনুৰোধ জনাইছো কিয়নো বড়োলেণ্ডৰ ক্ষেত্ৰত বহুতে ভুল ইণ্টাৰপিটেশ্যান কৰিব পাৰে। লেণ্ড মানে লেণ্ড বা ভূমি। বড়ো লেণ্ড একেলগে। বড়ো লেণ্ড সাত ভনী হোৱাৰ নিচিনাকৈ সাত ভনী হব পাৰে। এটা কথা আমি এপ্ৰিচিয়েট কৰিছো সকলোৱে ৰাজনীতি পৰিচালনা কৰাৰ ক্ষেত্ৰত মন্তব্য প্ৰকাশ কৰিছে। বড়ো লেণ্ড চুক্তি হোৱাৰ পিচত এই

বড়ো লেণ্ড লৈ নন বড়ো সকলে আশংকা কৰাৰ কোনো থল নাই বুলি ইতি-মধ্যে জনাইছো আৰু এই সম্পৰ্কত আবেদিন চাহাবে যুক্তি দৰ্শাই যি বক্তব্য ডাঙি ধৰিছে তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। ৰাজ্যপালৰ ভাষণত ৰহুতো কথাই কোৱা হৈছে, অস্থায়ী ৰাজধানীত এইটো দ্বিতীয় বাৰৰ বাবে ইতিহাসৰ সৃষ্টি কৰিলে, সেইদৰে ১৯৮৫ চনত বড়ো ভাষাটো বহু বিতৰ্কিত আলোচনাৰ পিচত সহযোগী ভাষা হিচাবে গ্ৰহণ কৰিলে তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। এইটো সঁচাকৈয়ে এটা ইতিহাসৰ সৃষ্টি কৰিলে। ইতিমধ্যে দৰং জিলাত সেই চুক্তি লৈ চাহ বাগিছা আৰু চাহ শ্ৰমিকৰ্ মাজত ভুল বুজা বুজি হোৱা বুলি কৈছে কিন্তু প্ৰকৃততে হোৱা নাই। অৱশ্যে নলবাৰী আৰু কামৰূপ জিলাত দুই এখন কাগজত লিখিছে এই চুক্তি খনত যিসকলে গম্য পোৱা নাছিল বা চুক্তিখনক সমৰ্থন কৰা নাছিল এনেকুৱা এচাম লোকে ৰাজনৈতিক মুনাফা আদায় কৰিবৰ কাৰণে এই ধৰণে লিখিছিল। মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্ট ভাবে জনাইছে। এতিয়া আমাৰ অধিক দায়িত্ব আহি পৰিল। ৰাজ্যপালৰ ভাষণত অভয়বাণী দিয়াৰ ক্ষেত্ৰত এই আশ্বাস থাকিব লাগিছিল।

Mr. Speaker : You will resume your speech in the afternoon session.

The House now stands adjourned till 3-00 p.m. today.

( The House re-assembled at 3 p m. )

Mr. Speaker : Honourable Member Shri Karendra Basumatary resume his Speech.

মাননীয় অধ্যক্ষ মহোদয়, মই আইন-শৃংখলাৰ ওপৰত অলপ ক'ব বিচাৰিছো। ইয়াৰ লগতে মই ৰাজ্যপালৰ ভাষণৰ যোগেদি আইন-শৃংখলা সম্পৰ্কে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। যোৱা ১৩ আৰু ১৯ জানুৱাৰীত ফটিক বড়ো আৰু সুৰেন নাৰ্জাৰী আৰ্মি অপাৰেশ্যনৰ সময়ত মৃত্যু বৰণ কৰিলে। দুয়োজন নলবাৰী জিলাৰ নাৰায়ণপুৰ গাওঁ আৰু বৰবাৰী থানাৰ অন্তৰ্গত আছিল। এই সম্পৰ্কে আমি ৫ টা ৰাজনৈতিক দলে যোৱা ৪ ফেব্ৰুৱাৰী তাৰিখে চাই আহিলো আৰু ইয়াৰ এটা অনুসন্ধান কৰাৰ বাবে আমি ৰাজ্যৰ মুখ্য সচিব আৰু গৃহ সচিবক স্মাৰক পত্ৰ দিছো। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাবে পৰিয়ালৰ

লোকক সংস্থাপন আৰু এক কালীন সাহাৰ্য্য দিলে ভাল হয় বুলি মই ভাবো। ইয়াৰ লগতে মই চৰকাৰক নিবেদন জনাইছো যে বড়োলেণ্ড যিটো জলন্ত সমস্যা আছিল সেইটো সমধান হোৱাৰ পিছত এইটো অতি শীঘ্ৰে কাৰ্য্যত পৰিণত কৰিব লাগে। তাৰোপৰি কাৰ্বি আংলংৰ কাৰ্বি সকলৰ সমস্যা সমাধানৰ বাবে অতি সোনকালে দৃঢ় পদক্ষেপ লব বুলি মই চৰকাৰক নিবেদন জনাইছো। আলফা সমস্যা সমাধান কৰিবলৈ এটা বলিষ্ঠ পদক্ষেপ লব লাগে বুলি আমাৰ তৰফৰ পৰা চৰকাৰক আবেদন জনাইছো। শেষত সকলো অসমবাসী ৰাইজ তথা বিভিন্ন ৰাজনৈতিক দলে এই বড়োলেণ্ড সমস্যা সমাধানৰ বাবে সমানে মতামত দিয়াৰ বাবে আজি এই সমস্যাটো সমাধান হবলৈ পাইছে বুলি মই কব বিচাৰিছো। লগতে এই সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ লগতে বিৰোধী দল সমূহো কৃতজ্ঞৰ যোগ্য। বিভিন্ন ৰাজনৈতিক দলে এই লৈ স্বায়ত্ত্ব শাসন বড়ো সকলক দিব লাগে বুলি প্ৰধান মন্ত্ৰী আৰু গৃহমন্ত্ৰীক প্ৰস্তাৱ দিছিল। মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী ৰাজনৈতিক দল সমূহৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলতে আজি আমাৰ ৰাজ্যলৈ সুস্থ বাতাবৰণ এটা ঘুৰি আহিছে বুলি মই কব বিচাৰিছো। অধ্যক্ষ মহোদয়, বড়োলেণ্ডৰ যি চুক্তি স্বাক্ষৰিত হ'ল এইটো যেন আখৰে আখৰে ৰূপায়ণ কৰা হয় তাৰ বাবে মই চৰকাৰক নিবেদন জনাইছো। তাৰোপৰি এই চুক্তিৰ ফলত অনা-বড়ো সকলে কোনো আশংকা কৰিব নালাগে। যিহেতু আইন শৃংখলাৰ দায়িত্ব অসম চৰকাৰৰ হাতত থাকিব। আজি বড়োলেণ্ডত যিবিলাক চাহ বাগিছা সোমাইছে সেই লৈ তাৰ অধিবাসী সকলে ভয় কৰিছে। কিন্তু কোনো আশংকা কৰাৰ প্ৰশ্ন নুঠে। মোৰ নিজৰ অভিজ্ঞতাৰ পৰাই কব পাৰো যে আমাৰ কন্দপান মন্ত্ৰী ডাঙৰীয়াই অকল চাহ জনজাতিৰ ভোট পায়েই জয়ী হোৱা নাই। তাত আমাৰ যি বড়ো ভাই-ভনী সকল আছে তেখেত সকলেও তেওঁক ভোট দিছে। সেই বাবেহে তেওঁ বিধান সভালৈ ৪ বাৰ আহিবলৈ পাইছে। গতিকে আমাৰ লগত চাহ জনগোষ্ঠীৰ বুজাপৰা আছে বুলি মই ভাবো।

অধ্যক্ষ মহোদয়, এইখিনিতে কব বিচাৰিছো যে, আমাৰ যি অসম একৰ্ড হৈ গ'ল সেইটো ভালেই হৈছিল। কিন্তু ৰূপায়ণৰ ক্ষেত্ৰত বহুতো খেলি-মেলিৰ কাৰণে ৰূপায়ণ কৰিব পৰা নাই। যাতে এইটো নহয় তাৰ বাবে লক্ষ্য ৰাখিব লাগে। সেই কাৰণে অসম চৰকাৰ তথা ভাৰত চৰকাৰৰ ওচৰত নিবেদন যে,

বড়োলেণ্ড চুক্তিখনো কোনো কপনালি নকৰি বাস্তৱত ৰূপায়ণ কৰিব লাগে। সদনৰ এই মজিয়াতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া দেৱক এজন সিদ্ধ পুৰুষ বা 'মেন অব দি চেচন' হিচাবে আখ্যা দিবলৈ বিচাৰিছো। তেখেতৰ আপ্ৰাণ চেষ্টাৰ ফলতেই আজি এই সমস্যাৰ সমধান হৈছে। গতিকে অসম চৰকাৰ তথা ভাৰত চৰকাৰৰ ওচৰত আমি কৃতজ্ঞতা স্বীকাৰ কৰিব লাগিব। ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰদ্ধেয় নৰসিংহ ৰাও দেৱে ১৫ দিনৰ ভিতৰতে সমস্যাটো সমাধান কৰি দিয়াৰ বাবে যিটো প্ৰতিশ্ৰুতি দিছিল সেইটো ৰক্ষা কৰিলে। তেখেতৰ ওচৰত আমি কৃতজ্ঞ থাকিলো। বিৰোধী দলৰ সদস্য সকলেও আমাক যথেষ্ট সহায় কৰিছিল। আমাৰ যি তিনিজন মাননীয় সদস্য জেলত আছিল তেখেত সকলেও ৰাজনৈতিক ভাৱে হওঁক বা গণতান্ত্ৰিক ভাবে হওঁক, বহুতো সা-সুবিধা আগবঢ়াইছিল। গতিকে তেখেতলৈ ধন্যবাদ জ্ঞাপন কৰিলো। আজিলৈ ৰাজ্যপালৰ ভাষণৰ ওপৰত এইখিনি পৰ্য্যালোচনা কৰি মোৰ বক্তব্য ইমানতে সামৰিলো।

শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি সংশোধনী প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ সমৰ্থনত মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। ৰাজ্যপাল মহোদয়ে যিটো ভাষণ দিয়ে সেই ভাষণ ৰাজ্যপাল মহোদয়ে বা ৰাজ্যপালৰ সচিবে প্ৰিপেয়াৰ নকৰে। ৰাজ্যখনত থকা চৰকাৰখনেহে প্ৰিপেয়াৰ কৰে। এই ভাষণত অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱৰ সম্পৰ্কত লিখিছে যে—"মই জনাবলৈ পাই সুখী হৈছো যে, মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰী শ্ৰীএচ, বি চৱন আৰু মাননীয় প্ৰাক্তন ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীশৰদ পাৱাৰৰ সহযোগিতাত মাননীয় ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীপি, ভি নৰসিংহ ৰাওৰ সুদক্ষ দিহা পৰামৰ্শ আৰু কেন্দ্ৰীয় গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীৰাজেশ পাইলটৰ ব্যক্তিগত উদ্যোগত তথা অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ জ্ঞান বুদ্ধিৰ ফলত যোৱা ৬ বছৰ ধৰি ৰাজ্যখনৰ আইন শৃংখলাৰ পৰিস্থিতি নষ্ট কৰি থকা বড়োলেণ্ড সমস্যাটো সমাধানৰ ক্ষেত্ৰত সফলতা লাভ কৰিব পৰা হৈছে ইত্যাদি।" মাননীয় অধ্যক্ষ মহোদয়, নিজৰ প্ৰশংসা নিজেই কৰাৰ বাবেহে কৈছো। এইখন এখন বিৰল ভাষণ। এনে ধৰণৰ ৰাজ্যপালৰ ভাষণ বিধান সভাত পাঠ কৰা এয়ে প্ৰথম। এই ৰাজ্যপালৰ ভাষণত বড়োলেণ্ড সমস্যাৰ কথা কৈছে আৰু বড়োলেণ্ড সমস্যা সমাধানৰ কথাও কৈছে। এইটো ভাল কথা। এটা ৰক্তক্ষয়ী আন্দোলনৰ পিচত এটা সমাধানৰ পথ মুক্ত হৈছে। দুৰ্দিনৰ সময়তো আলোচনা হৈছে,

মীমাংসাৰ পথলৈ আহিছে আৰু তাৰ ফলস্বৰূপে আজি বড়ো ৰাইজক মেক্সিমাম অটনমি দি স্বায়ত্ত শাসন দিবলৈ বিচাৰিছে। এই পৰিষদত কিমান এৰিয়া হব, কিমান বাগিছা থাকিব, ইত্যাদি কথালৈ এটা সুস্থিৰ মীমাংসাও হব বুলি আশা কৰিছো। নিৰাপত্তাৰ ক্ষেত্ৰত আজি বহুতো প্ৰশ্নৰ অৱতাৰণা হৈছে। বহুতৰ মনত আশংকাৰ ভাৱ আহিছে যে বড়ো স্বায়ত্ত পৰিষদৰ মাজত যিবিলাক অ-বড়ো আছে তেওঁলোকৰ নিৰাপত্তাৰ ক্ষেত্ৰত অসুবিধা হব নেকি? "এ হিষ্টৰি অৱ আসামত এডৱৰ্ড গেইটে লিখিছে— বড়ো ভাষাতো অসমৰ অতি পুৰণি ভাষা। এই ভাষা-ভাষী লোকে অসমীয়া ভাষাকে আকোৱালি লৈছে 'কিন্তু আজি বড়ো সকলে পুণৰ কিয় চেপাৰেট আইদেনটিটি বিচাৰিছে? কিহৰ বাবে এওঁলোকে সংগ্ৰাম কৰিবলগীয়া হল? কিয় অলেখ ৰক্তক্ষয় হল, মাটিবাৰী, ঘৰ-দুৱাৰ নষ্ট হল ভাই-ভনীৰ কৌটিকলীয়া সম্প্ৰীতিৰ সম্পৰ্ক ত্যাগ কৰিবলগীয়া হ'ল কিহৰ বাবে? বড়ো জন-গোষ্ঠীৰ প্ৰতি অৱহেলা কৰাৰ বাবেই এনে সমস্যাৰ উদ্ভৱ হল। এই সমস্যা সমাধান কৰিবলৈ গভীৰ সংবেদনশীলতাৰে বিচাৰ কৰিব লাগিব। তাৰ বাবে পথ আছে, প্ৰশাসন আছে। আমাৰ ইয়াত বড়োলেণ্ডৰ প্ৰতিনিধি সকলো আছে। তেখেত সকলে যি স্বয়ত্ত পৰিষদ শাসন কৰিবলৈ বিচাৰিছে সেই পৰিষদ যাতে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে শাসন ব্যৱস্থা চলায় তাৰ বাবে আশা কৰিলো। গণতন্ত্ৰক জীয়াই ৰখাৰ ব্যৱস্থা কৰিব লাগিব। গণতন্ত্ৰৰ মূল স্বত্ব হল সংখ্যালঘু মানুহৰ অধিকাৰ সুনিৰ্দ্দিষ্ট কৰা। তেতিয়াহে সুস্থ গণতন্ত্ৰৰ প্ৰক্ৰিয়া জীয়াই থাকিব। আজি স্বাভাৱিকতে আমাৰ অন্যান্য জনগোষ্ঠীৰ মাজতো শিক্ষা সংস্কৃতিৰ সুৰক্ষাৰ আশংকাৰ সৃষ্টি হৈছে। এই শংকা দূৰ কৰি অসমৰ ঐক্য সংহতি বজাই ৰাখিব লাগিব।

অধ্যক্ষ মহোদয়, আজি মিচিং, লালুং, ৰাভা আদি অন্যান্য জনগোষ্ঠী সকলেও হেনো স্বায়ত্ত শাসন বিচাৰিছে। লগতে কোচ ৰাজবংশী, মটক, মৰান আদি জনগোষ্ঠীয়েও স্বায়ত্ত শাসন বিচাৰিছে। কিন্তু কি কি সমস্যাৰ বাবে তেওঁলোকে এইটো বিচাৰিছে? মাননীয় সদস্য ৰাগিবী দেৱে কৈছে যে, নাগালেণ্ড, মেঘা-লয় আজি আমাৰ পৰা আতৰি গল। কিন্তু কথা হৈছে কাউঞ্চিল গঠন হোৱাৰ পিচতেই আমাৰ সমস্যা সমাধান হবনে? গতিকে মই অনুৰোধ কৰো যাতে অসমৰ সকলোবিলাক জনগোষ্ঠীৰ নেতৃবৃন্দ আৰু অসমৰ সকলো ৰাজনৈতিক দলক আহ্বান কৰি মুকলিভাৱে জনগোষ্ঠীৰ সমস্যা আৰু বিক্ষোভৰ সম্পৰ্কে আলোচনা

কৰিব লাগে। তেওঁলোকৰ কি কি সমস্যা আছে, এই সমস্যা বিলাক আলোচনাৰ মাধ্যমেৰে মীমাংসালৈ আহিব লাগিব আৰু অসম চৰকাৰে বিধান সভাৰ মজিয়াত এই প্ৰক্ৰিয়াৰ নেতৃত্ব বহন কৰি আৰম্ভ কৰিব লাগিব। মিচিং জাতি অসমীয়া জাতিৰ অংশবিশেষ, লালুং-কাৰ্বি অসমীয়া জাতিৰ অংশবিশেষ, মৰাণ জনগোষ্ঠী অসমীয়া জাতিৰ অংশ বিশেষ, তাৰোপৰি চাহ বনুৱা সকলকো আমি বাদ দিব নোৱাৰো। অসমত যিবিলাক পমুৱা মুছলমান আছে সেই বিলাককো বাদ দিব নোৱাৰো। বিদ্ৰোহী কবি অম্বিকাগিৰি ৰায় চৌধুৰীদেৱেও কৈছে— এই পমুৱা মুছলমান সকল ন-অসমীয়া। আজি তেওঁলোকৰ মনতো শংকা আৰু ভীতিৰ ভাব, শংকাৰ ভাব আহি পৰিছে। মিচিং ভাষাৰ উন্নতি সাধন কৰিব লাগে, লালুং ভাষাৰ উন্নতি সাধন কৰিব লাগে আৰু অসমীয়া জাতিৰ বিকাশৰ পথ মুকলি কৰি সমৃদ্ধ হোৱাৰ বাবে মুকলিভাৱে আলোচনা কৰিব লাগে।

অধ্যক্ষ মহোদয়, যদি লালুং ভাষাৰ, টাই ভাষাৰ উন্নতি নহয় তেন্তে অসমীয়া ভাষা কেতিয়াও সমৃদ্ধ হব নোৱাৰে, অসমীয়া জাতি সমৃদ্ধ হব নোৱাৰে। আমি মুকলিভাৱে আলোচনা কৰো আহক। অসম চৰকাৰে নেতৃত্ব বহন কৰক। আলোচনাৰ যোগেদিহে যুব সমাজক সঠিক পথলৈ আনি ভৱিষ্যত বংশধৰ সকলৰ মাজত যি শংকা, অবিশ্বাসৰ ভাব শিপাইছে তাৰ আলোচনাৰে মীমাংসাৰ পথ উলিয়াব লাগিব। আলফাক বিভক্ত কৰা হৈছে বুলি বহুতে সমালোচনা কৰিছে। যিবিলাক আলফা সদস্যই আলোচনা কৰিব বিচাৰিছে তেওঁলোকৰ লগত চৰকাৰে আলোচনা কৰা নাই কিয়? আলোচনা কৰক। চৰকাৰে প্ৰস্তাৱ দিয়ক— যি প্ৰস্তাৱৰ যোগেদি সমস্যা সমাধান কৰিব পৰা হয়। চাৰেন্দাৰ আৰু নন-চাৰেন্দাৰৰ মাজত ভাতৃঘাটি সংঘৰ্ষ হৈছে। চাৰেন্দাৰ কৰা আলফাক কিদ্‌নেপ কৰিছে। এই গভীৰ সমস্যাক আলোচনাৰ জৰিয়তে মীমাংসা কৰক। দুই এজন মাননীয় সদস্যই কৈছে যে, ২/৩ লাখ টকা, মাৰুতি গাড়ী দি আলফা সমস্যা সমাধান কৰিব পৰা নাযায়। ৰাজ্যপালৰ ভাষণত শিক্ষা প্ৰসাৰৰ কথা কৈছে। এই বিভাগত ব্যাপক দুৰ্নীতি হৈছে। মাননীয় সদস্য এগৰাকীয়ে কৈছে লক্ষীৰ উৎপাতত সৰস্বতী পলাই পলং মাৰিছে। ৰাষ্টা ভঙাত চাইকেল কান্ধত লৈ পাৰ হৈ সমষ্টিলৈ যায় বুলি এগৰাকী সদস্যই কৈছে। ৰাষ্টা বেয়া হলে মেৰা-মতি কৰিব পাৰি কিন্তু জাতি এটা ধ্বংস হৈ গলে কোনে মেৰামতি কৰিব? দিচপুৰৰ গোপাল বৰো হাইস্কুলত বি, এচ, টি আৰু অন্য শিক্ষক নিযুক্তি দিয়া

হৈছে। অষ্টম শ্ৰেণীত তেওঁলোকে পঢ়াব নোৱাৰে। আজি অসমৰ বিদ্যালয় সমূহত সামগ্ৰিকভাৱে এইটোৱে হৈছে। এই স্কুল বিলাক পুৰণা শিক্ষক বিটায়াৰ হ'ল ইংৰাজী কোনে পঢ়াব, বিজ্ঞান কোনে পঢ়াব ? ফলত গোটেই অসমীয়া ভৱিষ্যত প্ৰজন্মক ধ্বংক কৰা হৈছে। ভৱিষ্যত বংশধৰ কন কন শিশু সকলে পাঠশালা স্কুল, কলেজত পঢ়ি ভৱিষ্যত অসমৰ নাগৰিক হব। এই পদ্ধতিত শিক্ষা দিলে বৈজ্ঞানিক, ইঞ্জিনিয়াৰ, ৰাজনীতিবিদ অসমৰ পৰা ওলাবনে ? আমাৰ ভবিষ্যত প্ৰজন্মৰ ভবিষ্যত কি ? এই ব্যৱস্থাত ডাক্তৰ, ইঞ্জিনিয়াৰৰ কল্পনা কৰিব পাৰোনে ? এনেকৈয়ে যদি আজি আমাৰ ভৱিষ্যত বংশধৰ সকল ধ্বংস হৈ যায় তেন্তে তাক কোনে মেৰামতি কৰিব ? মাননীয় শাসক দলৰ সদস্য গৰাকীয়ে অসমীয়াৰ মৰিশালিত হাঁহিব পাৰে, ক্ষমা কৰিব মই আপোনালোকক সমৰ্থন কৰিব নোৱাৰো। এই দুৰ্নীতি আৰু অনিয়ম বহু দিনৰ পৰা চলি আহিছে তাৰ পৰিবৰ্ত্তন নাই। ৰাজ্যৰ পশু-পালন বিভাগত ৩৩ কোটি টকাৰ বাজেট আৰু খৰচ কৰিছে ৭৩ কোটি টকা। এইটো কেনেকৈ খৰচ হয় ? এই দুৰ্নীতি, এতিয়া শুনিছো চৰকাৰে এনকোৱাৰী কমিচন গঠন কৰিছে। অনুসন্ধানৰ বাবে। মই ভাবো বিষয়াৰ দ্বাৰা তদন্ত কৰা কমিচন পৰ্য্যাপ্ত নহয়। মই আজি প্ৰস্তাৱ দিছো ইয়াৰ বাবে সদন কমিটি গঠন কৰক আৰু ইয়াৰ যোগেদি অনুসন্ধান কৰক। পশুপালন বিভাগত স্কেন্দেল বহুদিনৰ পৰাই চলি আহিছে। গোটেই তথ্য উংঘাটন কৰাৰ কাৰণে সদন কমিটিৰ গঠনৰ অতি প্ৰয়োজন। আজি অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত শংকা, দ্বিধা উদয় হয় কিয় ? কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক সঠিক নহলে এই জনগোষ্ঠীসমূহৰ আশা আকাংক্ষাৰ উপশম কৰিব নোৱাৰে। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীমহন্তই কৈছে অসম চৰকাৰৰ টাউন কমিটিৰ এখনবো ক্ষমতা নাই। ৰাজ্যৰ অৱস্থা আজি এনে দুৰৱস্থা কিয় ? অৰ্থমন্ত্ৰীৰ তথ্যমতে কেন্দ্ৰ চৰকাৰে অসমক বিভিন্ন পৰিকল্পনাৰ শিতানত দিব লগা আছিল ৬৮৭ কোটি টকা। তাৰে হেনো ৫১৫ কোটি টকা ধাৰ হিচাবে কাটি ৰাখিছে। ফলত পৰিকল্পনাৰ শিতানৰ টকা অপৰিকল্পনাৰ শিতানত, বহিৰ্ভূত শিতানত খৰচ কৰিব লগা হৈছে। কোনোমতে ৰাজ্যখন এইদৰে চলি আছে। আজি ঠিকাদাৰ সকলে বিল আদায়ৰ বাবে আন্দোলন কৰিছে। শ্ৰীহলিৰাম টেৰাং ডাঙৰীয়াই কৈছে আমি আন্দোলন কৰিছো দেখিবলৈ ভাল। ঠিকাদাৰ সকলৰ আন্দোলন অসমত আগতে কেতিয়াও হোৱা নাছিল। এই গোটেই

সমস্যাৰ মুল কাৰণ হল কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ পুণৰ বিন্যাস। এই বিন্যাস যদি সঠিক নহয় তেন্তে অসমৰ সমস্যা সমাধান কেতিয়াও নহয়। আজি বড়ো সকলক স্বায়ত্ব শাসন দিয়াৰ প্ৰস্তাৱ হৈছে। এওঁলোকক পৰ্যাপ্ত অৰ্থনৈতিক সহযোগ বা যোগান ধৰা নহয় তেন্তে কি কৰিব? ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ চৰকাৰে কৰিব নোৱাৰে কাৰণ অধিকাৰ আৰু পুঁজি নাই, বান নিয়ন্ত্ৰণ নহলে অসমৰ বিকাশ নহয়। আমাৰ ৰাজ্যত এটা কৃষি বিভাগ আছে। এই বিভাগত কৃষিৰ বাবে বহু টকা খৰচ কৰা হয়। কৃষি ব্যৱস্থাৰ উন্নতিৰ কাৰণে সাৰ, বীজ, সঁজুলি কৃষকক ট্ৰেক্টৰ দিব লাগে, কিন্তু পুঁজিৰ বাবে দিব পৰা নাই। সেৰামতি কৰিবলৈ পইচা নাই। যদি কৃষকক সঁজুলি দিব নোৱাৰে, মাটিৰ পট্টা দিব নোৱাৰে তেন্তে কৃষিৰ উন্নতি কৰিব নোৱাৰে, ৰাজ্যত অৰ্থনৈতিক বিকাশো নহয়। কেৱল প্ৰাথমিক স্কুলৰ শিক্ষকৰ চাকৰিৰ যোগেদি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। অসমত প্ৰচুৰ প্ৰাকৃতিক সম্পদ আছে। এই প্ৰাকৃতিক সম্পদ ব্যৱহাৰৰ বাবে পুঁজিৰ যোগাৰ কৰিবলৈ অসম চৰকাৰৰ আৰু ক্ষমতাৰ আৱশ্যক। সেয়ে কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ পুণৰ বিন্যাস হব লাগিব। উপযুক্ত তেলৰ ৰয়েলিটি পাবৰ কাৰণে, ব্ৰহ্মপুত্ৰ আৰু উপনৈ সমূহক নিয়ন্ত্ৰণ কৰিবৰ কাৰণে বিধান সভাৰ মন্ত্ৰিয়াৰ পৰাই আন্দোলন আৰম্ভ কৰক। মই প্ৰতিশ্ৰুতি দিছো কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্কৰ পুণৰ বিন্যাসৰ কাৰণে চৰকাৰৰ আন্দোলনক পূৰ্ণ সমৰ্থন কৰিম। সংকীৰ্ণ ৰাজনীতিৰ পৰিধিৰ বাহিৰত গৈ সকলো ৰাজনৈতিক একগোট হৈ কেন্দ্ৰৰ ওচৰত অন্য ৰাজ্যই অধিক অধিকাৰৰ দাবী কৰিছে আৰু কিঞ্চিৎ অধিকাৰ হলেও আহৰণ কৰি নিজ ৰাজ্য পৰিচালনা কৰিছে। আমিও এনে আন্দোলনক সহযোগিতা কৰিম আৰু মুখ্যমন্ত্ৰীয়ে নেতৃত্ব লওঁক। মই কেন্দ্ৰৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিবলৈ কোৱা নাই। তেখেত সকল আগবাঢ়ি আহক আমি পূৰ্ণ সমৰ্থন দিম। তেনে আন্দোলন গঢ়ি তুলিব পাৰিলে আমি আমাৰ নাৰ্য্য প্ৰাপ্তি আদায় কৰি ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ, উপযুক্ত তৈলৰ ৰয়েলিটি আদি আদায় কৰিবলৈ সক্ষম হম। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

ডাঃ কৃষ্ণ কান্ত লহকৰ: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত দুটামান কথা নিবেদন কৰিব বিচাৰিছো। আমি আটাইতকৈ সুখী হৈছো কেবা বছৰো আন্দোলন কৰাৰ পাছত বড়ো সকলৰ মাজত এখন চুক্তি স্বাক্ষৰিত হৈছে। কিন্তু হলেও চুক্তিখন কিছু গণ্ডগোলীয়া হ'ল। এই ক্ষেত্ৰত

মই মুখ্যমন্ত্ৰী আৰু বড়ো বন্ধু সকলৰ এটা কথাত দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো যে বড়োলেণ্ডত পৰা অজনজাতীয়লোক সকলে কোনো ক্ষেত্ৰতে কোনো অসুবিধা পোৱা কাম নকৰে। বড়ো লেণ্ডৰ ভিতৰত য'ত এজনো জনজাতি লোক নাই তেনে গাওঁও পৰিছে। মোৰ সমষ্টিৰ ১০ খন তেনে গাওঁ পৰিছে। যোৱা কালি সেই গাওঁ সমূহৰ পৰা ৩০ জন লোক আহিছিল আৰু তেওঁলোকক মই মুখ্য মন্ত্ৰীৰ ওচৰলৈ লৈ গৈছো তেখেতে এটা আশ্বাস দিছে আনহাতে আৰু এটা কথা আপোনালোকে আলফা সমস্যাটো সমাধান হোৱা বুলি নাভাবিব। এনে এটা শ্ৰেণী ওলাইছে তেওঁলোকে মোকো কৈছে যে মানুহ মাৰিলে যদি টকা পায় তেনেহলে আমিও যিহেতু চাকৰী নাপাওঁ আমি আলফা হম। সেয়ে মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ছাত্ৰ সন্থা নিবনুৱা সকলৰ লগত আলোচনা কৰি আৰু যাতে কোনেও আলফা হব নোৱাৰে তাৰ চেষ্টা কৰক।

অসম এখন কৃষি প্ৰধান দেশ। কিন্তু আজিও কৃষিৰ একো উন্নতি নহ'ল। চলিহাৰ দিনতে যিটো যমুনা জলসিঞ্চন আঁচনি হৈছিল সেইটোৱেই আজিও চলি আছে। ইয়াৰ পিছত নতুনকৈ কোনো পানী যোগান আঁচনি কৰিব পৰা নাই। মোৰ সমষ্টি পহুমাৰাত ১৯৭২ চনতে এটা পানী যোগান আঁচনি লৈছিল কিন্তু আজিলৈ তাৰ দ্বাৰা পানী দিব পৰা নাই। গতিকে এই আঁচনিটো ফলপ্ৰসু কৰি কৃষকে যাতে খেতিৰ কাৰণে পানী পায় তাৰ চেষ্টা কৰিব লাগে। তাত এটা ডাঙৰ ঘটনা হৈছে বিদ্যুৎ বিভাগক বহুত টকা দিবলৈ আছে যাৰ কাৰণে বিদ্যুৎ শক্তি বন্ধ কৰি দিছে। এতিয়া হেনো ৫০ লাখ টকা দিছে সেই ৫০ লাখেৰে একোৱেই নহয় এতিয়া পানী দিয়া বন্ধ হৈ আছে। সেয়ে মই জলসিঞ্চন মন্ত্ৰী, বিদ্যুৎ মন্ত্ৰী দুয়োকে অনুৰোধ কৰিছো যাতে অতি সোনকালে এই ডিভিজনৰ কাম কাজ চালু কৰে অন্ততঃ যাতে খেতিয়কে পানী পাব পাৰে তাৰ কাৰণে চেষ্টা কৰিব। অসমত এটাই মাত্ৰ ডাঙৰ উদ্যোগ কৰি নিবনুৱা সমস্যাৰ কেতিয়াও সমাধান কৰিব নোৱাৰে। বিভিন্ন ধৰণৰ উদ্যোগ কৰি সেই উদ্যোগসমূহত যাতে হাজাৰ হাজাৰ মানুহে কাম কৰিব পাৰে তাৰ চেষ্টা কৰিব লাগে। মোৰ বোধেৰে এজন মন্ত্ৰীৰ লগত কিছু নিবনুৱা যুবকক দি পঞ্জাবলৈ পঠিয়াই দিব লাগে। পঞ্জাৱত ক্ৰমে ক্ৰমে নিবনুৱাসকলক গজাল বল্টু তৈয়াৰ কৰিব দিছে। আমাৰ নিবনুৱা ডেকা সকলে সেইবিলাক চাই আহক আৰু সেইবিলাক কামত আমাৰ ইয়াত নিবনুৱা সকলক লগাব পাৰিলে বহুত নিবনুৱা সমস্যা সমাধান হব। আমাৰ প্ৰাক্তন

পশুপালন সঞ্চালক অৰ্থাৎ বুজৰবৰুৱাই কিছুমান আত্ম সংস্থাপনৰ আঁচনি কৰিছে। মোৰ সমষ্টিতে দুখন পল্‌ট্ৰি ফাৰ্ম খুলিছে আৰু ২০ জন নিবনুৱাক জাৰ্চি পোহাৰ ব্যৱস্থা কৰি দিছে। মই এজন যুৱকক মাতি আনি সুধিছিলো আৰু তেওঁলোকে কৈছে যে একোজনী জাৰ্চি গাইৰ ১৮ লিটাৰকৈ গাখীৰ ওলায় এতিয়া তেওঁলোকে এহেজাৰ মানকৈ আয় কৰে। আমি তেওঁলোকক ঘাঁহ খেতি কৰিবৰ কাৰণে এতিয়া ৫০ বিঘা মাটি দিছো। তেখেতে সিদিনা মোক কৈছিল এতিয়া দানা তৈয়াৰ কৰা এটা আঁচনি লৈছে প্ৰায় ৬ কোটি টকা লাগে। সেইখিনি পইছা পালে তেনেকুৱা বহুত জাৰ্চি গাইৰ সৃষ্টি কৰিব পাৰিব। আশা কৰো তেনে ব্যৱস্থা কৰিব।

আমাৰ বিধবা আয় সকল অতিকৈ গৰীব। তেওঁলোকৰ কাৰণে আমি লব পৰা আঁচনি বহুত আছে। আমি যদি প্ৰতি গৰাকী বিধবাকে একোখন তাঁতশাল দিব পাৰো আৰু সূতাখিনি দিব পাৰো আৰু তেওঁলোকে উৎপাদন কৰা কাপোৰ-খিনি অলপ লোকচান ধৰি হলেও কিনি আনিব পাৰো তেনেহলে তেওঁলোকে নিশ্চয় সংস্থাপিত হব। এনেকৈ প্ৰতিটো মহকুমাতে ৫ টাকৈ চেণ্টাৰ খোলক। আমি দেখিছো আমাৰ পুৰুষজনে যদি চাকৰী কৰে তেনেহলে তিৰোতাজনীয়েও বিছাৰে ঠিক তেনেকৈ হলোৱা সকলৰ তিৰোতাসকলক সংস্থাপিত কৰিব পাৰিলেহে তেওঁলোকক সকাহ দিব পাৰিব। কাৰণ এখন হালেৰে আজি কালি ৪/৫ জন লৰা ছোৱালীক পোহ পাল দিব নোৱাৰে। আমাৰ শুৱালকুছিত যেনেকৈ পাত মুগাৰ উদ্যোগ আছে তেনে উদ্যোগ ঠায়ে ঠায়ে গঢ়ি তুলিব লাগে। অসমৰ ঠায়ে ঠায়ে মুগাৰ খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ পৰা আমি বহুত লাভৱান হম। আমাৰ এতিয়া ৰাস্তাৰ কাষৰ যিবিলাক গছ আছে সেইবিলাক আমাৰ সম্পদ। এটা সময়ত আমি সেইবিলাকৰ পৰা বহুত অৰ্থ লাভ কৰিব পাৰিম। উদাহৰণ এটা দিছো— বৰপেটাৰ এটা লৰা আছিল তেওঁ বিয়া কৰাব নোখোজে কাৰণ তেওঁৰ হেনো টকা নাই। তেওঁৰ বন্ধুজনে বাৰীৰ পিছফালে গৈ দেখিলে তেওঁৰ বাৰীত কেবাজোপাও শিশু গছ আছে। তাৰ পিছত তেওঁ শিশু গছ বিক্ৰী কৰি বহুত টকা পালে। অকল দুডাল শিশুগছ বিক্ৰী কৰিয়ে বিয়াখন খেদালে। গতিকে আমাৰ লৰা ছোৱালীক শিশু, শোষন গছ ৰোৱাৰ প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যত মাছৰ অৱস্থা বৰ দুখ লগা। ফিচাৰী

সক'লাতে আছে, মাছো পোহে— তত স্বত্বেও আন প্ৰদেশৰ পৰা মাছ আমদানি কৰি আনিব লগা হৈছে । তাৰ পৰিৱৰ্ত্তে আমি যদি নিজে ফিছী কাল্‌চাৰ কৰো তেতিয়াহলে আমাৰ অৰ্থনৈতিক অৱস্থা ভাল হব বুলি মই ভাবো। সেইকাৰণে চৰকাৰৰ ফালৰ পৰা ফিছী কাল্‌চাৰ কৰিবলৈ আমাৰ দুখীয়া জন-সাধাৰণক উদ্‌গনি দিব বুলি মই আশা ৰাখিলো ।

Mr. Speaker : Shri P. K. Nath to Speak.

শ্ৰীপ্ৰনব কুমার নাথ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় রাজ্যপলের ভাষনের উপর যে সংশোধণী প্রস্তাব এসেছে আমি তার সমর্থনে দুই একটা কথা বলব। কারণ রাজ্যপালের ভাষণ একেবারে অন্তঃসারশূণ্য এবং এতে জনসাধরণের আশা-অকাংখার কোনও প্রতিফলন ঘটেনি ।

প্রথমতঃ রাজ্যপালের ভাষণ যে নতুন মহকুমা গঠনের উল্লখ রয়েছে তাতে করিমগঞ্জ জেলার রামকৃষ্ণ নগরের ব্যাপারে কোনেও উল্লেখ নাই। আমি দাবী করছি যে ১৯৯৩ ইংর ভিতরেই যেন রামকৃষ্ণ নগরকে সদর হিসাবে গণ্য করে নতুন মহকুমা গঠন করা হয়।

দ্বিতীয়তঃ নতুন পঞ্চায়ত গঠন হওয়ার পর সে গুলিতে কাজকর্মের জন্য কোনও ফাণ্ড দেওয়া হচ্ছে না। ফলে নতুন কোনও স্কীম রূপায়িত হচ্ছেনা। ফলে সাধারণ মানুষ সরকারের প্রতি হতাশার ভাব পোষণ করছে। অর্থনৈতিক ক্রাসিসের ফলে ডেভেলাপমেণ্ট ওয়ার্ক হচ্ছে না। ডেভেলাপমেণ্টর টাকা দিয়ে কর্মচরীদের বেতন দেওয়া হচ্ছে। তাছাড়া সময়মতো স্কুল বিল্ডিং' র জন্য টিন, রড্‌, সিমেণ্ট না পাঠানোর ফলে ১৯৯২-৯৩ অর্থ বৎসরে বি এল সি সি থেকে মঞ্জুর করে দেওয়া অনেক স্কুল ভবন নির্মাণের কাজ আজ পর্য্যন্ত সমাপ্ত হয়নি। উদাহরণ স্বরূপ দক্ষিণ করিমগঞ্জের মেঘনা-বড়ান্তর এল, পি, স্কুল, দত্তপুর জুনিয়ার বেসিক স্কুল ইত্যাদি। এই ব্যাপারে সরকারের দৃষ্টি আকর্ষণ করে বলতে চাই যে যাতে নির্দিষ্ট সময়ের মধ্যে এই সব স্কুল ঘরের নির্মাণের জন্য সরঞ্জাম পাঠানো হয়।

তৃতীয়তঃ মহোদয়, শিক্ষা বিভাগের বিভিন্ন দূর্নীতির ব্যাপারে এই সদনে আলোচনা হয়েছে। এই ব্যাপারে আমি কেবল একটা কথা বলতে চাই। করিমগঞ্জ ষ্টাইপেন্‌ডারি শিক্ষক নিয়োগে ব্যাপারে দূর্নীতির কথা সবারই জানা আছে। এই নিয়োগের ব্যাপারে মেধাবী যুবকদের নিয়োগ করা হয়নি। এই ব্যাপারে লক্ষ লক্ষ টাকার দুর্নীতি হয়েছে। সে সব কথা বিভিন্ন পত্র-পত্রিকায়

প্রকাশ পেয়েছে। ফলে, একজন প্রাক্তণ বিধায়ক ও প্রাক্তণ বিধায়িকা স্থানীয় জনগণ কর্তৃক প্রহৃত হয়েছেন। তাছাড়া আমাদের এলাকায় অনেকগুলি প্রাথমিক বিদ্যালয় রয়েছে যে গুলির ঘর নাই। ডেক্স-বেঞ্চ ইত্যাদি নাই। বারান্দায় ছেলেরা বসে, নিয়মিত ক্লাস হয় না— অথচ শিক্ষকরা নিয়মিত বেতন পেয়ে যাচ্ছে। উদাহরণ হিসাবে সু-প্রাকান্দি শিশু-কল্যাণ এল, পি, স্কুল, মইনা গড়ের গ্রাম এল, পি, স্কুল, কেউট কোনো জয়কালী এল, পি, স্কুল, বারৈ গ্রাম উমেশরাম এল, পি, স্কুল, নতুন বাজার ঘাট এল, পি, স্কুল, ওয়েষ্ট ঘুংঘুরা কোনা এল, পি, স্কুল ইত্যাদি। ৬৭৩ নং পালপাড়া এল, পি, স্কুল পাথারকান্দি ব্লক এলিমেন্টারী এডুকেশন অফিসের আওতায় পরে। উক্ত স্কুলের শিক্ষক ও শিক্ষয়ীত্রি ঠিক সময় মত স্কুলে যান না, অনুসন্ধান করত কার্য্যকরী ব্যবস্থা নেওয়া দর্কার। সুতরাং এই সব ব্যাপারে সরকার বিশেষ দৃষ্টি দেবেন বলে আমি আশা করি।

তাছাড়া নতুন যেগুলি হায়ার সেকেণ্ডারী স্কুল হয়েছে— সেগুলোতে ষ্টাফ নাই। যেমন ফাকুয়াগ্রাম হাইয়ার সেকেণ্ডারী স্কুল। সেগুলিতে অবিলম্বে সাবজেক্ট টিচার নিয়োগ করা দরকার।

বন বিভাগের ব্যাপারে নজর দিলে দেখা যায় চতুর্দিকে কেবল দুর্নীতি। করিমগঞ্জ জেলায় ফাকুয়াগ্রাম মহলের চাপঘাট নং ১) এবং ২) এ দেখা যায় ফরেষ্ট বিভাগের রেভিনিউ অনেক কমে গেছে। যেমন—

| | | |
|---|---|---|
| ১) | ১৯৮৯-৯০ ইং | ১,৮৫,০০০·০০ টাকা |
| ২) | ১৯৯০-৯১ ইং | ২,৭৫,০০০·০০ টাকা |
| ৩) | ১৯৯১-৯২ ইং | ৩,৭৫,০০০·০০ টাকা |
| ৪) | ১৯৯২-৯৩ ইং | ৪৮,৩০৪·০০ টাকা। |

এসব ঘটেছে কেবল বন বিভাগের কর্মচারীদের দুর্নীতির জন্য। অথচ কর্তৃপক্ষ নীরব রয়েছেন। সরকারকে এদিকে নজর দিতে অনুরোধ করছি।

পি এইচ ই'র ব্যাপারে দেখা যায় যে ফাকুয়া গ্রামে একটা ওয়াটার সাপ্লাই'র স্কীম সেংশন করা হয়েছিল অথচ কাজ হয়নি। এই ব্যাপারে একটা প্রশ্নের উত্তরে সরকার বলেছেন যে 'স্কীম সেংশন করা হয়নি।' এ ব্যাপারে তদন্ত করে যাতে কাজটি তাড়াতাড়ি হয় তার জন্য সরকারের কাছে অনুরোধ করছি। তাছাড়া পত্মারপার, দলগ্রাম জল সরবরাহ প্রকল্পটি বন্ধ থাকায় ঐ অঞ্চলের

জনসাধারনের যথেষ্ট অসুবিধা হচ্ছে। যাতে অতি শীঘ্র এটা চালু করা হয় তার জন্য অনুরোধ করছি। তাছাড়া তারও অনেক যাগা রয়েছে যেগুলোতে জরুরী ভিত্তিতে জল সরবরাহের ব্যবস্থা করা উচিৎ। কারণ ঐসব এলাকা অত্যন্ত শুষ্ক এবং বালি রয়েছে।

মহোদয়, স্বাস্থ্য বিভাগের অবস্থা অত্যন্ত শোচনীয়। কেননা অনেক প্রাথমিক স্বাস্থ্য কেন্দ্র রয়েছে, যেমন ভলু স্বাস্থ্য কেন্দ্র। সেখানে বিগত ৫/৭ বৎসর যাবৎ কোন ডাক্তার নাই। এই ভলু স্বাস্থ্য কেন্দ্রটির ভবন কিছুদিন পূর্ব ঘূর্ণীবাড়ে ক্ষতি গ্রস্ত হয়েছে। শীঘ্রই এ ভবনটির পুণনির্মাণ করা প্রয়োজন। তাছাড়া এই হাসপাতালের অনেক মূল্যবান জিনিষ চুরি হয়ে গেছে। অথচ কর্তৃপক্ষ নীরব আছেন। ফলে জনসাধরণ একটা অসহায় অবস্থার মধ্যে পড়েছেন। সুতরাং আমি সরকারের কাছে দাবী করছি যাতে ঐ হাসপাতালে অতি সত্বর ডাক্তার নিয়োগ করা হয় এবং হাসপাতাল ভবনের সংস্কার সাধন করা হয়। নগেন্দ্র নগর পাব্লিক হেলথ সেণ্টার বিগত ৮ বৎসর ধরে সেশন করা হয়েছে অথচ আজ পর্যান্ত তার ভিত্তি প্রস্তর পর্যান্ত স্থাপন করা হয় নি। এতে জনসাধারণ ক্ষুব্ধ হয়ে আছে। তারা সরকারের স্বাস্থ্য সেবা থেকে বঞ্চিত হয়ে আছে। অতি সত্বর এই হাসপাতালের ভিত্তি প্রস্তর স্থাপন করা দরকার। তাছাড়া বারৈগ্রাম পি. এইচ. সিতে অন্ততঃ ৬ টি শয্যার এবং নীলাম বাজার হাসপাতালে ১০ টি শয্যার ব্যবস্থা কর দরকার। মহোদয়, দক্ষিণ করিমগঞ্জ' এ ৩০ শয্যা বিশিষ্ট কোনও হাসপাতাল নাই। তাই বাজার ঘাটে এই ৩০ শয্যা বিশিষ্ট হাসপাতাল যেন স্থাপন করা হয়।

মহোদয়, দক্ষিণ করিমগঞ্জ সমষ্টিতে অরেকটি উন্নয়ন খণ্ড স্থাপন করা দরকার। পি. ডি. বি, ৭০/৮৫/২৩৫ তাং ৬/৭/৯০ ইং তারিখে এক অধিসূচনা মারফৎ দক্ষিণ করিমগঞ্জ সমষ্টির বাজারঘাটে একটি নতুন উন্নয়ন খণ্ড স্থাপনের সিদ্ধান্তটি আজ পর্যন্ত কার্যকরী না করার কারণ বুঝতে পারছি না। শীঘ্রই এ ব্যাপারে কার্যকরী পদক্ষেপ নেওয়া উচিত।

মহোদয়, বিদ্যুতের অবস্থা একেবারে বেহাল। অসময় নির্বাচন চক্রের বিভিন্ন স্থানে গ্রামের ভিতর দিয়ে বিদ্যুতের লাইন গিয়াছে কিন্তু বিদ্যুৎ নাই। অথচ প্রশ্ন করলে সরকারের তরফ থেকে উত্তর আসে যে এইসব গ্রামের সর্বত্র বিদ্যুৎ সরবরাহ করা হচ্ছে। অথচ আমি নিজে জানি যে ঐসব গ্রামে বিদ্যুৎ সরবরাহ হচ্ছে না। এই ব্যাপারে ব্যবস্থা গ্রহণ করা দরকার।

মহোদয়, করিমগঞ্জ জেলার পাথরকান্দি ও দক্ষিণ করিমগঞ্জ ব্লকে শিশু উন্নয়নের প্রকল্প স্থাপনের ব্যবস্থা করা দরকার। তাছাড়া রামকৃষ্ণ নগর আই, সি, ডি, এস প্রজেক্টের অন্তর্গত মইনা, মেঘনা বড়ান্তর, নুতন বাজারঘাট, বসন্তপুর, তেলীখালের পার, নয়াগ্রাম, দুর্লভপুর, কেউটকোনা, সৈদখানি, শিববাড়ী নয়াগ্রাম, সিঙ্গীরপার প্রভৃতি গ্রামে অঙ্গনবাদি কেন্দ্র স্থাপনের ব্যবস্থা করা উচিত। তাছাড়া এ ধরণের কেন্দ্রে যাতে নিয়মিত শিশুখাদ্য বিতরণ হয় সেদিকে সরকারের লক্ষ্য রাখা উচিত এবং এগুলোতে যেসব ওয়ার্কার রয়েসে তারা যেন মিনিমাম ওয়েজ পায় তার ব্যবস্থা করা উচিত।

মহোদয়, পি, ডব্লিউ, ডি বিভাগের সম্পর্কে বলতে গিয়ে সরকারকে স্মরণ করিয়ে দিতে চাই যে গ্রামাঞ্চলে যোগাযোগ ব্যবস্থার উন্নতি না হ'লে গ্রামের সর্বাঙ্গীন উন্নতি অসম্ভব। তাছাড়া শহরগুলিতে জনসংখ্যার চাপ পরার সঙ্গে সঙ্গে গ্রামাঞ্চলের রাস্তাঘাটের প্রতি গুরুত্ব দেওয়া দরকার। আমার নির্বাচনী এলেকার পোয়ামরা, কালিগঞ্জ, বাটেগ্রাম,-পেচারপার সড়কের ৪টি পুল দুই বৎসর যাবৎ ভগ্ন অবস্থায় থাকার ফলে ঐসব এলেকার জনসাধারণের মারাত্মক অসুবিধা হচ্ছে। (সময় সংকেত)

মহোদয়, এসব সমস্যার সমাধানের দাবীকরে আমি রাজ্যপালের ভাষণের উপর সংশোধনী প্রস্তাব সমর্থন করে আমার বক্তব্য শেষ করছি।

Mr. Speaker : Smti. Rupam Kurmi.

শ্রীমতী ৰূপম কুৰ্মী : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ মার্চ তাৰিখে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে সদনত দিয়া ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীমুজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে তাৰ প্ৰতি মই পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু ইয়াৰ ওপৰত ভিত্তি কৰি মই কেইটামান কথা ক'বলৈ বিচাৰিছোঁ। অধ্যক্ষ মহোদয়, সম্মানিত ৰাজ্যপাল মহোদয়ৰ ভাষণৰ প্ৰতিলিপি আপোনাৰ হাতত নিশ্চয় আছে আৰু আপোনাৰ এই ভাষণ দৃষ্টিগোচৰ হৈছে। মই আজি ইয়াত কেইটামান কথা দাঙি ধৰিব খুজিছো। আমাৰ চৰকাৰে শাসনলৈ অহাৰ আগতে, অৰ্থাৎ ৩-৪ বছৰৰ আগতে আমাৰ ৰাজ্যখনত আইন-শৃংখলাৰ কি বিজুতি ঘটিছিল আৰু আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিচত আমাৰ ৰাজ্যখনলৈ কি ধৰণৰ শান্তি ঘূৰি আহিছে সেই বিষয়ে কিছু কব খুজিছো। অধ্যক্ষ মহোদয়, আজিৰ পৰা ২-৩ বছৰৰ আগতে অসমৰ বাইজৰ মনত এক আশংকাৰ সৃষ্টি হৈছিল, তেওঁলোক ঘৰৰ পৰা বাহিৰলৈ যাব পৰা নাছিল।

কোনোবা বিশেষ কামত ঘৰৰ পৰা বাহিৰলৈ গলেও তেওঁ ঘৰলৈ পুনৰ ঘূৰি নহালৈকে ঘৰৰ মানুহখিনি চিন্তিত হৈ আছিল। এই চৰকাৰ ক্ষমতালৈ অহাৰ পিচত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে আৰু জনসাধাৰণে শান্তিৰে বসবাস কৰিবলৈ সুবিধা পাইছে। অধ্যক্ষ মহোদয়, যোৱা ৫-৬ বছৰ ধৰি আমাৰ বড়ো ভাই সকলে যি আন্দোলন কৰি আহিছিল, সেই আন্দোলন ওৰ পেলাবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। আজি আমাৰ ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী পি, ভি, নৰসিংহ ৰাও, কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীৰাজেশ পাইলট আৰু অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে অশেষ চেষ্টা কৰি যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে বড়োলেণ্ড চুক্তি সম্পাদন কৰে। এই একৰ্ডত আন্দোলনকাৰী সকলেও স্বাক্ষৰ কৰে। যি দিন ধৰি এই একৰ্ড স্বাক্ষৰিত হৈছে সেই দিন ধৰি এই আন্দোলনৰ ওৰ পৰিছে, এইটো অসমৰ ৰাইজৰ কাৰণে বৰ সন্তোষৰ কথা। আজি আমাৰ বিভিন্ন দলৰ মাননীয় সদস্য সকলে বক্তব্য দাঙি ধৰিছে যে বড়োলেণ্ড দিয়াৰ কাৰণে আমাৰ বহুতো অসুবিধা হব। আজি কেইদিন মানৰ আগতে আমাৰ 'আই. এন, টি, ইউ, চি'ৰ কেইজনমান নেতা দিল্লীলৈ গৈছে যি ২৫ খন চাহ বাগান বড়োলেণ্ডৰ অন্তৰ্ভুক্ত হৈছে সেই কেইখন তাৰ পৰা বাদ দিয়াৰ কাৰণে কৰলৈ। এই সম্পৰ্কে হোৱা আলোচনাত এই বুলি জানিব পাৰিছোঁ যে যিবোৰ চাহ বাগান অঞ্চলত বড়ো জনগোষ্ঠী নাই সেই বাগান কেইখন এই চুক্তিৰ পৰা বাদ পৰিব পাৰে। এইটো শুনি সন্তোষ পাইছোঁ। মই এই খিনিতে বড়ো নেতৃবৃন্দক আন্তৰিক ধন্যবাদ জনাইছোঁ আৰু লগতে বড়ো নেতৃবৃন্দক অনুৰোধ জনাইছোঁ, যিকল অ-বড়ো জনগোষ্ঠী যুগ যুগ ধৰি বড়োলেণ্ডৰ অন্তৰ্ভুক্ত অঞ্চল সমূহত মিলাপ্ৰীতিৰে বসবাস কৰি আছে, তেওঁলোকৰ লগত যাতে ভাই-ভাই সম্বন্ধেৰে বসবাস কৰে আৰু এই লোক সকলৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো অধিকাৰ বজাই ৰাখিবলৈ দিয়ে। যোৱা ৬-৭ বছৰ ধৰি কৰি অহা আন্দোলনৰ ফলত এই একৰ্ডত উপনিত হোৱা গৈছে। বড়ো সকলে তেওঁলোকৰ মাজত থকা অ-বড়ো জনসাধাৰণক আঁকোৱালি লব বুলি, মিলাপ্ৰীতিৰে ভাই, ভাই সম্বন্ধেৰে ৰাখিব বুলি আশা কৰিছোঁ। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো মিলি-জুলি থাকিসা-সুবিধা আগবঢ়াব বুলি আশা কৰিছোঁ। অ-বড়ো জনগোষ্ঠীয়েও

